**সন্মানীয় অধ্যক্ষ আৰু অসম বিধানসভাৰ মাননীয় সদস্যসকল,**

অসম বিধানসভাৰ ফেব্ৰুৱাৰী অধিৱেশন, ২০২১-ৰ অভিভাষণ দিবলৈ পাই মই অতিশয় সুখী অনুভৱ কৰিছো। এই পবিত্ৰ ক্ষণত সকলোলৈ শুভেচ্ছা জনাইছো।

২০২০ বৰ্ষটোৱে আমালৈ বহু অভূতপূৰ্ব প্ৰত্যাহ্বান কঢ়িয়াই আনিছিল। ক'ভিড-১৯ অতিমাৰীয়ে স্থিতি, কৰ্মক্ষেত্ৰ আৰু স্থান নিৰ্বিশেষে প্ৰত্যেকৰে জীৱনত প্ৰভাৱ পেলাইছে। এই কঠিন সময়ত মোৰ চৰকাৰে যথেষ্ট সাহস আৰু দৃঢ় মনোবলেৰে এই দুৰ্যোগৰ মোকাবিলা কৰিবলৈ সমৰ্থ হৈছে। সময়ৰ কোনো অপব্যয় নকৰি ফ্ৰণ্টলাইন কৰ্মীসকলৰ বাবে পি পি ই কিটৰ ব্যৱস্থা কৰাৰ লগতে কোৱাৰেণ্টাইন চেণ্টাৰো স্থাপন কৰা হৈছিল। যিসকল লোক আক্ৰান্ত হৈছিল সেইসকলক ততাতৈয়াকৈ চিকিৎসাৰ ব্যৱস্থা কৰা হৈছিল আৰু তেনে লোকসকলৰ সংস্পৰ্শলৈ অহা সকলোকে লগেলগে চিনাক্ত কৰি কোৱাৰেণ্টাইন কৰা হৈছিল। এই তৎপৰতাৰ বাবেই সংক্ৰমণ ৰোধ হৈছিল আৰু সুস্থ হোৱা লোকৰ হাৰ বৃদ্ধি পোৱাৰ লগতে মৃতকৰ সংখ্যাও হ্ৰাস পাইছিল। সমূহ স্বাস্থ্যকৰ্মী আৰু ফ্ৰণ্টলাইন কৰ্মীসকলৰ নেৰানেপেৰা চেষ্টাৰ ফলত এই মহামাৰীৰ প্ৰাদুৰ্ভাৱ হ্ৰাস পাইছিল। এতিয়া ১৬ জানুৱাৰীৰ পৰা ফ্ৰণ্টলাইন কৰ্মীসকলক বিনামূলীয়াকৈ ভেকচিন প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

মোৰ চৰকাৰে ক'ভিড-১৯ সৃষ্ট আৰ্থিক বিপৰ্যয়কো নেওচি অৰ্থনৈতিক বিকাশৰ ধাৰা পুনৰ অব্যাহত ৰাখিবলৈ সমৰ্থ হৈছে।

সন্মানীয় সদস্যসকল, আমাৰ বাবে এয়া গৌৰৱৰ কথা যে আমাৰ ৰাজ্যখনৰ কেইগৰাকীও বিশিষ্ট লোকক মৰ্যাদাপূৰ্ণ অসামৰিক সন্মানেৰে সন্মানিত কৰা হৈছে। প্ৰয়াত তৰুণ গগৈক মৰণোত্তৰভাৱে পদ্মভূষণ সন্মান প্ৰদান কৰা হৈছে। ইয়াৰ লগতে ৮ গৰাকী বিশিষ্ট ব্যক্তি- লখিমী বৰুৱা, গোপীৰাম বৰগায়ন বুঢ়াভকত, বিজয়া চক্ৰৱৰ্তী, মংগল সিং হাজোৱাৰী, দুলাল মান্‌কি, বীৰুবালা ৰাভা, ৰোমাণ শৰ্মা, ইমৰাণ শ্বাহক পদ্মশ্ৰী বঁটা প্ৰদান কৰা হৈছে।

যোৱা চাৰে চাৰি বছৰত আমাৰ চৰকাৰে স্বচ্ছ, কাৰ্যকৰী, বিশ্বাসযোগ্য আৰু দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল দায়বদ্ধ সুশাসন প্ৰণয়নৰ বাবে প্ৰশাসনিক ক্ষেত্ৰখনত একাধিক সংস্কাৰ সাধন কৰিছে। ইয়াৰ মূলমন্ত্ৰই হৈছে অসমক দুৰ্নীতিমুক্ত, অবৈধ প্ৰব্ৰজন, সন্ত্ৰাসবাদ আৰু প্ৰদূষণ মুক্ত ৰাজ্য হিচাপে গঢ়ি তোলা। মোৰ চৰকাৰৰ প্ৰধান উদ্দেশ্য হৈছে ভূমিপুত্ৰসকলৰ জাতি, মাটি, ভেটি সুৰক্ষিত কৰাৰ লগতে ভাষা, সংস্কৃতি তথা স্বতন্ত্ৰ পৰিচয় বৰ্তাই ৰখা আৰু সংৰক্ষণৰ ব্যৱস্থা কৰা।

মোৰ চৰকাৰে দুৰ্নীতিমুক্ত অসম গঢ়িবলৈ যি প্ৰতিশ্ৰুতি দিছিল সেয়া পূৰণ কৰিবলৈ লেখত ল'বলগীয়া পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৬ চনৰ ২৭ মে'ত মোৰ চৰকাৰে ছিণ্ডিকেটৰাজ আৰু অবৈধ কাৰ্যকলাপৰ ঘাটি হৈ পৰা চে'ক গেটসমূহ উঠাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰশাসনিক ক্ষেত্ৰখনত স্বচ্ছতা আনিবলৈ সকলো চৰকাৰী ঠিকাৰ ক্ষেত্ৰত ই-টেণ্ডাৰিং আৰু লেনদেনত ডিজিটেল পেমেণ্টৰ ব্যৱস্থা বাধ্যতামূলক কৰা হৈছে। ধনৰ বিনিময়ত চাকৰি দিয়া কেলেংকাৰিৰে জড়িত অসম লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু ইয়াৰ দুই সদস্যৰ লগতে এনে অসাধু উপায়েৰে চাকৰি লাভ কৰা ৭০ বিষয়াক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল।

সন্ত্ৰাসবাদ আৰু উগ্ৰপন্থী সমস্যাৰ বিৰুদ্ধেও মোৰ চৰকাৰে গ্ৰহণ কৰা শূন্য সহনশীল নীতিয়ে ৰাজ্যখনৰ সন্ত্ৰাসবাদী সংগঠনবোৰক অস্তিত্বহীন কৰি পেলাবলৈ সমৰ্থ হৈছে।

বিধানসভাৰ সন্মানীয় সদস্যসকল, মোৰ চৰকাৰে খিলঞ্জীয়া লোকসকলক ভূমিৰ ন্যায্য অধিকাৰ পোৱাটো নিশ্চিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। সন্মানীয় প্ৰধানমন্ত্ৰীয়ে যোৱা ২৩ জানুৱাৰীত শিৱসাগৰৰ ঐতিহাসিক জেৰেঙা পথাৰত অসমৰ এক লক্ষাধিক থলুৱা লোকক ভূমিৰ পট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। যোৱা চাৰে চাৰি বছৰত মোৰ চৰকাৰে ৩.৩৫ লাখতকৈও অধিক ভূমি পট্টা আৰু আবণ্টন পত্ৰ থলুৱা ভূমিহীন পৰিয়ালক প্ৰদান কৰিছে। মোৰ চৰকাৰে 'অসম ভূমি আৰু ৰাজহ বিধি ১৮৮৬'ৰো সংশোধন কৰিছে আৰু সকলো ধৰ্মীয় অনুষ্ঠানক  বেদখল মুক্ত কৰিবলৈকো ব্যৱস্থা হাতত লৈছে।

মোৰ চৰকাৰে পৰিৱেশ নিকা আৰু সেউজ কৰি ৰাখিবলৈ যোৱা চাৰে চাৰি বছৰত ১২ হাজাৰ হেক্টৰৰো অধিক ভূমি সামৰি ৮ কোটিৰো অধিক গছপুলি

ৰোপণ কৰিছে। আনহাতে, ৰাষ্ট্ৰীয় উদ্যানকে ধৰি ৩৩৪১ হেক্টৰ বনাঞ্চলো বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰিছে। ৰাজ্য চৰকাৰৰ এনে পদক্ষেপলৈ স্বীকৃতি আগবঢ়াই ভাৰতৰ বন প্ৰতিবেদন ২০১৯ত অসমৰ বনভূমি ২২১.৫১ বৰ্গ কিলোমিটাৰ বৃদ্ধি পোৱাৰ তথ্য অন্তৰ্ভূক্ত হৈছে।

অসমীয়া ভাষাৰ সুৰক্ষাৰ বাবেও মোৰ চৰকাৰে বৰাক উপত্যকা, বিটিএডি আৰু পাৰ্বত্য অঞ্চলৰ জিলাকেইখনক বাদ দি সকলো ইংৰাজী আৰু আন মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা শিকোৱা বাধ্যতামূলক কৰিছে।

২০১৬ চনত দায়িত্ব গ্ৰহণ কৰাৰে পৰা মোৰ চৰকাৰে সকলো ক্ষেত্ৰতে কৃতকাৰ্য হৈছে আৰু ৰাজ্যখনত নতুন প্ৰভাত আনিবলৈ সমৰ্থ হৈছে। সুৰক্ষিত অসম, বিকশিত অসম, সৰ্বশ্ৰেষ্ঠ অসম নিৰ্মাণৰ লক্ষ্যৰে মোৰ চৰকাৰে বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰ-ভৈয়াম সকলোতে সম উন্নয়ন সাধনৰ হকে কাম কৰি গৈছে। মাননীয় প্ৰধানমন্ত্ৰীৰ 'সবকা সাথ, সবকা বিকাশ ঔৰ সবকা বিশ্বাস' আহ্বানক সাৰোগত কৰি মোৰ চৰকাৰে কাম কৰি গৈছে।

সন্মানীয় সদস্যসকল, এতিয়া মই মোৰ চৰকাৰে হাতত লোৱা আঁচনি আৰু পৰিকল্পনাসমূহৰ বিষয়ে বিতংভাৱে ক'ব বিচাৰিছো।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ**

চৰকাৰৰ বিভিন্ন বিভাগত কৰ্মৰত বিষয়াসকলক বিভাগীয় তথা সংশ্লিষ্ট দিশসমূহৰ বিষয়ে অৱগত কৰাবলৈ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ে বহনক্ষম উন্নয়ন; উদ্ভাৱন আৰু ভৱিষ্যত অধ্যয়ন; ই-গভৰ্নেন্স; অনুষ্ঠানগত বিকাশ আৰু নেতৃত্ব; আইন, ন্যায় আৰু মানৱ অধিকাৰ; আৰু আৰ্থিক পৰিচালনাৰ বাবে ৬ (ছয়) টা 'উৎকৰ্ষ সাধন কেন্দ্ৰ' (চেণ্টাৰ অব্ এক্সিলেন্চ) স্থাপন কৰিছে।

ৰাজ্যিক আৰু কেন্দ্ৰীয় প্ৰশাসনিক সেৱাৰ বাবে অসমৰ চাহ জনজাতি সম্প্ৰদায়ৰ প্ৰত্যাশীসকলকে ধৰি ৰাজ্যৰ আন আন প্ৰত্যাশীসকলক উচ্চ অৰ্হতাসম্পন্ন প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰাৰ ক্ষেত্ৰত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

তদুপৰি, ৰাজ্যত ক'ভিড্ অতিমাৰীৰ প্ৰাদুৰ্ভাৱৰ সময়ছোৱাত অনলাইন যোগেও বহু সংখ্যক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়।

ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত দেখুওৱা দক্ষতাৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰা ‘কৰ্মশ্ৰী বঁটা’ ২০২০ বৰ্ষৰ আগষ্ট মাহত সংশ্লিষ্ট জিলা উপায়ুক্তসকলৰ জৰিয়তে ২০১৮-১৯ বৰ্ষৰ বিজেতাসকললৈ আগবঢ়োৱা হয়।

সু-প্ৰশাসন ব্যৱস্থা প্ৰতিষ্ঠাৰ বাবে মোৰ চৰকাৰ দায়বদ্ধ আৰু এই ক্ষেত্ৰত আমি সফলতা লাভ কৰিছো। প্ৰশাসনীয় সংস্কাৰ কাৰ্যসূচীৰ লগতে ‘মিনিমাম গভৰ্ণমেণ্ট মেক্সিমাম গভৰ্ণনেন্স’ ৰ বাবে মাননীয় প্ৰধানমন্ত্ৰীৰ আহ্বানৰ আধাৰত ‘দি আসাম ৰাইট টু পাব্লিক ছাৰ্ভিচেজ’ আইনখন হ’ল মোৰ চৰকাৰৰ এক উল্লেখযোগ্য পদক্ষেপ। বিশ্ব বেংকৰ বিত্তীয় সাহায্যপ্ৰাপ্ত ‘দি আসাম চিটিজেন চেণ্ট্ৰিক ছাৰ্ভিচ ডেলিভাৰী’ (এ চি চি এছ ডি) প্ৰকল্পৰ উদ্দেশ্য হ’ল ৰাজহুৱা সেৱা প্ৰদান প্ৰণালীৰ সৈতে অন্তৰ্ভুক্তিকৰণ আৰু আধুনিক উদ্ভাৱনী প্ৰযুক্তি আৰু নিৰ্ভৰযোগ্য নিৰীক্ষণ ব্যৱস্থাৰ সংযোজন ঘটোৱা যাতে ‘দি আসাম ৰাইট টু পাব্লিক ছাৰ্ভিচেছ এক্ট, ২০১২’ (২০১৯ বৰ্ষত সংশোধিত) আইনখনৰ ৰূপায়ণ সফলভাৱে নিৰীক্ষণ কৰিব পাৰি।

সেৱা প্ৰদান প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এন আই চি, অসমৰ জৰিয়তে ‘দি আসাম ৰাইট টু পাব্লিক ছাৰ্ভিচ’ (এ আৰ টি পি এছ) নামেৰে এক পৰ্টেল প্ৰস্তুত কৰা হৈছে। ইয়াৰ উদ্দেশ্য হ’ল নাগৰিকসকলৰ বাবে উপলব্ধ ২২ বিধ চৰকাৰী সেৱা আগবঢ়োৱাৰ ব্যৱস্থাটোক নিৰীক্ষণ কৰা। সেৱা প্ৰদানৰ বাবে প্ৰয়োজনীয় সময়সীমাৰ ‘সঠিক সময়’ নিৰীক্ষণৰ বাবে এই প’ৰ্টেলটোৰ লগত এক শক্তিশালী এম আই এছ ব্যৱস্থা সংযুক্ত কৰাৰ পৰিকল্পনা কৰা হৈছে।

নাগৰিকসকলৰ অভাৱ-অভিযোগ সমাধানৰ বাবে মোৰ চৰকাৰে এ চি চি এছ ডি প্ৰকল্পটোৰ জৰিয়তে এক অনলাইন আপত্তি নিৰাকৰণ ব্যৱস্থাপনা আৰম্ভ কৰিছে। সেৱা প্ৰদানৰ লগত জড়িত অভাৱ-অভিযোগৰ সমাধানৰ বাবে এই প্ৰকল্পৰ অধীনত এক ‘কল চেণ্টাৰ’ স্থাপন কৰা হৈছে। সেৱা প্ৰদানৰ ক্ষেত্ৰত হোৱা বিলম্ব / প্ৰত্যাখ্যানৰ বিৰুদ্ধে নাগৰিকসকলক আপীল কৰাৰ সুবিধা দিয়াৰ বাবে এ চি চি এছ ডি প্ৰকল্পৰ জৰিয়তে আৰ টি পি এছ প’ৰ্টেলৰ লগত এক আপীল ব্যৱস্থাপনাও সংযুক্ত কৰি থকা হৈছে। ই নাগৰিকসকলক আপীল কৰাৰ বাবে এক ‘ওৱান-ষ্টপ প্লেটফৰ্ম’ আগবঢ়াব।

নিয়াৰিকৈ সেৱা প্ৰদানৰ বাবে আৱেদনসমূহ ইলেকট্ৰ'নিকভাৱে দাখিল কৰিবলৈ ৩৩ খন জিলাৰ আটাইকেইখনতে, বিশেষকৈ খণ্ড আৰু চক্ৰ পৰ্যায়ত ১৫৬ টা জন সহায়ক কেন্দ্ৰ (পি এফ চি) স্থাপন কৰা হৈছে। আন ২৫০ টা এনে কেন্দ্ৰ অতি সোনকালে স্থাপন কৰা হ'ব।

এ চি চি এছ ডি প্ৰকল্পৰ এক মূল লক্ষ্য হ'ল পৰিষদীয় অঞ্চল (বি টি চি, এন চি এইচ এ চি আৰু কে এ এ চি) ত সেৱা প্ৰদানৰ মান উন্নীত কৰা। এই তিনিখন স্বায়ত্বশাসিত পৰিষদৰ আটাইকেইখনৰ লগতে হোৱা আলোচনাৰ ভিত্তিত এ আৰ টি পি এছ এক্ট, ২০১২ ৰ অধীনত আন সেৱা অধিসূচিত কৰাৰ বাবে এক বিশদ আৰু বিস্তৃত পদক্ষেপ গ্ৰহণ কৰা হৈছে। নাগৰিকলৈ সেৱা আগবঢ়োৱা প্ৰক্ৰিয়া স্বয়ংক্ৰিয় কৰাৰ লগতে নাগৰিক আৰু পৰিষদৰ বিষয়-ববীয়াসকলক ডিজিটেলী সাক্ষৰ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

সেৱা প্ৰদান প্ৰক্ৰিয়া আৰু তাৰ ফলাফলৰ ক্ষেত্ৰত চৰকাৰী কৰ্তৃপক্ষই দেখুওৱা আন্তৰিকতাই সংবেদনশীল আৰু জনসাধাৰণমুখী প্ৰশাসনৰ লগতে জবাবদিহি পদ্ধতি আৰু ব্যৱস্থা সৃষ্টিৰ পথ মসৃন কৰি তুলিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা যে ই উৎকৃষ্ট প্ৰশাসন পৰিচালনাক বহনক্ষম মানৱ উন্নয়নৰ সৈতে সংযুক্ত কৰিবলৈও সক্ষম হৈছে।

**কৃষি ঃ**

জীৱিকা আৰু নিয়োগৰ উৎসৰ লগতে জীৱন-যাপনৰ এক পথ হিচাপে কৃষি আৰু ইয়াৰ লগত জড়িত কাৰ্য-কলাপ সমূহৰ গুৰুত্ব অপৰিসীম যিহেতু ৰাজ্যখনৰ মুঠ জনসংখ্যাৰ ৭০% তকৈ অধিক লোক জীৱিকাৰ বাবে এতিয়াও এই খণ্ডৰ ওপৰতে নিৰ্ভৰ কৰে। কৃষি ক্ষেত্ৰত মোৰ চৰকাৰখনে উল্লেখযোগ্য সফলতা লাভ কৰিছে। ২০২২ বৰ্ষৰ ভিতৰত কৃষকসকলৰ উপাৰ্জন দুগুণ কৰাৰ লক্ষ্যৰে আমি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতাৰ বিভিন্ন আঁচনি সফলতাৰে ৰূপায়ণ কৰিছো।

২০১৭-১৮ বৰ্ষত ৫৫.২৬ লাখ মেট্ৰিক টনৰ পৰা ২০১৮-১৯ বৰ্ষত খাদ্যশস্যৰ উৎপাদন ৫৬.৮২ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰাত আমি সফল হৈছো আৰু এই উৎপাদন ২০১৯-২০ বৰ্ষত ৬১.৪৪ লাখ মেট্ৰিক টনলৈ বৃদ্ধি হ'ব

বুলি আশা কৰা হৈছিল। ৰাজ্যখনত ধানৰ উৎপাদন ২০১৫-১৬ বৰ্ষত ৫১.২৫ লাখ মেট্ৰিক টনৰ বিপৰীতে ২০১৯-২০ বৰ্ষত  ৫৮.৪৪ লাখ মেট্ৰিক টনলৈ বৃদ্ধি পায়।

'প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা' চৰকাৰৰ অগ্ৰাধিকাৰপ্ৰাপ্ত আন এখন আঁচনি। এই আঁচনিৰ অধীনত ২০১৬-১৭ বৰ্ষত ৬০,০০০ গৰাকী কৃষকৰ বিপৰীতে ২০১৯-২০ বৰ্ষত ১০,৪৩,৫৬৫ গৰাকী কৃষকক সামৰি লোৱা হয়। এই আঁচনিৰ অধীনত মোৰ চৰকাৰে কৃষকসকলক প্ৰিমিয়ামৰ ওপৰত সম্পূৰ্ণ ৰাজসাহায্য আগবঢ়াইছে। সিদ্ধান্ত লোৱা হৈছে যে প্ৰতিগৰাকী কৃষকৰ বিপৰীতে ১ হেক্টৰ ভূমিৰ বীমাৰ প্ৰিমিয়াম চৰকাৰে বহন কৰিব আৰু সংশ্লিষ্ট কৃষক গৰাকীয়ে মাত্ৰ ১ টকা প্ৰিমিয়াম পৰিশোধ কৰিব। মোৰ চৰকাৰে প্ৰতিজন কৃষকক 'ছইল হেল্থ কাৰ্ড' প্ৰদানৰ পৰিকল্পনা কৰিছে যাতে ইয়াৰ জৰিয়তে প্ৰাপ্ত পৰামৰ্শৱলীৰ উপযুক্ত প্ৰয়োগেৰে শস্য-বিশেষৰ উৎপাদনশীলতা বৃদ্ধি কৰিব পৰা যায়। বিভাগে এতিয়ালৈকে ৰাজ্যখনৰ মুঠ ২৭ লাখ কৃষিজীৱি পৰিয়ালৰ ভিতৰত ৯৫.৬০ % কৃষকক সামৰি ২৬.৪০ লাখ খন 'ছইল হেল্থ কাৰ্ড' বিতৰণ কৰিছে।

ৰাজ্যখনৰ গাঁওসমূহৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত দৃষ্টান্ত সৃষ্টি কৰিবলৈ ২০১৭ বৰ্ষৰ ১৫ জুনত মোৰ চৰকাৰে 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' আৰম্ভ কৰে আৰু ইয়াৰে এক প্ৰাথমিক পদক্ষেপ হিচাপে ৰাজ্যৰ প্ৰতিখন ৰাজহ গাঁৱৰ এটাকৈ কৃষক গোটক ট্ৰেক্টৰ বিতৰণ কৰা হয়। এই আঁচনিৰ অধীনত কৃষক গোটৰ মাজত ইতিমধ্যে ১২,৫০০ খন ট্ৰেক্টৰ বিতৰণ কৰা হৈছে। কৃষিক্ষেত্ৰত যান্ত্ৰিকীকৰণক উৎসাহ যোগাবলৈ বিগত চাৰে চাৰি বছৰত ২৩,০০০ খনতকৈ অধিক পাৱাৰ টিলাৰ কৃষকৰ মাজত বিতৰণ কৰা হয়। ৰাজসাহায্য প্ৰদান কৰি কেন্দ্ৰীয় খণ্ডৰ বিভিন্ন আঁচনিৰ অধীনত ট্ৰেন্সপ্লেন্টাৰ, থ্ৰেছাৰ, ৰ'টাভেটৰ আদিৰ বিতৰণ প্ৰক্ৰিয়া চলি আছে।

'মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনা' মোৰ চৰকাৰে আৰম্ভ কৰা এক নতুন আঁচনি। এই আঁচনিৰ মূল লক্ষ্য হ'ল বিভিন্ন শস্যৰ খেতিৰ বাবে যান্ত্ৰিকীকৰণক উৎসাহ যোগোৱা আৰু তাৰ জৰিয়তে নতুন বৈজ্ঞানিক কৃষি পদ্ধতি গ্ৰহণেৰে উৎপাদন তথা উৎপাদনশীলতা বৃদ্ধি কৰা। এই আঁচনিৰ অধীনত কৃষিজনিত

সা-সঁজুলি ক্রয় কৰিবলৈ ৭,৮২,৮৪০ গৰাকী কৃষকৰ বেংক একাউণ্টত মুঠ ২৭৩ কোটি টকা জমা কৰা হৈছে। কৃষকৰ খেতিপথাৰত জলসিঞ্চনৰ সা-সুবিধা নিশ্চিত কৰাৰ বাবে 'গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি' ৰ অধীনত ৮,৫৫৫ টা সৌৰশক্তি-চালিত পাম্পছেট, ৩৩,৫৭৮ টা ডিজেল-চালিত পাম্পছেট আৰু অ-গভীৰ নলী-নাদৰ সৈতে ১,৭৮৯ টা বৈদ্যুতিক পাম্পছেট বিতৰণ কৰা হৈছে। তদুপৰি, ৰাজ্যৰ ২০ খন জিলাক সামৰি ২০ টা 'ছইল টেষ্টিং এণ্ড কোৱালিটি কণ্ট্ৰ'ল লেবৰেট'ৰী' নিৰ্মাণৰ কাম চলি আছে। ইয়াৰে ৩ টা গৱেষণাগাৰৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে আৰু বাকীবোৰৰ নিৰ্মাণকাৰ্য অতি কম সময়ৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব।

অসমৰ থলুৱা ধানৰ প্ৰজাতিৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ্যৰ কৃষি বিভাগে এক পাইলট প্ৰকল্পৰ অধীনত ধেমাজি আৰু বাক্সা জিলাত 'ৰাইচ ক্লাষ্টাৰ' স্থাপন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। আগ্ৰহী উদ্যমী ব্যক্তিসকলক ধান বনা কল স্থাপনৰ বাবে ৩০% ৰাজসাহায্য প্ৰদান কৰা আৰু কৃষিজাত সামগ্ৰীৰ 'বজাৰৰ যোগাযোগ' সুচল কৰাৰ বাবে ১,০০০ খন মিনি ট্ৰাক যোগান ধৰাৰ প্ৰস্তাৱে অনুমোদন লাভ কৰিছে আৰু 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' ৰ অধীনত এই প্ৰস্তাৱ মঞ্জুৰ কৰা হৈছে। প্ৰতিটো বিধানসভা সমষ্টিৰ এটাকৈ কৃষক গোটক ৮০% ৰাজসাহায্য আগবঢ়াই এটাকৈ 'ক'মবাইন হাৰভেষ্টাৰ' যোগান ধৰাৰ সিদ্ধান্তও মোৰ চৰকাৰে গ্ৰহণ কৰিছে। প্ৰতিখন জিলাতে এটাকৈ 'শীতল ভঁৰাল' নিৰ্মাণৰ সিদ্ধান্তও লোৱা হৈছে। তদুপৰি, গোমধান খেতি কৰাৰ বাবে উৎসাহ যোগাবলৈ অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত মোৰ চৰকাৰে এক নতুন কাৰ্যসূচী গ্ৰহণ কৰিছে। জৈৱিক কৃষিক জনপ্ৰিয় কৰাৰ উদ্দেশ্যে মোৰ চৰকাৰে বিশ্বনাথ জিলাত জৈৱিক কৃষিৰ বাবে এক 'উৎকৰ্ষ কেন্দ্ৰ' স্থাপন কৰাৰ প্ৰস্তাৱ লৈছে। ৰাজ্যখনৰ নিৰ্দিষ্ট কিছুমান জিলাত ক্ষুদ্ৰ কৃষক আৰু কৃষিক্ষেত্ৰৰ লগত জড়িত কৃষি- উদ্যোগীসকলৰ বাবে মোৰ চৰকাৰে সুখ্যাত আন্তৰ্জাতিক প্ৰতিষ্ঠানক 'ন'লেজ পাৰ্টনাৰ' হিচাপে লৈ বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত এ পি এ আৰ টি প্ৰকল্পৰ জৰিয়তে মূল্য সংযোজন জনপ্ৰিয় কৰা আৰু বাছনিকৃত কৃষি মূল্য শৃংখলৰ স্থিতিস্থাপকতা উন্নীত কৰাৰ বাবে পদক্ষেপ লৈছে।

উদ্যান শস্য আৰু খাদ্য সংসাধন ক্ষেত্ৰত মোৰ চৰকাৰে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ তলত উল্লেখ কৰা ধৰণৰ ঃ

- কমলা, আনাৰস, কল, ড্ৰেগন ফল, আপেল, বেৰ, আদা, হালধী আৰু ফুলৰ দৰে শস্যৰ খেতিৰ বিস্তৃতিৰ বাবে আঁচনি গ্ৰহণ কৰা হৈছে।
- পৰম্পৰাগত উদ্যান শস্য উৎপাদকক ভাৰত আৰু বিদেশৰ বাণিজ্যিক ধাৰণাৰ প্ৰশিক্ষণ প্ৰদান।
- উন্নত প্ৰযুক্তি, পৰিচালনা পদ্ধতিৰে অসমৰ বিভিন্ন বাণিজ্যিক সম্ভাৱনাসম্পন্ন শস্যৰ উৎপাদনশীলতা বৃদ্ধি কৰাত সৰ্বাধিক গুৰুত্ব ঃ মৌমাখি পালন আৰু ৰোপণ সামগ্ৰী বিতৰণ কৰা হৈছে।
- গুৱাহাটীৰ বৰ্ণিহাটত 'মডেল হৰ্টিকালচাৰ নাৰ্চাৰী' স্থাপন কৰা হৈছে য'ত বিভিন্ন প্ৰজাতিৰ নতুন ফল-মূলৰ ৰুট ষ্টক ব্লক আৰু মাদাৰ ব্লক স্থাপন কৰা হৈছে।
- উদ্যান শস্যৰ পৰ্যাপ্ত উন্নতমানৰ পুলি প্ৰস্তুত কৰিবৰ বাবে নিৰ্দিষ্ট নিৰ্দেশাৱলীৰ অধীনত চৰকাৰী সাহায্যত ব্যক্তিগত নাৰ্চাৰিৰ উন্নীতকৰণ।
- ক্ষুদ্ৰ ব্যৱসায়ীৰ মাজত কৃষি-ব্যৱসায় বৃদ্ধি কৰিবৰ বাবে এফ পি অ' আৰু এফ পি চি-ৰ গঠনক উৎসাহিত কৰা হৈছে।
- সেইদৰে, শস্য কটাৰ ক্ষেত্ৰত- শস্য কটাৰ প্ৰাক্ ব্যৱস্থা (চিকিৎসা), বৈজ্ঞানিক শস্য সংগ্ৰহ, ভঁৰাল নিৰ্মাণ, গ্ৰেডিং সুবিধাসহ সংগ্ৰহ কেন্দ্ৰ আৰু পৰিবহণৰ সু-ব্যৱস্থা আদি দিশসমূহক যথোচিত গুৰুত্ব দিয়া হৈছে।
- কৃষকৰ মনত জৈৱিক কৃষিকৰ্মৰ ধাৰণা জগাই তোলা হৈছে আৰু ৯ খন জিলাক সামৰি ১০টা গোটত খেতি আৰম্ভ কৰা হৈছে। সেই জিলাসমূহ হ'ল- শোণিতপুৰ, ধেমাজি, গোলাঘাট, মাজুলী, কামৰূপ, চিৰাং, কাছাৰ, নলবাৰী আৰু কোকৰাঝাৰ।
- উৎপাদনৰ স্থান সমূহত পেক হাউচ নিৰ্মাণ।
- উৎপাদন ক্ষেত্ৰত কম খৰচী পিয়াঁজৰ ভঁড়ালৰ ব্যৱস্থা।
- মৌমাখি পালনক যথোচিত গুৰুত্ব দি বিভিন্ন পৰ্যায়ত প্ৰশিক্ষণ দিয়া হৈছে।

- কাঠফুলাৰ খেতিয়ে যথেষ্ট গুৰুত্ব পাইছে
- খেতিয়কসকলক শাক-পাচলিৰ আবতৰীয়া উৎপাদন আৰু বীজ বৃদ্ধিৰ কাৰণে 'সেউজ গৃহ' প্ৰদান কৰা হৈছে।

ফল-মূল, শাক-পাচলি, মছলা, ঔষধি আৰু সুগন্ধি গছ, কাঠফুলা, মৌমাখি পালন আদি অন্তৰ্ভুক্ত হৈ থকা উদ্যান শস্য ক্ষেত্ৰ উন্নত কৰাৰ ফলত কৃষকৰ বাবে ই এক আয় বৃদ্ধিৰ উপযুক্ত বিকল্প হৈ পৰিছে। ই নগৰ আৰু গ্ৰামীণ জনসাধাৰণৰ বাবেও পুষ্টি সুৰক্ষাৰ এক মাধ্যম।

অসমৰ উদ্যান শস্য আৰু খাদ্য সংসাধনৰ ক্ষেত্ৰত চৰকাৰৰ উল্লেখযোগ্য সফলতাসমূহ হ'ল—

- এইচ এম এন ই এইচ / আৰ কে ভি ৱাই-ৰ অধীনত ৰাজ্যখনত প্ৰৱৰ্তন কৰা ষ্ট্ৰবেৰি, আপেল বাৰ, ড্ৰেগন ফল আৰু তৰমুজৰ দৰে নতুন শস্যক অৰ্থকৰী শস্য হিচাপে বাণিজ্যিকভাৱে গ্ৰহণ কৰা হৈছে।
- বিভিন্ন জাতৰ আলু (চিপ সোণা, এল আৰ, আটলাণ্টা আৰু কুফৰি পোখৰাজ) আৰু বিলাহী (বৈশালী) ৰ উৎপাদন আৰম্ভ কৰা হৈছে আৰু বিগত বৰ্ষসমূহত এয়া বাণিজ্যিকভাৱে লাভজনক হিচাপে পৰিগণিত হৈছে। অসমৰ এক নতুন উদ্যোগৰ পদক্ষেপ হ'ল - বিশ্বনাথৰ জিঞ্জিয়াত প্ৰমাণিত আলুৰ বীজ (জাত-কুফৰি মোহন) ৰ উৎপাদন।
- ৰাজ্যখনত আলুৰ জলবায়ু অনুকূল উৎপাদন প্ৰযুক্তি (Zero Tillage, Partial Root Drying etc.)ৰ প্ৰৱৰ্তনে সুফল দিছে। পৰম্পৰাগতভাৱে কৰা আলুৰ খেতিৰ এলেকাসমূহত আলুৰ ৰোপণ আৰু খেতি চপোৱাৰ কামত নতুন পদ্ধতি প্ৰৱৰ্তন কৰা হৈছে।
- ৰাজ্যখনৰ কৃষকসকলে উৎপাদন কৰা অমিতা, আনাৰস, আদা আদি কাছাৰ আৰু কামৰূপ জিলাৰ পৰা আফ্ৰিকা আৰু মধ্য প্ৰাচ্যৰ দেশসমূহলৈ ৰপ্তানি কৰা হৈছে।
- মৌ উৎপাদন এক বাণিজ্যিক ভাৱে সংগঠিত ক্ষেত্ৰ ৰূপে পৰিগণিত হৈছে (মৌমাখি, এফ পি চি, যোৰহাট)।

- HMNEH ৰ সহায়ত M/s Sigma Spices Industries Pvt. Ltd য়ে 'Everyday Masala' ব্ৰেণ্ড নামেৰে বকোত আৰু M/s Amalgamated Plantation Pvt. Ltd য়ে কলিয়াবৰত যি মছলা উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে, সেয়া ৰাজ্যৰ খাদ্য সংসাধনৰ বাবে এক উল্লেখযোগ্য সফলতা। মৰিগাঁৱৰ গৰৈমাৰী স্থিত M/s Apon Masala আৰু M/s Samrat Masala-ক মছলা উৎপাদনৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে।
- RKVY, MOVCD আৰু HMNEH-ৰ অধীনত মুঠ ৯৪ টা Farmers Producer Company গঠন কৰা হৈছে। ইয়াৰে দহটাই চি-৩ প্ৰমাণপত্ৰ লাভ কৰিছে। Farmers Producer Company গঠন কৰাৰ মূল লক্ষ্য হৈছে মূল্য সংযোজন আৰু ৰপ্তানিৰ মূল্য বৃদ্ধি কৰা।
- নিৰনুৱা শিক্ষিত যুৱক-যুৱতীসকলৰ বাবে HMNEH 2019-20 - ৰ অধীনত বিস্তৃত প্ৰশিক্ষণ কাৰ্যক্ৰম তিনি ঠাইত আয়োজন কৰা হৈছে।
- অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু ইজৰাইলৰ মাননীয় ৰাষ্ট্ৰদূতে ২ নৱেম্বৰ, ২০২০ তাৰিখে কামৰূপ জিলাৰ ক্ষেত্ৰীত শাক-পাচলিৰ সুৰক্ষিত খেতিৰ বাবে Indo-Israel Centre of Excellence উদ্বোধন কৰে।

**পশুপালন আৰু পশু চিকিৎসা ঃ**

মোৰ চৰকাৰে পশুপালন আৰু পশু চিকিৎসাৰ ক্ষেত্ৰত সংকট দূৰীকৰণৰ বাবে দৃঢ় পদক্ষেপ হিচাপে নিয়ন্ত্ৰিত মূল্যত স্বাস্থ্যকৰ মাংস বিক্ৰীৰ বাবে বিক্ৰেতাৰূপে নিৰনুৱা যুৱকসকলক নিযুক্ত কৰিছে।

মোৰ চৰকাৰে ৪ টা নীতি প্ৰণয়ন কৰিছে—

১) ৰাজ্যিক গৰু আৰু ম'হ প্ৰজনন নীতি, অসম ২০২০

২) ৰাজ্যিক ছাগলী প্ৰজনন নীতি, অসম ২০১৯

৩) ৰাজ্যিক গাহৰি প্ৰজনন নীতি, অসম ২০১৯

৪) অসমৰ পশুধন ক্ষেত্ৰত বে-চৰকাৰী বিনিয়োগ উন্নয়ন নীতি, ২০২০

মোৰ চৰকাৰে পোন প্ৰথমবাৰৰ বাবে অসমত পশুধন ক্ষেত্ৰত সৰ্বাধিক বিকাশ সাধনৰ বাবে যোগ্য বে-চৰকাৰী পক্ষৰ পৰা মূলধনী পুঁজিক প্ৰভাৱিত

কৰিব পৰাকৈ বে-চৰকাৰী বিনিয়োগ উদগণিৰ এক নীতি গ্ৰহণ কৰিছে। সমগ্ৰ দেশতে ই হ'ল এইধৰণৰ প্ৰথম পদক্ষেপ।

বিগত পাঁচ বছৰত মোৰ চৰকাৰৰ অন্যান্য উল্লেখযোগ্য কাৰ্যক্ৰমসমূহ হ'ল—

- ১৭৭খন পশু চিকিৎসালয়ৰ পুনৰ নিৰ্মাণ।
- ৮২খন পশু স্বাস্থ্য উপকেন্দ্ৰৰ পুনৰ নিৰ্মাণ।
- ১১টা জিলা পশুপালন আৰু পশু চিকিৎসা কাৰ্যালয় আৰু ৬ টা মহকুমা পশুপালন আৰু পশু চিকিৎসা কাৰ্যালয়ৰ পুনৰ নিৰ্মাণ।
- ১৪ খন গাহৰি পামৰ পুনৰনিৰ্মাণ আৰু সৰলীকৰণ।
- গুৱাহাটী পশু চিকিৎসা জৈৱিক প্ৰতিষ্ঠানৰ চৌহদত প্ৰতিষেধক উৎপাদনৰ বাবে শহাপহুৰ পামৰ উন্নীতকৰণ।
- আত্মসমৰ্পনকাৰীৰ পুনঃসংস্থাপনৰ বাবে দৰঙৰ চমুৱাপাৰাত ছাগলী পামৰ প্ৰতিষ্ঠা।
- ৰাণীস্থিত আঞ্চলিক পশুধন উদ্যমিতা বিকাশ কেন্দ্ৰৰ সৰলীকৰণ।
- বোকাখাটত পশুপালন আৰু পশু চিকিৎসা বিজ্ঞানৰ বিদ্যালয় নিৰ্মাণ।
- ৪৯,২০০ গৰাকী হিতাধিকাৰীৰ ১,৪৫,৩৭৯ টা পশুধনৰ বাবে আপাতকালীন ব্যৱস্থাপনা।
- ৰাজ্যৰ বিভিন্ন কৃষকৰ মাজত পশুপালন আৰু পশু চিকিৎসা সম্পৰ্কিত ৮০,০০০খন পুস্তিকা বিতৰণ কৰা হৈছে।
- যোৱা ৫ বছৰত কৰা কৃত্ৰিম প্ৰজননৰ সংখ্যা হ'ল মুঠ ১৮,৮৪,৫০৮ টা আৰু জন্ম হোৱা পোৱালিৰ সংখ্যা হ'ল ৭,৩৯,৬৯৭ টা।
- গাঁৱৰ নিবনুৱা সমস্যা সমাধানৰ লগতে কৃত্ৰিম প্ৰজনন উন্নীতকৰণৰ বাবে অসম পশুধন উন্নয়ন অভিকৰণৰ অধীনত ১,০০০ গৰাকীতকৈও অধিক কৃত্ৰিম প্ৰজনন সম্পন্ন কৰা কৰ্মীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল।

- খানাপাৰাৰ বিভাগীয় আই ভি বি য়ে ৪,৫৭,০৮০ পালি এইচ্‌এছ প্ৰতিষেধক, ৩,৬১,১৪০ পালি বি কিউ প্ৰতিষেধক, ১,৯৫,০০০ পালি এনথ্ৰাক্স প্ৰতিষেধক, ৫,৬৩,৩০০ পালি ৰাণীখেত প্ৰতিষেধক, ৬,৫০,১৫০ পালি ডাক প্লেগ প্ৰতিষেধক আৰু ৮২,৮৭০ পালি ছোৱাইন ফিভাৰ প্ৰতিষেধক প্ৰস্তুত কৰিছে আৰু সেইবোৰ বিতৰণ কৰিছে।
- ১,৯৫০ গৰাকী পশুখাদ্য খেতিয়কলৈ আৰ্থিক সাহায্য প্ৰদান কৰিছে।
- গোলাঘাট আৰু ডিব্ৰুগড় জিলাৰ হিতাধিকাৰীসকললৈ ১,০০,০০০ টা ব্ৰইলাৰ কুকুৰা পোৱালিৰ লগতে ১২,০০০ টা কামৰূপা প্ৰজাতিৰ লেয়াৰ কুকুৰা পোৱালি বিতৰণ কৰা হয়।
- মাজুলীত নাওচালিত ভ্ৰাম্যমান পশুপালন আৰু পশু চিকিৎসা ক্লিনিকৰ কাম সম্পূৰ্ণ হৈছে।
- মুঠ ৫৯.৫৩ লাখ টকা ব্যয়সাপেক্ষে মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ অধীনত ধেমাজিত দুগ্ধ উৎপাদন প্ৰকল্পৰ কাম চলি আছে।
- ১৮১.৫৮ লাখ টকা ব্যয়সাপেক্ষে ২020 বৰ্ষত নতুন যন্ত্ৰপাতিৰ সৈতে খানাপাৰাৰ কেন্দ্ৰীয় দুগ্ধ পামৰ পুনৰুজ্জীৱিতকৰণৰ কাম সম্পূৰ্ণ হৈছে।
- এ পি এ আৰ টি ৰ অধীনত ৪২,৫০০ গৰাকী গাহৰি পালকলৈ প্ৰতিপালনৰ সা-সুবিধা প্ৰদান কৰা হৈছে।
- সুদীৰ্ঘ ২৫ বছৰৰ পিছত ৰাজ্যত ৰাষ্ট্ৰীয় পশুধন আৰু কুকুৰা মেলা, ২০১৯ অনুষ্ঠিত হৈছে।
- পশু চিকিৎসা খণ্ডৰ উন্নীতকৰণৰ বাবে মাননীয় মুখ্যমন্ত্ৰীয়ে 'ভেট-ক'ন, ২০১৮' উদ্বোধন কৰিছিল য'ত বিভিন্ন নীতি গ্ৰহণ কৰা হৈছিল। মাননীয় মুখ্যমন্ত্ৰীয়ে ১১ খন কৌশল পত্ৰ মুকলি কৰিছিল।
- বিভাগে আফ্ৰিকান ছোৱাইন ফিভাৰৰ অপ্ৰত্যাশিত জটিল পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি সময়মতে ইয়াৰ সংক্ৰমণ ৰোধ কৰিবলৈ সক্ষম হৈছিল।
- বিভাগে ক'ভিড-১৯ পৰিস্থিতি বিবেচনা কৰি গাহৰি, ছাগলী আৰু কুকুৰা পালনৰ বাবে নিবনুৱা যুৱক-যুৱতীসকলৰ মাজত দক্ষতা বিকাশ আৰু বৈজ্ঞানিক ব্যৱস্থাপনাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

- অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমে দীৰ্ঘদিনৰ অন্তত যোৱা বিত্তীয় বৰ্ষত ২৫,০০,০০০ টকাতকৈও অধিক লাভ কৰিবলৈ সক্ষম হৈছে।
- অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমে নিবনুৱা যুৱক-যুৱতীসকলক উৎসাহ যোগোৱাৰ বাবে বিভিন্ন জিলাত ৬ টা বৈজ্ঞানিক কচাইখানা স্থাপন, কামৰূপ মহানগৰ জিলাৰ সোণাপুৰত এটা পশু খাদ্যৰ কাৰখানা, খানাপাৰাত এটা হেচ্চাৰী আৰু বিভিন্ন জিলাত বহুতো বিক্ৰী কেন্দ্ৰ স্থাপন কৰিছে।
- কৃত্ৰিম প্ৰজননৰ বাবে বিদেশী উন্নত জাতৰ ষাঁড়গৰু ক্ৰয় কৰা হৈছে।
- চলিত বিত্তীয় বৰ্ষত ২২১ গৰাকী পশু চিকিৎসা ক্ষেত্ৰ সহায়কক নিযুক্তি দিয়া হৈছে।

মোৰ চৰকাৰে বৰ্তমানে গাখীৰৰ বজাৰত থকা অসংগঠিত খণ্ডৰ ৯৫% অংশক হ্ৰাস কৰাৰ পৰিকল্পনা কৰিছে আৰু অসংগঠিত খণ্ডৰ বাবে নিম্নলিখিত ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্ৰস্তাৱ দিছে—

- অধিক প্ৰাথমিক দুগ্ধ সমবায় সমিতি গঠন।
- প্ৰতিখন জিলাত দুগ্ধ সমবায় সমিতিসমূহক জিলা দুগ্ধ সংস্থাৰ লগত সংঘবদ্ধ কৰা হৈছে।
- জিলা দুগ্ধ সন্থাৰ উপৰিও ৰাজ্যিক পৰ্যায়ৰ দুগ্ধ সংস্থা গঠন।
- দুগ্ধ সমবায় সমিতিৰ সদস্য আৰু অন্যান্য দুগ্ধ পালকসকলৰ দক্ষতা বৃদ্ধি।
- দুগ্ধ সমবায় সমিতি আৰু জিলা দুগ্ধ সংস্থাসমূহৰ দ্বাৰা গাখীৰ ক্ৰয়, প্ৰাথমিক সংসাধন আৰু দুগ্ধজাত সামগ্ৰীৰ বিপণনৰ প্ৰয়োজনীয় সহায়।
- দুগ্ধ উৎপাদন অধিক লাভজনক কৰিবৰ বাবে শীতল-শৃংখল সৃষ্টি আৰু দুগ্ধ সংসাধন আন্তঃগাঁথনিৰ নিৰ্মাণ আৰু বহনক্ষম ব্যৱসায়িক আৰ্হিৰ অধীনত কাম-কাজ পৰিচালনা।
- দুগ্ধ পালকক সহায় কৰিবলৈ দানা তথা পশু খাদ্য যোগানৰ বাবে পশুপালন আৰু পশু চিকিৎসা বিভাগ আৰু কৃত্ৰিম প্ৰজননৰ বাবে অসম পশু ধন উন্নয়ন অভিকৰণ (এ এল ডি এ)-ক জড়িত কৰা হৈছে।
- এফ এছ এছ এ আই মানদণ্ড মানি চলিবলৈ দুগ্ধ উৎপাদক, দুগ্ধ ব্যৱসায়ী, মিঠাই প্ৰস্তুতকাৰী সকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

- কে চি চি, ডি ই ডি এছ ৰ অধীনত দুগ্ধ পালক আৰু এন পি ডি ডি ৰ অধীনত জিলা দুগ্ধ  সন্থাক ঋণৰ সুবিধা আগবঢ়োৱা হৈছে।
- আনুষ্ঠানিক ক্ষেত্ৰৰ অধীনত প্ৰত্যাশিত গাখীৰ গ্ৰাহকৰ সৈতে ডি চি এছ ৰ সংযোগ স্থাপন কৰা হৈছে।

আত্মনিৰ্ভৰ ভাৰত অভিযান কাৰ্যসূচীৰ অধীনত দুগ্ধ উন্নয়ন অসমে দুগ্ধ সমবায় সমিতিৰ প্ৰায় ২৫,০০০ সদস্যৰ বাবে বৰ্তমানে চলি থকা নাবাৰ্ডৰ সাহায্যকৃত দুগ্ধ উদ্যোগ বিকাশ আঁচনিৰ উপৰিও ভাৰত চৰকাৰৰ কিষান ক্ৰেডিট কাৰ্ডৰ পদক্ষেপ গ্ৰহণ কৰিছে।

**অসম চুক্তি ঃ**

মোৰ চৰকাৰে কাৰ্যভাৰ গ্ৰহণ কৰাৰ ঠিক পিছতে অসম চুক্তিৰ খৰতকীয়া আৰু সফল ৰূপায়ণৰ বাবে কিছুমান পদক্ষেপ গ্ৰহণ কৰিছে।

অসম চুক্তি ৰূপায়ণৰ বাবে লোৱা এক উল্লেখযোগ্য পদক্ষেপ হ'ল অসম আন্দোলনৰ ছহিদসকলৰ ত্যাগৰ চিনস্বৰূপে প্ৰত্যেক বছৰৰ ১০ ডিচেম্বৰ দিনটো শ্ৰদ্ধাঞ্জলি অনুষ্ঠান হিচাপে পালন কৰিবলৈ কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিছে। মোৰ চৰকাৰে গ্ৰহণ কৰা অন্যান্য গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ হ'ল অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতিটো পৰিয়াললৈ ৫ লাখ টকাৰ এককালীন অনুদান আৰু অসম আন্দোলনত নিপীড়িত প্ৰতিগৰাকী ব্যক্তিলৈ ২ লাখ টকাৰ এককালীন অনুদান প্ৰদান। তদুপৰি গুৱাহাটীৰ খানাপাৰাত অসম চুক্তি ৰূপায়ণ বিভাগৰ কাৰ্যালয়ত ২০১৭ বৰ্ষৰ ১০ ডিচেম্বৰত অসম আন্দোলনৰ ছহিদসকলৰ এক "অতিলেখাগাৰ তথা বীথিকা" স্থাপন কৰিছিল।

বাংলাদেশ সীমান্তৰে অবৈধ অনুপ্ৰৱেশকাৰীৰ পৰা অসমক মুক্ত কৰাৰ বাবে ভাৰত-বাংলাদেশ সীমান্ত 'ছিল' কৰাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছে। অসম বাংলাদেশ সীমান্তৰ ২৬৩ কিলোমিটাৰৰ ভিতৰত ২১৪.৮৭৫ কিলোমিটাৰ হ'ল ভূমি সীমা আৰু ৪৮.১১ কিলোমিটাৰ হ'ল নদী সীমা। ২১৪.৮৭৫ কিলোমিটাৰ ভূমি সীমাৰ ভিতৰত ২১০.৫৩ কিলোমিটাৰ কায়িক প্ৰতিৰোধক (ফিজিকেল বেৰিয়াৰ) অৰ্থাৎ তাঁৰৰ বেৰাৰ দ্বাৰা আবৃত কৰা হৈছে আৰু কৰিমগঞ্জ চহৰৰ ৪.৩৫ কিলোমিটাৰ অঞ্চল বৰ্ডাৰ গাৰ্ড বাংলাদেশ (BGB) ৰ দ্বাৰা উত্থাপন

কৰা আপত্তিৰ বাবে মুক্ত হৈ আছে। কৰিমগঞ্জ চহৰৰ ৪.৩৫ কিলোমিটাৰৰ সৈতে নদী অঞ্চলসমূহ আৰু ১৮ টা খালী স্থান নন-ফিজিকেল বেৰিয়াৰ অৰ্থাৎ প্ৰযুক্তিগত পদ্ধতিৰে আৱৰা হ'ব।

মোৰ চৰকাৰৰ অনুৰোধমৰ্মে ভাৰত চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়,উত্তৰ পূৰ শাখাই অসম চুক্তিৰ ষষ্ঠ অনুসূচীৰ ক্ষিপ্ৰ ৰূপায়ণৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ নেতৃত্বত এখন উচ্চস্তৰীয় সমিতি গঠন কৰি দিছিল। এই সমিতিখনে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছে আৰু মোৰ চৰকাৰে ইয়াৰ পৰামৰ্শসমূহ ন্যায়িক দৃষ্টিকোণৰ ফালৰ পৰা পৰীক্ষা কৰি আছে।

২০২০ বৰ্ষৰ ১০ ডিচেম্বৰৰ ছহিদ দিৱসৰ দিনটোত ছহিদ স্মাৰক আৰু উদ্যানৰ নিৰ্মাণ কাম আৰম্ভ হয়। চলিত বিত্তীয় বৰ্ষত উদ্যানখনৰ বাবে বাজেটত মুঠ ৪৭৫০ লাখ টকা আবণ্টন দিয়া হয়। উক্ত দিনটোতে খানাপাৰাৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ অ' টি আই চৌহদত অনুষ্ঠিত হোৱা ছহিদ দিৱস অনুষ্ঠানত "অসম আন্দোলনৰ তথ্যকোষ"ৰ প্ৰথম খণ্ড উন্মোচন কৰা হয়।

**এক্ট ইষ্ট নীতি পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে আছিয়ান আৰু বিবিএন দেশসমূহৰ ৰাষ্ট্ৰদূত, উচ্চায়ুক্ত আৰু তেওঁলোকৰ প্ৰতিনিধিসকলৰ সৈতে দেশসমূহৰ মাজত ব্যৱসায় আৰু সাংস্কৃতিক সম্পৰ্কৰ বিকাশৰ পদ্ধতি সম্পৰ্কে আলোচনা কৰিবলৈ ২০১৯ চনৰ ৫ ফেব্ৰুৱাৰীত এখন ঘূৰণীয়া মেজমেলৰ আয়োজন কৰিছিল। মোৰ চৰকাৰে অসম বিধান সভাৰ সন্মানীয় সদস্য আৰু জ্যেষ্ঠ আমোলাসকলৰ বাবে ২০১৯ চনৰ ২৬ জুনৰপৰা ৫ জুলাইলৈ বাংলাদেশ আৰু ম্যানমাৰলৈ "সম্পৰ্ক যাত্ৰা" নামৰ এক বাছ যাত্ৰাৰ আয়োজন কৰিছিল। এই বাছ যাত্ৰাই সঁজাতী দলটোক অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সৈতে এই দেশসমূহৰ ভৌগলিক অৱস্থিতিৰ সুবিধা আৰু অৰ্থনৈতিক বিকাশৰ বাবে ইয়াৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। তেওঁলোক এই দেশসমূহৰ উদ্যোগ গোষ্ঠী আৰু ৰপ্তানিকাৰীসকলৰ সৈতে বৈঠকত মিলিত হয়।

এই পৰ্যন্ত বিভাগটোৰদ্বাৰা প্ৰদৰ্শিত সফলতাৰ ভিত্তিত, মোৰ চৰকাৰে আগন্তুক বছৰসমূহত নতুন ক্ষেত্ৰলৈ বিশেষ সুবিধা প্ৰদানৰ পৰিকল্পনা কৰিছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ৰ 'উড়ান' (আন্তঃৰাষ্ট্ৰীয়) আঁচনিৰ অধীনত

গুৱাহাটী বিমান বন্দৰক বিশ্বস্তৰীয় বিমান বন্দৰলৈ উন্নীত কৰাৰ ফলত দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ পাঁচটাৰো অধিক নতুন গন্তব্যস্থান- কাঠমাণ্ডু, য়াংগন, কুৱালালামপুৰ, ছিংগাপুৰ আৰু হানয়লৈ পোনপটীয়া বিমান সেৱা সহজসাধ্য হ'ব। লগতে ভাৰত-ম্যানমাৰৰ বিনিয়োগকাৰীসকলৰ বৈঠক, ভাৰত-ভূটানৰ বিনিয়োগকাৰীসকলৰ বৈঠক গুৱাহাটীত অনুষ্ঠিত কৰাৰ পৰিকল্পনা হাতত লোৱা হয়। বাণিজ্য, পৰ্যটন (চিকিৎসা পৰ্যটন) আৰু শৈক্ষিক বিনিময়ৰ পৃষ্ঠপোষকতা কৰিবলৈ মোৰ চৰকাৰে পৰৱৰ্তী সময়ত ম্যানমাৰৰ ৫ খন প্ৰধান চহৰ অৰ্থাৎ য়াংগন, মান্দালয়, মনীৱা, মিট্‌চিনা, হাখাত ৰ'ড শ্ব' অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে আৰু একেধৰণৰ সম্প্ৰসাৰিত কাৰ্যসূচী ইতিমধ্যে থাইলেণ্ড আৰু বাংলাদেশত অনুষ্ঠিত কৰা হৈছিল। তদুপৰি, মোৰ চৰকাৰে খাদ্য উৎসৱ আৰু পৰম্পৰাগত সাজপাৰৰ প্ৰদৰ্শনীৰ সৈতে আছিয়ান-বিবিএন মেগা কালচাৰেল মীট অনুষ্ঠিত কৰাৰো পৰিকল্পনা কৰিছে।

এক্ট ইষ্ট নীতি পৰিক্ৰমা বিভাগৰ সহযোগত, ভিবজিঅ'ৰ এন. ই. ফাউণ্ডেশ্যনে ক'ভিড ১৯ অতিমাৰীৰ প্ৰেক্ষাপটত এক্ট ইষ্ট নীতি পৃষ্ঠপোষকতা কৰি গুৱাহাটীৰ আই আই টি-ত নৰ্থ-ইষ্ট গ্ৰীন শীৰ্ষ সন্মিলন ২০২০ অনুষ্ঠিত কৰে।

**সীমান্ত সুৰক্ষা আৰু উন্নয়ন ঃ**

মোৰ চৰকাৰে অসমৰ দূৰণিবটীয়া অঞ্চলত সামগ্ৰিক উন্নয়ন আৰু সীমান্ত অঞ্চলত বাস কৰা জনগণৰ নিৰাপত্তা নিশ্চিত কৰিবৰ বাবে লক্ষ্য হাতত লৈছে।

মোৰ চৰকাৰে ২৭৪৩.১ কি.মি. (প্ৰায়) উমৈহতীয়া সীমা থকা অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু পশ্চিমবংগৰ দৰে ৰাজ্য সমূহৰ সৈতে সু-সম্পৰ্ক বজাই ৰাখিবলৈ প্ৰয়োজনীয় যাৱতীয় গ্ৰহণ কৰিছে। আনহাতে, ভূটান আৰু বাংলাদেশকে ধৰি আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলৰ জনসাধাৰণৰ বিশেষ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ আৰু উন্নয়নমূলক কাম-কাজৰ জটিল ব্যৱধানৰ সমস্যা সমাধান কৰিবলৈ উন্নয়নমূলক আঁচনিসমূহ বিএডিপি (চিএচএচ)ৰ অধীনত গ্ৰহণ কৰা হৈছে।

সুৰক্ষা আৰু উন্নয়ন উভয়কে শীৰ্ষস্থানত ৰাখি সকলো সীমান্তৰ ৰাজ্যক উপযুক্ত পথ নেটৱৰ্কৰ সৈতে সংযোজিত কৰাটোত অগ্ৰাধিকাৰ দিছে।

মোৰ চৰকাৰে ধুবুৰী আৰু দক্ষিণ শালমৰাৰ মানকাছাৰত ভাৰত-বাংলা আন্তঃৰাষ্ট্ৰীয় সীমান্ত দ্বাৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা বিত্তীয় বৰ্ষটোত অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত ২৫টা পথ আৰু দলং সম্পূৰ্ণ কৰা হয়।

মোৰ চৰকাৰে অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত "আদৰ্শ গাঁও" আৰু "সীমান্ত জ্ঞান আহৰণ আঁচনি" নামৰ আঁচনি গ্ৰহণ কৰিছে। স্মাৰ্ট/মডেল গাঁও হিচাপে বিকশিত কৰিবৰ বাবে ৮ (আঠ) খন গাঁও চিনাক্ত কৰা হৈছে আৰু ৮ খন জিলাৰ ভিতৰত ২ খন জিলা ধুবুৰী আৰু বাক্সাত ১০০ শতাংশ উন্নয়নমূলক কাম-কাজ ইতিমধ্যে সম্পূৰ্ণ হৈ উঠিছে। বাকী থকা ৬ খন জিলা চিৰাং, কোকৰাঝাৰ, ওদালগুৰি, দক্ষিণ শালমৰা, কাছাৰ আৰু কৰিমগঞ্জত উন্নয়নমূলক কাম-কাজ এই বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

আনহাতে, 'সীমান্ত জ্ঞান আহৰণ' আঁচনি হ'ল নগৰীয়া অঞ্চলৰ শিক্ষাৰ্থীসকলৰ জ্ঞান/কৌশলৰ বিনিময়ৰ বাবে এক ভ্ৰমণ কাৰ্যসূচী।যোৱা বছৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ ৬ খন জিলা ঃ ধুবুৰী, দক্ষিণ শালমৰা, কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰিত এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছিল।

যোৱা বিত্তীয় বৰ্ষৰ সময়ছোৱাত, আন্তঃ-ৰাজ্যিক সীমাত বসবাস কৰা জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ বাবে লগতে আইন আৰু শৃংখলাৰ পৰিস্থিতি অটুট ৰাখিবলৈ আন্তঃ-ৰাজ্যিক সীমাত ৬ টা নতুন বিঅ'পি ৰতনপুৰ, খেৰবাৰী, নাওহাট, নাগিনীজান, ছাইটছেমা আৰু উম্রুত নিৰ্মাণ কৰা হৈছিল। কামৰূপ (মেট্ৰ') জিলাৰ কইনাধৰাৰ উদয় নগৰতো অসম-মেঘালয় সীমাত এটা নতুন বিঅ'পি নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**মুখ্যমন্ত্ৰীৰ সচিবালয় ঃ**

মোৰ চৰকাৰে ব্যয়বহুল চিকিৎসা যতনৰ প্ৰয়োজন হোৱা স্বাস্থ্যজনিত সমস্যাত ভোগা লোকসকল, বিত্তীয় সহায়ৰ প্ৰয়োজন হোৱা বৃদ্ধ লোক, দিব্যাংগসকল আৰু বানপানী আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰদ্বাৰা আক্ৰান্ত লোকলৈ

বিত্তীয় সাহায্য আগবঢ়াইছে। ২০১৬ চনৰ মে'ৰপৰা ২০২০ৰ ডিচেম্বৰ পৰ্যন্ত বৰ্তমান চৰকাৰৰ কাৰ্যকালত ৩০,০৬৪ গৰাকী হিতাধিকাৰীলৈ ৫৯,৭৪,৪৯,৭৫৬ টকা (ঊনষাঠি কোটি চৌসত্তৰ লাখ উনপঞ্চাছ হাজাৰ সাতশ ছাপন্ন টকা) মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা মোকলাই দিছে।

সন্মানীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ মানসপুত্ৰ ৰাষ্ট্ৰীয় মাইগভ ডট ইন পৰ্টেলৰ সৈতে সংগতি ৰাখি মোৰ চৰকাৰে মাইগভ আছাম মুকলিৰ বাবে পদক্ষেপ গ্ৰহণ কৰে যিটো এই ক্ষেত্ৰত তৃতীয়টো এনেধৰণৰ ৰাজ্যিক প্লেটফৰ্ম। বৰ্তমান ছ'চিয়েল মিডিয়া হেণ্ডল্ আৰু মাই গভ আছামৰ ৱেবছাইট (আছাম ডট মাই গভ ডট ইন) হ'ল দেশৰ আগশাৰীৰ জনপ্ৰিয় ৱেবছাইট। দৰ্শনকাৰীৰ বিস্তৃত সংখ্যাৰ বাবে বহুসংখ্যক চৰকাৰী আঁচনি আৰু পদক্ষেপ দ্ৰুতভাৱে জনগণৰ মাজত পৰিচিত হৈছে। মাই গভ গোটটোৱে প্ৰধান বিভাগসমূহৰ সেৱা ব্যাখ্যা কৰিবলৈ বিভিন্ন আঁচনি আৰু এইসমূহৰ কাৰ্যকৰীকৰণৰ বাবে ছপা বিজ্ঞাপন প্ৰস্তুত কৰা, বেনাৰ আৰু হ'ৰ্ডিং ডিজাইন কৰা, তথ্যচিত্ৰ, চুটি ছবি, জিংগল, এনিমেশ্যন প্ৰদৰ্শন, ৰাজহুৱা অনুষ্ঠান/প্ৰতিযোগিতা অনুষ্ঠিত কৰে। দ্ৰুতভাৱে বৃদ্ধি পোৱা জনপ্ৰিয়তাৰ বাবে চৰকাৰৰ বিভিন্ন বাৰ্তা এতিয়া হেণ্ডলৰ মাধ্যমেৰে অধিক ফলপ্ৰসূভাৱে প্ৰচাৰিত হৈছে। 'মাই গভ'ৰ দ্বাৰা মুকলি কৰা অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়া বহু নাগৰিকৰ বাবে সহায়ক হৈছে।

**সমবায় ঃ**

মোৰ চৰকাৰে ৩০ এমটিপিডি ক্ষমতাৰ সংযুক্ত মৰাপাট কল স্থাপনৰ বাবে ৪৬৭৩.৮৫ লাখ টকাৰ প্ৰশাসনীয় অনুমোদনৰ বিপৰীতে মুঠ ২৬৬৯.৪৪ লাখ টকাৰ মঞ্জুৰি আগবঢ়াইছে।

কৃষিজাত উৎপাদন আৰু চাহিদাৰ ভিত্তিত, ১০ (দহ) খন জিলাৰ ১৩ (তেৰ) টা পণ্যাগাৰ চৌহদত ৫৭ (সাতাৱন্ন) টা পণ্যাগাৰ পুনৰ নিৰ্মাণ কৰিছে আৰু আৰআইডিএফ-XXI-ৰ অধীনত ৩ (তিনি) খন জিলাত ৪ (চাৰি) টা নতুন পণ্যাগাৰ চৌহদ নিৰ্মাণ কৰা হৈছে। নাবাৰ্ডৰ পণ্যাগাৰ আন্তঃগাঁথনি পুঁজি (WIF)ৰ অধীনত দুখন জিলাত প্ৰতিটোতে ৫০০০ মেট্ৰিকটনৰ দুটা মাল্টি কম'ডিটী ক'ল্ড ষ্ট'ৰেজ ইউনিটৰ নিৰ্মাণৰ বাবে আন এটা প্ৰকল্প আৰম্ভ কৰিবলৈ

ক্ৰমে গুৱাহাটীৰ পশ্চিম বৰাগাঁও আৰু হোজাইত ৪৭৪.১৮ লাখ টকা আৰু ২৩৪.৮৪ লাখ টকা মুকলি কৰা হৈছে। এইসমূহৰ বাহিৰেও নাবাৰ্ডৰ পণ্যাগাৰ আন্তঃগাঁথনি পুঁজি (WIF)ৰ অধীনত ৩৩টা বিজ্ঞানসন্মত গ্ৰাম্য গুদাম নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে কলা আৰু সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰৰ ২৩৭৫ গৰাকী শিল্পীৰ প্ৰত্যেককে ৫০,০০০ টকাৰ বিত্তীয় সাহায্য, ভ্ৰাম্যমান থিয়েটাৰৰ শিল্পী আৰু কুশলীসকললৈ শিল্পী সম্বৰ্ধনা আগবঢ়োৱাৰ পদক্ষেপ গ্ৰহণ কৰে (এককালীন)। মোৰ চৰকাৰে লগতে কলা আৰু সাংস্কৃতিক ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়োৱাৰ বাবে ১০০ গৰাকী শিল্পীলৈ শিল্পী পেঞ্চন, ৭৫ গৰাকী শিল্পীলৈ অনুকম্পামূলক অনুদান আৰু ১৪ গৰাকী শিল্পীলৈ পৰিয়াল পেঞ্চন আৰু ২০ গৰাকী শিল্পীলৈ এককালীন বিশেষ অনুদান আগবঢ়ায়। মোৰ চৰকাৰে অসমৰ কলা আৰু সাংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তিসকলৰ সোঁৱৰণত আগবঢ়োৱা সন্মানীয় বঁটা বিভিন্ন প্ৰখ্যাত ব্যক্তিক প্ৰদান কৰে। ২০২০ চনৰ ২০ জুনত ঝৰ্ণা শইকীয়া আৰু কন্দৰ্প নাথ শৰ্মাক ‘বিষ্ণু ৰাভা বঁটা , ২০২০ চনৰ ৩১ জুলাইত ঐশ্বৰ্য কাকতি আৰু ভৱেশ বৰুৱাক ‘নটসূৰ্য ফণী শৰ্মা বঁটা, ২০২০, ২০২০ চনৰ ২ চেপ্তেম্বৰত এভলিন্টিছ ছাজেমক ‘সতী ৰাধিকা বঁটা, ২০২০ চনৰ ১২ চেপ্তেম্বৰত ৰীণা বৰাক শিল্পী সৈনিক ব্ৰজনাথ শৰ্মা বঁটা, ২০২০ চনৰ ২৬ চেপ্তেম্বৰত বশিষ্ঠ দেৱ শৰ্মা বুঢ়া সত্ৰীয়াক ‘শ্ৰীমন্ত শংকৰদেৱ বঁটা, ২০১৭, ২০২০ চনৰ ২১ নৱেম্বৰত প্ৰদীপ বৰুৱাক ‘বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য বঁটা, ২০২০’, ২০২০ চনৰ ২ ডিচেম্বৰত য়েছে ডৰজে ঠংচীক ‘চুকাফা বঁটা, ২০২০’ আৰু ২০২১ চনৰ ৩ জানুৱাৰীত ভৱপ্ৰসাদ চলিহাক ‘শ্ৰীমন্ত শংকৰদেৱ বঁটা, ২০২০’ প্ৰদান কৰা হয়।

মোৰ চৰকাৰে মেগা মিশ্যন ছ’চাইটি-মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (MMS-CMSGUY)ৰ অধীনত সাংস্কৃতিক নৱজাগৰণ অভিযান (CRMS)ৰ সৈতে সংযুক্ত সাংস্কৃতিক কেন্দ্ৰসমূহত কৰ্মশালা আৰু প্ৰশিক্ষণো অনুষ্ঠিত কৰিছে। ৩৬টা সাংস্কৃতিক কেন্দ্ৰত এনেধৰণৰ ৫৬ খন কৰ্মশালা সম্পন্ন হয়। “গুৰু শিষ্য মণিকাঞ্চন আঁচনি”ৰ অধীনত, ১০ বিধ বিভিন্ন কলাৰ বাবে সাক্ষাৎকাৰ প্ৰক্ৰিয়াৰ জৰিয়তে ২৮ গৰাকী গুৰু নিৰ্বাচিত কৰা হয়।

ক'ভিড-১৯ অতিমাৰীৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ ১৬,৫৪৭ গৰাকী পৰম্পৰাগত শিল্পীলৈ ২০২০ চনৰ এপ্ৰিল, মে' আৰু জুনৰ প্ৰতিমাহে ২০০০ টকাকৈ মুঠ ৯৯২.৮২ লাখ টকাৰ এককালীন বিত্তীয় অনুদান আগবঢ়োৱা হয়।

মোৰ চৰকাৰে বহুতো প্ৰধান আন্তঃগাঁথনি প্ৰকল্পও গ্ৰহণ কৰিছে। এচঅ'পিডি' মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনি, এনএলচিপিআৰ আৰু এনইচিৰ ১২২ টা প্ৰকল্প এই সঞ্চালকালয়ৰ অধীনত আছে। অগ্ৰাধিকাৰপ্ৰাপ্ত প্ৰধান আঁচনিসমূহৰ ভিতৰত- জালুকবাৰীত ড° ভূপেন হাজৰিকা স্মাৰক, ধুবুৰীৰ চাপৰত শৰৎ চন্দ্ৰ সিংহ সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ, পিঠাখোৱাত চন্দ্ৰনাথ শৰ্মা সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ, গোলাঘাটত সতী সাধনী সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ, গোৱালপাৰাত ৰবীন্দ্ৰ ভৱন, কামৰূপ মহানগৰৰ ৰবীন্দ্ৰ ভৱনৰ নৱীকৰণ, হাউলীত চণ্ডী বৰুৱা ভৱন, ভোলাগুৰি চাহ বাগিচাত চিত্ৰবন ষ্টুডিঅ'ৰ সংৰক্ষণ, পাঠশালাত অচ্যুত লহকৰৰ মূৰ্তি স্থাপন সফলতাৰে সম্পূৰ্ণ কৰা হয়।

যোৰহাট, তেজপুৰ আৰু মঙলদৈত জিলা সংগ্ৰহালয়, ৰহাত ভাৰত ৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ স্মাৰক সংগ্ৰহালয় আৰু ধুবুৰীৰ গৌৰীপুৰত নীলিমা লোক কলা সংগ্ৰহালয় পুনৰনিৰ্মাণ কৰা হৈছে। নগাঁৱত নতুনকৈ নিৰ্মাণ কৰা জিলা সংগ্ৰহালয় আৰু ডিব্ৰুগড়ত এটা ডাঙৰ সংগ্ৰহালয় উদ্বোধন কৰা হয়। আনহাতে পূৰ্বে ঘোষণা কৰা অনুসৰি দক্ষিণপাট সত্ৰত নতুন সংগ্ৰহালয়, পথৰুঘাট স্মাৰক সংগ্ৰহালয় আৰু শিলচৰত জিলা সংগ্ৰহালয়ৰ কাম সুচাৰুৰূপে চলি আছে। অসম ৰাজ্যিক সংগ্ৰহালয়ৰ আধুনিকীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে।

মোৰ চৰকাৰে অসমৰ প্ৰত্নতাত্বিক ক্ষেত্ৰ আৰু স্মৃতিসৌধসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নত প্ৰধানকৈ গুৰুত্ব দিছে। সেই অনুসৰি, ১৩৭টা প্ৰত্নতাত্বিক ক্ষেত্ৰ আৰু স্মাৰক সংৰক্ষণ কৰা হৈছে। কিছুসংখ্যক প্ৰত্নতাত্বিক ক্ষেত্ৰ ইতিমধ্যে পৰ্যটন স্থলীলৈ উন্নীত কৰা হৈছে।

২০০টা নতুন প্ৰত্নতাত্বিক ক্ষেত্ৰ সূচীভুক্ত আৰু নথি সুসংবদ্ধ কৰা হৈছে। ৫টা প্ৰত্নতাত্বিক ক্ষেত্ৰত খনন চলোৱা হৈছে। ৩৭ টা প্ৰত্নতাত্বিক ক্ষেত্ৰ সংৰক্ষণ আৰু ৩০ টা স্মাৰক মেৰামতি কৰা হৈছে। সংৰক্ষণ আৰু উন্নয়নৰ অংশ হিচাপে মুঠ ৩০ টা প্ৰত্নতাত্বিক ক্ষেত্ৰ পৰ্যটক স্থলী হিচাপে সংৰক্ষণ কৰা হৈছে।

মোৰ চৰকাৰে শিক্ষাৰ্থী সমাজৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ অসমৰ বিভিন্ন জিলাত আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় ছেমিনাৰ আৰু সজাগতা কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত কৰিছে। মোৰ চৰকাৰে ১৬২ খন সত্ৰলৈ সহায়ক অনুদান হিচাপে বিত্তীয় সাহায্য আগবঢ়াইছে।

মোৰ চৰকাৰে ইউনেস্ক' বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ চূড়ান্ত তালিকাত অন্তৰ্ভুক্তিৰ বাবে চৰাইদেউৰ আন্তঃগাঁথনি উন্নয়নৰ প্ৰকল্পৰ উদ্যোগ হাতত লৈছে।

ভাৰত চৰকাৰে শিৱসাগৰক 'আইকনিক ছাইট' হিচাপে ঘোষণা কৰিছে আৰু মোৰ চৰকাৰে ৰূপহী পথাৰত আইকনিক ছাইট সংগ্ৰহালয়ৰ বাবে ৫ একৰ ভূমি আৱণ্টন কৰিছে।

১৯৮৫ চনৰ অসম চুক্তিৰ ৬ নং দফাত থকা লক্ষ্যসমূহ প্ৰাপ্ত কৰাৰ সৈতে সংগতি ৰাখি মোৰ চৰকাৰে Assam Heritage (Tangible) Protection, Preservation, Conservation & Maintenance Act, 2020 গৃহীত কৰিছিল। চৰকাৰে অসমৰ ভিতৰত ঐতিহ্য মিত্ৰক প্ৰদান কৰা ৩ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাও মুকলি কৰে।

মোৰ চৰকাৰে ১৬৬৯ চনৰ আলাবৈ যুদ্ধত নিহত আহোম সৈনিকসকলৰ আত্মত্যাগৰ স্মৃতিত ৫ আগষ্টৰ দিনটো আলাবৈ স্মৃতি দিৱস হিচাপে চিহ্নিত কৰিছে।

**প্ৰাথমিক শিক্ষা**

২০২০-২১ বৰ্ষৰ সময়ছোৱাত, মোৰ চৰকাৰৰ দ্বাৰা বিদ্যালয় শিক্ষা খণ্ডত বিভিন্ন উন্নয়নমূলক কাম-কাজৰ আৰম্ভ আৰু কাৰ্যকৰীকৰণ হৈছে। ক'ভিড-১৯ পৰিস্থিতিৰদ্বাৰা প্ৰভাৱিত আৰু সমূহ বিদ্যালয় বন্ধ হোৱা সত্বেও সমগ্ৰ ৰাজ্যৰ শিক্ষাৰ্থীসকলৰ শিক্ষা অব্যাহত ৰাখিবলৈ অসম চৰকাৰৰদ্বাৰা প্ৰচেষ্টা হাতত লোৱা হৈছিল। 'ই-শ্ৰেণী' আগবঢ়াবলৈ হোৱাটছ্ এপ বাৰ্তা আৰু ভিডিঅ'-ক্লাছৰ যোগেদি শিক্ষকৰদ্বাৰা শৈক্ষিক সহযোগিতা আগবঢ়োৱা হৈছিল। ইউটিউব চেনেল সৃষ্টি, আকাশবাণী গুৱাহাটী আৰু ডিব্ৰুগড়ৰ যোগেদি প্ৰাথমিক শ্ৰেণীসমূহৰ পৰিচালনাৰ বাবে ৰেডিঅ' কাৰ্যসূচী, দূৰদৰ্শনৰ মাধ্যমেৰে বিজ্ঞান আৰু গণিতৰ

টেলি ক্লাছ, ডিজিটেল পাৰ্থক্য ন্যূনতম কৰিবলৈ বিশেষ শিক্ষামূলক টিভি চেনেল 'জ্ঞান বৃক্ষ' মুকলি কৰা হয়। লকডাউনৰ সময়ছোৱাত যোগ্য শিশুসকললৈ খাদ্য সুৰক্ষা ভাট্টা আগবঢ়োৱা হৈছিল।

বছৰটোত ৰাজ্যখনত তিনিটা নতুন বিদ্যালয় গৃহ, ৬৪৯ টা অতিৰিক্ত শ্ৰেণীকোঠা, ছাত্ৰীৰ বাবে ৩৫৪ টা শৌচাগাৰ, ছাত্ৰৰ বাবে ৮৭১ টা শৌচাগাৰ আৰু ২৬২ খন বিদ্যালয়ত ৰেম্প নিৰ্মাণ কৰা হৈছিল। আৰআইডিএফ আঁচনিৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে মোৰ চৰকাৰে গ্ৰহণ কৰা বিশেষ উদ্যোগৰ অধীনত, ছাত্ৰৰ বাবে ৮৬ টা শৌচাগাৰ, ১৯৬০ খন পৃথকীকৰণ দেৱাল আৰু দুটা অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণ কৰা হয় আৰু ৪৯৫৫ খন বিদ্যালয়ৰ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰা হয়। ৰাজ্যখনৰ ১০০০ খন নিৰ্বাচিত বিদ্যালয়ক উৎকৰ্ষৰ কেন্দ্ৰবিন্দুলৈ ৰূপান্তৰিত কৰাৰ লক্ষ্যৰে 'প্ৰত্যাহ্বান' নামৰ এক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সমূহ বিদ্যালয় (ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহকে ধৰি)ৰ প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰায় ন লাখ শিক্ষাৰ্থীৰ বেংক একাউণ্ট মুকলি কৰা হয় আৰু প্ৰথম শ্ৰেণীৰপৰা দ্বাদশ শ্ৰেণীৰ ২০১৮৮ গৰাকী শিক্ষাৰ্থীক 'আধাৰ'ৰ সৈতে পঞ্জীকৃত কৰা হয়।

প্ৰাথমিক শিক্ষা খণ্ডৰ অধীনত ২০২১ শৈক্ষিক বৰ্ষৰ বাবে চৰকাৰী / প্ৰাদেশীকৃত বিদ্যালয়ৰ ৪১,৪৮,৮৯৯ গৰাকী শিক্ষাৰ্থীলৈ বিনামূলীয়া পাঠ্যপুথি আগবঢ়োৱা হ'ব। ২০২০-২১ শৈক্ষিক বৰ্ষত চৰকাৰী / প্ৰাদেশীকৃত বিদ্যালয়ৰ ৩৭,৮১,৬২০ গৰাকী শিক্ষাৰ্থীলৈ বিনামূলীয়া ইউনিফৰ্ম আগবঢ়োৱা হ'ব। ২০২০-২১ বৰ্ষত ৪১৫৯৪ খন চৰকাৰী / প্ৰাদেশীকৃত বিদ্যালয়লৈ ক্ৰীড়া অনুদান হিচাপে ২৩ কোটি ৬৪ লাখ টকা আগবঢ়োৱা হ'ব। বিদ্যালয়ৰ আওতাত নথকা হিচাপে চিনাক্ত কৰা ৮৪,৮৩৬ সংখ্যক ল'ৰা-ছোৱালীৰ ভিতৰত ৫৩,৩৫৪ সংখ্যক ল'ৰা-ছোৱালীক আনুষ্ঠানিক বিদ্যালয়ত আৰু বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰ বাবে বিভিন্ন ব্যৱস্থাত নামভৰ্তি কৰোৱা হৈছে আৰু ২০২০-২১ বৰ্ষৰ সময়ছোৱাত মুঠ ৩৫,৮২৪ গৰাকী শিক্ষাৰ্থীক বিশেষ প্ৰশিক্ষণ কেন্দ্ৰৰপৰা আনুষ্ঠানিক বিদ্যালয়লৈ আনি মূলসুঁতিলৈ অনা হৈছে। ৰাজ্যখনৰ ৯১৯৪ খন চৰকাৰী / প্ৰাদেশীকৃত বিদ্যালয়ত ছাত্ৰীৰ বাবে আত্মৰক্ষা কাৰ্যসূচী কাৰ্যকৰীকৰণ হয়। ২০২০-২১ বৰ্ষত প্ৰাথমিক

শাখাত ৬৪,৯৫২ গৰাকী বিশেষ সহায়ৰ প্ৰয়োজন থকা শিশুক চিহ্নিত কৰা আৰু বিদ্যালয়ত নামভৰ্তি কৰোৱা হয় আৰু গৃহ ভিত্তিক শিক্ষাৰ মাধ্যমেৰে সহায় কৰাৰ ব্যৱস্থা কৰা হৈছে।

শিক্ষাৰ অধিকাৰ-২০০৯ অনুসৰি, সঠিক ছাত্ৰ শিক্ষকৰ অনুপাত (পিটিআৰ) অটুট ৰখাৰ পদক্ষেপ হিচাপে, ২০২০ চনৰ ২৮ আগষ্টত ৫১৯২- গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিয়মীয়া খালী পদত শিক্ষক হিচাপে নিযুক্তি দিয়া হয়। মুখ্যমন্ত্ৰীৰ বিশেষ জলপানি আঁচনিৰ অধীনত শিক্ষাৰ্থীক উদগনি যোগাবৰ বাবে প্ৰশংসা পত্ৰৰ সৈতে পাঁচবছৰৰ বাবে পঞ্চম শ্ৰেণীৰ ২৮,৮৭২ গৰাকী শিক্ষাৰ্থী আৰু অষ্টম শ্ৰেণীৰ ২১,০৬৬ গৰাকী শিক্ষাৰ্থীৰ প্ৰত্যেকলৈ ৫০০০ টকাকৈ স্থায়ী জমাৰ টকা ৫ বছৰৰ বাবে ব্যৱস্থা কৰা হয়।

১৩৪১ খন ভেন্সাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ ২৬৩৫ টা পদ আৰু ১৮৬১ খন স্বীকৃতিপ্ৰাপ্ত উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৫৭০৬ টা পদৰ প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

ৰাজ্যখনৰ শীৰ্ষস্থানীয় শৈক্ষিক সংস্থা আৰু শৈক্ষিক প্ৰাধিকৰণ হিচাপে এচচিইআৰটি-এ ৰাজ্যৰ বিদ্যালয় আৰু শিক্ষকৰ শিক্ষাৰ মান উন্নীতকৰণৰ দিশটো চোৱা-চিতা কৰে। মোৰ চৰকাৰে ১০ টা শিক্ষাদানৰ মাধ্যমত প্ৰাথমিক পৰ্যায়ৰ বাবে পাঠ্যক্ৰম আৰু পাঠ্যপুথি প্ৰস্তুত কৰিছে। এচচিইআৰটি, অসমে প্ৰাথমিক বিদ্যালয়সমূহৰ বাবে শৈক্ষিক দিনপঞ্জী, ২০২০ প্ৰস্তুত কৰিছে। মোৰ চৰকাৰে শিক্ষক সবলীকৰণৰ বাবে সেৱাৰত আৰু সেৱা-পূৰ্বক শিক্ষক প্ৰশিক্ষণ সম্পন্ন কৰি আহিছে। ২০২০ বৰ্ষত ক'ভিড-১৯ অতিমাৰীৰ লকডাউনৰ সময়ছোৱাত এচচিইআৰটি, অসমে ৰাজ্যখনৰ শিক্ষাৰ্থীৰ শিকণ বৰ্দ্ধনৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰে। মোৰ চৰকাৰে দীক্ষা ৰাষ্ট্ৰীয় প'ৰ্টেলত ২৫ খন ডিজিটেলকৃত পাঠ্যপুথি প্ৰস্তুত কৰিছে। সৰ্বমুঠ ১৫০০ ই-সমল দীক্ষা প'ৰ্টেলত প্ৰস্তুত আৰু আপল'ড কৰা হৈছে।

মোৰ চৰকাৰে শৈক্ষিক বৰ্ষৰ সম্প্ৰসাৰণৰ প্ৰতি লক্ষ্য ৰাখি আকাংক্ষিত শিকণৰ ফলাফল লাভৰ বাবে শিক্ষাৰ্থীৰ মাজত শিকণ পাৰ্থক্য ন্যূনতম কৰিবলৈ প্ৰাথমিক পৰ্যায়ৰ শৈক্ষিক দিনপঞ্জী পুনৰ পৰ্যবেক্ষণ কৰিছে। শিক্ষাৰ ধাৰাবাহিকতা

নিশ্চিত কৰিবলৈ বিদ্যালয়ৰ পাঠ্যপুথিৰ সৈতে সম্পৰ্কিত ই-সমলৰ বৰঙণিৰ বাবে ৰাষ্ট্ৰীয় পদক্ষেপৰ সৈতে সংগতি ৰাখি ২০২০ চনৰ ৭ জুনত অসমৰ বাবে বিদ্যা দান কাৰ্যসূচী মুকলি কৰা হৈছিল।

স্মাৰ্ট শ্ৰেণীকোঠা আৰু আইচিটি পৰীক্ষাগাৰ স্থাপনৰ মাধ্যমেৰে ২৩ খন ডায়েটৰ আন্তঃগাঁথনিমূলক সুবিধাসমূহ অধিক উন্নত কৰা হৈছে। কাৰ্বি আংলং (পশ্চিম), বঙাইগাঁও, বাক্সা, নলবাৰী, কামৰূপ, মৰিগাঁও, শিৱসাগৰ, বিশ্বনাথ, উত্তৰ লখিমপুৰ আৰু ডিমা হাছাওত ১০ খন নতুন চৰকাৰী বি.এড. কলেজ আৰু ওদালগুৰি, বাক্সা, চিৰাং আৰু কামৰূপ মেট্ৰ' জিলাত চাৰিখন নতুন ডায়েট নিৰ্মাণৰ কাম চলি আছে। ওদালগুৰি, চিৰাং, বাক্সা আৰু কামৰূপ মেট্ৰ' জিলাৰ ৪ খন নতুন ডায়েটৰ ভিতৰত ওদালগুৰি, চিৰাং আৰু বাক্সাত ডায়েট নিৰ্মাণৰ কাম কেন্দ্ৰীয় চৰকাৰৰদ্বাৰা মুকলি কৰা পুঁজিৰে সম্পূৰ্ণ কৰা হৈছে।

১০ খন চৰকাৰী বি.এড. কলেজৰ ৩৯০ টা পদৰ সৃষ্টি আৰু ৪ খন নতুন ডায়েটৰ বাবে ১৯২ টা পদৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ বিবেচনাধীন হৈ আছে। আশা কৰা হৈছে যে এই চৰকাৰী বি.এড. কলেজ আৰু ডায়েটৰ নিৰ্মাণ ২০২১-২২ বৰ্ষৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব।

**পৰিৱেশ আৰু বন ঃ**

মোৰ চৰকাৰে ৰাজ্যখনৰ বনাঞ্চল, বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্যৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে অহৰহ কাম কৰি আহিছে। যোৱা পাঁচ বছৰ (২০১৬-১৭ৰ পৰা ২০২০-২১)ত বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সংৰক্ষণ আৰু সুৰক্ষাৰ দিশত বহুতো গুৰুত্বপূৰ্ণ কাৰ্যাৱলী কাৰ্যকৰী কৰা হৈছে ঃ

১) অভিযানৰ মাধ্যমেৰে বৃহৎ পৰিসৰত বৃক্ষৰোপণ আৰু বীজ বিতৰণ কৰা হৈছে। ২০১৬-১৭ৰ পৰা ২০২০ৰ ৩০ চেপ্টেম্বৰ পৰ্যন্ত বৃক্ষৰোপণৰ অধীনত ১০৩৫৩ হেক্টৰ এলেকা আৰু ৪,৭০,২১,১৫৫ সংখ্যক গছপুলি ৰোপণ কৰা হৈছে।

২) ২৪ খন জিলাত ২৪ খন সাহিত্য মণীষী উপবন (জৈৱবৈচিত্ৰ্য উদ্যান) নিৰ্মাণ/স্থাপন কৰা হৈছে। এইসমূহৰ ভিতৰত ১৭ খন উদ্যান ইতিমধ্যে উদ্বোধন কৰা হৈছে আৰু বাকী ৭ খন জৈৱবৈচিত্ৰ্য উদ্যান উন্মোচনৰ বাবে উদ্যোগ লোৱা হৈছে।

এই উদ্যানসমূহত অসমৰ জৈৱ বৈচিত্ৰতাৰ বৈভৱ প্ৰদৰ্শনৰ বাবে ১০০০ বিভিন্ন প্ৰজাতিৰ ঔষধি বা সুগন্ধি থকা উদ্ভিদ ৰোপণ কৰা হৈছে।

৩) মোৰ চৰকাৰে দিহিং পাটকাই বন্যপ্ৰাণী অভয়াৰণ্যক ২৩১.৬৫ বৰ্গকি.মি. প্ৰসাৰিত এলেকা সামৰি ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীতকৰণৰ বাবে ইতিমধ্যে প্ৰাৰম্ভিক অধিসূচনা জাৰি কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এশিঙীয়া গঁড় আৰু অন্যান্য গুৰুত্বপূৰ্ণ বন্যপ্ৰাণীৰ কাৰণে অধিক আৱাসভূমিৰ ব্যৱস্থা কৰিবৰ বাবে, চৰকাৰে ইতিমধ্যে ৩টা নতুন সংযোজনৰ প্ৰাৰম্ভিক অধিসূচনা জাৰি কৰিছে, যেনে, ৭ম সংযোজন (১৭৬ হেক্টৰ), ৮ম সংযোজন (৩০৭ হেক্টৰ) আৰু ৯ম সংযোজন (২৫৭০ হেক্টৰ)। এই অতিৰিক্ত এলেকাসমূহে দিনক দিনে সংখ্যা বৃদ্ধি পোৱা গঁড়, বাঘ আৰু হাতী আদিৰ দৰে বন্যপ্ৰাণীসমূহৰ বাবে অধিক উপযোগী আৱাসভূমিৰ সুবিধা আগবঢ়াব।

৪) ভাৰতৰ বন সমীক্ষা (এফএচআই)ৰ দ্বাৰা প্ৰকাশিত ইণ্ডিয়া ষ্টেট অৱ ফৰেষ্ট ৰিপ'ৰ্ট (আইএচএফআৰ), ২০১৯-এ পূৰ্বৰ ইণ্ডিয়া ষ্টেট অৱ ফৰেষ্ট ৰিপ'ৰ্ট (আইএচএফআৰ), ২০১৭-ত নথিভুক্ত কৰা বনাঞ্চলৰ পৰিমাণৰ তুলনাত ৰাজ্যত থকা বনাঞ্চল ২২১.৫১ বৰ্গকি.মি.লৈ বৃদ্ধি পোৱাটো নথিভুক্ত কৰিছে।

৫) ৰাজহ ২০১৫-১৬ বৰ্ষৰ ৫৬.৯৪ কোটিৰপৰা ২০১৯-২০২০ বৰ্ষত ২৬৯ কোটিলৈ বৃদ্ধি পাইছিল (৪৭২ শতাংশ বৃদ্ধি)।

৬) ২০১৬-১৭ বৰ্ষৰপৰা অনুকম্পামূলক ক্ষেত্ৰত তৃতীয় বৰ্গ আৰু চতুৰ্থ বৰ্গৰ ২২৯ গৰাকী কৰ্মচাৰীক নিযুক্তি দিয়া হৈছিল। যোৱা ২ টা বছৰত, ২০১০-২০১১ৰ পৰা বেকলগ মুকলি কৰি ২২৫ টা পদত নিযুক্তি দিয়া হৈছে।

৭) জৈৱ বৈচিত্ৰ্য আইন, ২০০২ৰ অধীনত মাজুলীক "জৈৱবৈচিত্ৰ্য ঐতিহ্য ক্ষেত্ৰ" হিচাপে ঘোষণা কৰা হয়। অসমৰ থলুৱা উদ্ভিদৰ প্ৰজাতিসমূহ সংৰক্ষণ কৰিবলৈ ২০১৬-২০১৭ চনত আপুৰুগীয়া বৃক্ষৰোপণ নামৰ এখন আঁচনি আৰম্ভ কৰা হৈছিল আৰু প্ৰত্যেকতে ৫ হেক্টৰ এলেকা থকাকৈ এতিয়ালৈকে ১১ টা গোট স্থাপন কৰা হৈছে।

৮) যোৱা ১৫০ বছৰৰ বন বিভাগৰ বন ব্যৱস্থাপনাৰ পৰম্পৰাগত পুৰণি প্ৰথা প্ৰদৰ্শনৰ বাবে ডিগবৈ খণ্ড আৰু মানাহ ৰাষ্ট্ৰীয় উদ্যানত ৪৮.৬৯ কোটি টকাৰ বিত্তীয় অনুদানেৰে ২ টা ইণ্টাৰপ্ৰিটেশ্যন চেণ্টাৰ আৰম্ভ কৰা হৈছে।

**আবকাৰী ঃ**

মোৰ চৰকাৰ এলক'হল থকা পানীয় আৰু অন্যান্য অনুমোদিত মাদক দ্ৰব্যৰ উৎপাদন, আমদানি, ৰপ্তানি, পৰিবহণ, মজুত আৰু বিক্ৰীৰ নিয়ন্ত্ৰণ আৰু অবৈধ সুৰা তৈয়াৰ তথা অবৈধ সুৰাৰ গোপন বেহা ৰোধ কৰাৰ বাবে দায়বদ্ধ, লগতে ৰাজ্যৰ এক প্ৰধান ৰাজহ উপাৰ্জন কৰোঁতাও।

মোৰ চৰকাৰে সবাতোকৈ সুবিধাজনক ৰূপত ৰাজহ অৰ্জন কৰিবলৈ আৰু কেৱল কৰ্তৃত্বপ্ৰাপ্ত আৰু বৈধ উৎসৰ মাধ্যমেৰে মাদক দ্ৰব্য উপলব্ধ হোৱাটো নিশ্চিত কৰিবলৈ ই-গৱৰ্ণেন্স ব্যৱস্থা আৰম্ভ কৰাকে ধৰি বিভিন্ন আইনী আৰু প্ৰশাসনীয় সংস্কাৰৰ উদ্যোগ গ্ৰহণ কৰিছে।

মোৰ চৰকাৰে লগতে সুৰা আৰু ড্ৰাগছ সেৱনৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে আৰু ৰাজ্যিক ড্ৰাগ-প্ৰতিৰোধ আৰু নিষিদ্ধকৰণ পৰিষদৰ যোগেদি নিচা-মুক্তি আৰু পুনৰ্বাসনৰ ব্যৱস্থা কৰিছে।

মোৰ চৰকাৰে কভিড-১৯ অতিমাৰী স্বত্তেও বিগত আনুষংগিক বৰ্ষৰ তুলনাত ১৭.৭ শতাংশ বৃদ্ধিৰে চলিত বিত্তীয় বৰ্ষৰ ২০২০ ৰ ডিচেম্বৰ পৰ্যন্ত ১৪২১. ৭৬ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিছে। ২০১৯-২০২০ বৰ্ষত সংগ্ৰহ হোৱা ৰাজহৰ পৰিমাণ আছিল ১৬৩৯. ৬১ কোটি টকা।

মোৰ চৰকাৰৰ অসম ৰাজ্যিক ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠান সংস্কাৰ (ASPIRe) প্ৰকল্পৰ অধীনত প্ৰস্তুত কৰি থকা নতুন ই-গৱৰ্ণেন্স ব্যৱস্থা ২০২১ বৰ্ষৰ মাৰ্চত আৰম্ভ হোৱাৰ আশা আছে।

মোৰ চৰকাৰে যোগান শৃংখল ব্যৱস্থা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ "ট্ৰেক এণ্ড ট্ৰেচ" ব্যৱস্থাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে আৰু সুৰাৰ বটলসমূহ সহজে অনুসৰণ কৰাটো নিশ্চিত কৰা আৰু আবকাৰী শুল্ক ফাকি ৰোধ কৰিবলৈ সুৰাৰ বটলত কিউআৰ ক'ডসহ উচ্চ সুৰক্ষামূলক হল'গ্ৰাফিক লেবেলৰ প্ৰচলন ব্যৱস্থা লৈছে।

ক'ভিড-১৯ অতিমাৰীৰ সময়চোৱাত, মোৰ চৰকাৰে অতি সামান্য দামত বিভিন্ন চৰকাৰী বিভাগসমূহলৈ বিতৰণৰ বাবে বিভিন্ন আইএমএফএল বটলিং প্ৰকল্পৰ দ্বাৰা হেণ্ড ছেনিটাইজাৰৰ উৎপাদনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছিল।

আবকাৰী আইন আৰু নিয়মত অনা বিভিন্ন সংশোধনৰ দ্বাৰা মোৰ চৰকাৰে আবকাৰী বিভাগত অধিক সংস্কাৰ আনিছে, যি বিভাগটোক সুৰাৰ অবৈধ উৎপাদন আৰু সুৰাৰ ব্যৱসায় ৰোধত সহায় কৰিব আৰু ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিব। মোৰ চৰকাৰে লালি গুড় আৰু চুলাই মদ নিয়ন্ত্ৰণ কৰিবৰ বাবে এটা উপযুক্ত পদ্ধতি ব্যৱস্থা গঢ়ি তুলিবলৈ নিয়মৰ সংশোধন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে।

বিভাগৰ দ্বাৰা লগতে বৰপেটা, কামৰূপ, শোণিতপুৰ, গোলাঘাট, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত ছটা নিচা-মুক্তি আৰু পুনৰ্বাসন কেন্দ্ৰও স্থাপন কৰা হৈছে।

মোৰ চৰকাৰে বিশ্ব-বেংকে পুঁজি আগবঢ়োৱা ASPIRe প্ৰকল্পৰ অধীনত এক আধুনিক ৰাসায়নিক পৰীক্ষাগাৰ স্থাপনৰ বাবেও এক প্ৰকল্প হাতত লৈছে।

**বিত্ত ঃ**

মোৰ চৰকাৰে বিবেচনাপূৰ্ণ আৰু সুস্থিৰ বিত্তীয় প্ৰবন্ধন কৰি আছে যাৰ ফলত বিগত চাৰি বছৰত বিত্তীয় আৰু ৰাজহ ঘাটি কম হৈছে। চলিত বৰ্ষত, বিত্তীয় ঘাটি আৰু ৰাজহ ঘাটি এএফআৰবিএম আইনৰ দ্বাৰা নিৰ্ধাৰিত সীমাৰ ভিতৰত থাকিব বুলি আশা কৰা হৈছে। কঠোৰ বিত্তীয় প্ৰবন্ধন স্বত্বেও, ৰাজ্যখনে ২০১৯-২০ বিগত বিত্তীয় বৰ্ষত ১, ১৯, ৭১৫ কোটি টকা ব্যয় পৰিচালনা কৰাত সফল হৈছিল। মন কৰিবলগীয়া যে ২০১৯-২০ বিত্তীয় বৰ্ষত ৰাজ্যখনৰ নিজৰ ৰাজহৰ পৰিমাণ ১৬, ৫২৯ কোটি টকালৈ বৃদ্ধি পায় আৰু উক্ত বৰ্ষত লাভ কৰা মুঠ ৰাজহৰ প্ৰায় ২৬ শতাংশ ৰাজ্যখনৰ নিজৰ ৰাজহ আছিল। চলিত বিত্তীয় বৰ্ষত, ২০২০ বৰ্ষৰ নবেম্বৰ পৰ্যন্ত, মোৰ চৰকাৰে জিএছটিৰ অধীনত ৪৬৯৭.১৫ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হয়। লগতে, উল্লেখনীয় যে ক'ভিড-১৯ অতিমাৰী স্বত্বেও, মোৰ চৰকাৰে ১৪০৮টা ভেণ্টিলেটৰৰ যাৱতীয় সুবিধাৰ সৈতে ১০০০ আইচিইউ বিছনাৰ বাদেও অতিৰিক্ত ১০০০খন চিকিৎসালয় বিছনা সংযোজন কৰিবলৈ সম্পূৰ্ণ বাজেটীয় সহায় কৰাত সফল হৈছিল। এই কাম সাধাৰণ বাজেটত অনুমোদন জনোৱা ৬১২৬ কোটি টকাৰ বাদেও দুটা পৰিপূৰক দাবীৰ মাধ্যমেৰে অতিৰিক্ত ১৮১০.৮৬ কোটি টকা আৰু ৫০৩.০৮ কোটি টকাৰে সম্পূৰ্ণ কৰা হয়।

ক'ভিড-১৯ অতিমাৰীৰ অনিষ্টকৰ প্ৰভাৱ স্বত্বেও মোৰ চৰকাৰে বিত্তীয় সুস্থিৰতাৰ লগতে বাজেটীয় পৃষ্ঠপোষকতাৰ বাবে দিয়া ইয়াৰ প্ৰতিশ্ৰুতি পালন কৰে, আৰু চৰকাৰৰ কৰ্মচাৰীৰ কোনো বেতন হ্ৰাস নকৰা আৰু লগতে সময়মতে পেন্সনৰ ধনৰ বণ্টন আৰু ইয়াৰ অন্যান্য বিত্তীয় প্ৰতিশ্ৰুতিও ৰক্ষা কৰে। ইয়াৰ বাদেও ব্যয়ৰ প্ৰকৃতিত গুণগত আৰু পৰিমাণগত উভয় দিশতে পৰিৱৰ্তন হয়, য'ত সম্পদ আৰু আন্তঃগাঁথনিমূলক সৃষ্টিত ব্যয়ৰ শতাংশ বৃদ্ধি পায়, দেখা পোৱা যায় যে ২০১৬-১৭ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষৰ সময়চোৱাত পুঁজি ব্যয়ৰ পৰিমাণ ৬০০১ কোটি টকাৰ পৰা ১৩, ৫০১ কোটি টকালৈ বৃদ্ধি পায়। বিগত ৪টা বৰ্ষত ৰাজ্যখনৰ মুঠ ব্যয়ৰ শতাংশ হিচাপে ৰাজ্যখনৰ ৰাজহ ব্যয় হ্ৰাসৰ প্ৰৱণতা দেখা পোৱা গৈছে, যিটোৱে ব্যয়ৰ প্ৰকৃতিত গুণগত পৰিৱৰ্তন প্ৰতিফলিত কৰে।

২০১৭ বৰ্ষৰ এপ্ৰিলত, অসম নিজস্ব ৰাজহুৱা অধিপ্ৰাপ্তি আইন গ্ৰহণ কৰা দেশৰ চতুৰ্থখন ৰাজ্যত পৰিণত হয়। পৰৱৰ্তী সময়ত, অসম ৰাজহুৱা অধিপ্ৰাপ্তি ২০২০ বৰ্ষৰ ২ চেপ্তেম্বৰত অধিসূচিত কৰা হয়। বিভিন্ন বিভাগৰ নানা প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ এই অধিনিয়মে ক্ৰয় প্ৰক্ৰিয়াক স্বচ্ছ কৰাৰ লগতে পৰিসৰো বৃদ্ধি কৰিছে। এই অধিনিয়ম আৰু সামৰ্থ্য বৃদ্ধিৰ প্ৰয়াসে ৰাজহুৱা ব্যয়ৰ ক্ষেত্ৰত স্বচ্ছতা আৰু কাৰ্যক্ষমতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

সমাজৰ সামগ্ৰিক সামাজিক-অৰ্থনৈতিক উন্নয়নৰ বাবে মোৰ চৰকাৰে 'অৰুণোদয় আঁচনি' মুকলি কৰিছে য'ত স্বাস্থ্যকৰ আৰু পুষ্টিকৰ আহাৰৰ ব্যৱস্থা কৰিবলৈ দৈনন্দিন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিয়ালসমূহলৈ ৮৩০ টকাকৈ আগবঢ়োৱা হ'ব।

এই স্বকীয় উদ্যোগৰ অধীনত এক 'বহনক্ষম উপাৰ্জন সহায়' ৰ পথেৰে ৰাজ্যখনৰ সকলো দৰিদ্ৰ পৰিয়ালৰ বিত্তীয় অৱস্থা উন্নয়ন সাধনৰ লক্ষ্য গ্ৰহণ কৰিছে। এই আঁচনি ২০২০ চনৰ ১ ডিচেম্বৰত আৰম্ভ কৰা হৈছিল। বৰ্তমানলৈকে দুমাহৰ অৰ্থাৎ ২০২০ চনৰ নৱেম্বৰ আৰু ডিচেম্বৰ মাহৰ বাবে ৩৩, ৫৫৬.৯০০০০ টকা পুঁজি মুকলি কৰি দিয়া হৈছে। এই আঁচনিৰ অধীনত সামৰি লোৱা মুঠ হিতাধিকাৰীৰ সংখ্যা হ'ল ১৭, ১২, ৮৫০।

২০২১ চনৰ ২০ জানুৱাৰীত অসমে ১০০০ কোটি টকা ব্যয়েৰে "স্বামী বিবেকানন্দ যুৱ সৱলীকৰণ যোজনা" ক নতুন ৰূপ দিয়ে। নতুন ব্যৱসায় প্ৰতিষ্ঠা

কৰা বা আগৰপৰা থকা ব্যৱসায় উন্নীত কৰিবলৈ আত্মসহায়ক গোট, যুটীয়া দায়বদ্ধ গোট, কৃষক উৎপাদক সংস্থা, গোট পৰ্যায়ৰ এচপিভিসমূহ/সংঘক সহায় কৰাৰ দ্বাৰা ৰাজ্যত এক ৰাজ্যিক উদ্যোগশীলতা কেন্দ্ৰিক পৰিস্থিতিতন্ত্ৰ বিকশিত কৰিবলৈ ইয়াক আৰম্ভ কৰা হৈছে। এই ডিবিটি আঁচনিৰ অধীনত ২, ০০, ০০০ (দুই লাখ) যুৱক-যুৱতী লাভান্বিত হ'ব আৰু তেওঁলোককে বীজধন আৰু দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ লাভ কৰিব।

স্বচ্ছতা বৃদ্ধিৰ হেতু, আইএফএমআইএচ (সংহত বিত্তীয় পৰিচালনা তথ্য ব্যৱস্থা) আৰম্ভ কৰা হৈছে। ইয়াৰ সৈতে অনলাইন বাজেটিং, অনলাইন বাজেট বিতৰণ আৰু পুনৰাৰম্ভ, পুনৰ-অভিগ্ৰহণ, অনলাইন চিলিং, অনলাইন বেতন বিধেয়ক, আৰু ই-বাজেটিং ইত্যাদিৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে আৰু ৰাজ্যত ইলেকট্ৰনিকভাৱে প্ৰশাসনিক অনুমোদন আৰু বিত্তীয় মঞ্জুৰিৰ সম্পূৰ্ণ ৰূপত কাৰ্যকৰীকৰণৰ দিশতো দৃঢ়তাৰে আগবঢ়া হৈছে।

মোৰ চৰকাৰে পঞ্জীয়নভুক্ত ১, ৮৮, ৩২৬ কৰ্মচাৰীৰ বেতন দেয়ক কোষাগাৰত গৃহীত কৰাৰ সময়ত মাহেকীয়া বিবৃতি সংগ্ৰহ কৰাৰ বাবে চিটিএমআইএচ (কম্পিউটাৰাইজড্ কোষাগাৰ পৰিচালনা তথ্য ব্যৱস্থা) আৰম্ভ কৰিছে। এই ব্যৱস্থা মোৰ চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা নতুন পেঞ্চন আঁচনি (NPS)ৰ পূৰ্ণ পৰ্যায়ৰ কাৰ্যকৰীকৰণৰ বাবেও প্ৰসাৰিত কৰা হৈছে।

অনলাইন চিলিং ব্যৱস্থাপনা আৰু ই-বাজেটিং হ'ল বাজেট ব্যৱস্থাপনাৰ প্ৰয়োগ খৰতকীয়া কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপ। ইয়াৰ অধীনত চিলিং ব্যৱস্থাপনা সম্পূৰ্ণ স্বচ্ছ আৰু প্ৰশাসনীয় সুচলতাৰ বাবে স্বয়ংচালিত বাজেট প্ৰস্তুতি, বিতৰণ প্ৰক্ৰিয়া আৰু অনলাইন এফঅ'চি (ফিক্সেছন অৱ চিলিং)ৰ ক্ষেত্ৰত খৰতকীয়া আৰু সৰল সমাধান আগবঢ়োৱাৰ উদ্দেশ্যে সকলো বিভাগত চিলিং অনুৰোধ প্ৰক্ৰিয়াকৰণ আৰু নিৰীক্ষণ কাৰ্যকৰী কৰা হৈছে।

মোৰ চৰকাৰৰ দ্বাৰা আৰম্ভ কৰা এক প্ৰধান সংস্কাৰ হ'ল 'ইগ্ৰাছ' (চৰকাৰী জমা আৰু গণনা বা একাউণ্টিং ব্যৱস্থা) যিটো অসমৰ ৰাজভঁড়ালত সকলো ৰাজহ জমা সংগ্ৰহৰ বাবে এক উমৈহতীয়া সংগ্ৰহ প'ৰ্টেল। নাগৰিক, কৰ পৰিশোধ কৰোঁতাসকলে এই প'ৰ্টেলৰ জৰিয়তে অনলাইন মাধ্যমেৰে তেওঁলোকৰ কৰ, মাচুল, জৰিমনা পৰিশোধ কৰিব পাৰে আৰু চালান (ৰচিদ) উলিয়াব পাৰে।

মোৰ চৰকাৰে ২০১৬-১৭ বৰ্ষৰ বাজেট অধিৱেশনত অসমত ২৭টা নতুন কোষাগাৰৰ সংযোজনৰ কথা ঘোষণা কৰে। এতিয়ালৈকে অসমত ২১টা নতুন উপ কোষাগাৰ মুকলি কৰি কাম-কাজ আৰম্ভ কৰা হৈছে।

**মীনপালন ঃ**

মোৰ চৰকাৰে ২০১৬-১৭ বৰ্ষৰ তুলনাত ২১ শতাংশ বৃদ্ধিৰে ২০১৯-২০ বৰ্ষৰ সময়ছোৱাত ৰাজ্যখনত প্ৰায় ৩.৭৩ লাখ মেট্ৰিকটন উৎপাদনেৰে মৎস্য উৎপাদন বৃদ্ধিত সফলতা লাভ কৰিছে। এই সময়ছোৱাত, মাছৰ পোণাৰ উৎপাদন প্ৰায় ৬৭% বৃদ্ধি পাই ২০১৯-২০ বৰ্ষত ৯৫১৯ নিযুতলৈ বৃদ্ধি হৈছে। মাছ খোৱাৰ পৰিমাণো প্ৰতি বছৰে জনমূৰি হিচাপত ৮.৫ কেজিৰ পৰা ১১ কেজিলৈ বৃদ্ধি পাইছে।

'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' (CMSGUY)ৰ অধীনত নিৰ্বাচিত নৱৰত্নৰ ভিতৰত মীনপালনক অন্তৰ্ভুক্ত কৰা হৈছে। যোৱা চাৰিটা বছৰত মীনপালন খণ্ড এক নতুন ৰূপত উচ্চ প্ৰশংসিত হৈছে যাৰ ফলত 'পাহাৰীয়া আৰু উত্তৰ পূৰ্বাঞ্চল' শাখাত শ্ৰেষ্ঠ ৰাজ্য (অসম), শ্ৰেষ্ঠ জিলা (নগাঁও), শ্ৰেষ্ঠ চৰকাৰী সংস্থা / সংঘ / নিগম / ব'ৰ্ড (ফিছফেড) আৰু শ্ৰেষ্ঠ মীন পালক (অমল মেধি, নলবাৰী) এই চাৰিটা উল্লেখযোগ্য বঁটাৰে ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে।

থলুৱা মাছৰ প্ৰজাতিৰ সংৰক্ষণৰ বাবে ৰহাৰ মীন মহাবিদ্যালয়ৰ যোগেদি জিন বেংকৰ এক ৫ বছৰীয়া প্ৰকল্প কাৰ্যকৰী কৰা হৈছে। ১.৪৩ লাখৰো অধিক মাছমৰীয়াক কেন্দ্ৰীয় পৃষ্ঠপোষকতা থকা দুৰ্ঘটনা বীমা আঁচনিৰ অধীনত সামৰি লোৱা হৈছে। মোৰ চৰকাৰে মীন পালকসকলৰ বাবে কেচিচি-ৰ ব্যৱস্থা আৰম্ভ কৰিছে য'ত ৮১, ৫০০ৰো অধিক আবেদন বিভিন্ন বেংকত জমা দিয়া হৈছে। মীন পালনৰ বাবে ২২টা এফপিঅ' আৰু এফপিচি গঠন কৰা হৈছে আৰু চেণ্ট্ৰেল ইনষ্টিটিউট অৱ ফ্ৰেছ ৱাটাৰ একুৱাকালচাৰ (CIFA)ৰ সহযোগিতাত জয়ন্তী ৰৌৰ তিনিটা অনুমোদিত মাছৰ পোনা যোগানকাৰী নিৰ্বাচন কৰা হৈছে। ৰাজ্যখনে মাগুৰ মাছৰ ক্ষেত্ৰত মতা মাছটোক মাৰি নেপেলোৱাকৈ প্ৰজনন উদ্ভাৱন কৰাত প্ৰথমখন ৰাজ্য হিচাপে আৰু আৰএএচ-ত পাভ, বাত, ভাঙোন আদিৰ দৰে

বিভিন্ন থলুৱা মাছৰ প্ৰজাতি কৃত্ৰিম পৰিৱেশত বৃদ্ধি আৰু পালনতো সফলতা লাভ কৰিছে।

**খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে ২০১৯ চনৰ মাৰ্চ মাহত “ব্যয়সাধ্য পৰিপুষ্টি আৰু পুষ্টিসাধন সহায়ক আঁচনি” (ANNA) কাৰ্যকৰী কৰে আৰু এনএফএচএ, ২০১৩ৰ অধীনত সামৰি লোৱা সকলো হিতাধিকাৰীলৈ বিনামূলীয়া চাউল আগবঢ়ায়। অন্ত্যোদয়া অন্ন যোজনা (AAY)ৰ ৰেচন কাৰ্ডৰ অধিকাৰীসকলে (৬, ৯১, ৮২৭টা পৰিয়াল) বিনামূলীয়াকৈ ৩৫ কেজি চাউল লাভ কৰিছে আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল কাৰ্ডৰ অধিকাৰীসকলে (৫১, ৬২, ০৭১টা পৰিয়াল) প্ৰতি মাহে গাইপতি বিনামূলীয়াকৈ ৫ কেজি চাউল লাভ কৰিছে। এএআই-ৰ পৰিয়ালসমূহলৈ প্ৰতিখন কাৰ্ডত প্ৰতিমাহে ৩৫ কিল’গ্ৰাম চৰকাৰী সাহায্যপ্ৰাপ্ত চাউল আগবঢ়োৱা হৈছে আৰু অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল কাৰ্ডৰ দ্বাৰা চাহ বাগিচা আৰু অনা-চাহ বাগিচা অঞ্চলসমূহত বিনামূলীয়াকৈ নিৰ্বাচিত হিতাধিকাৰীসকলৰ প্ৰতিজন সদস্যলৈ প্ৰতিমাহে ৫ কিল’গ্ৰাম চৰকাৰী সাহায্যপ্ৰাপ্ত চাউল আগবঢ়োৱা হৈছে।

মোৰ চৰকাৰে ২০২০ৰ এপ্ৰিলৰ পৰা নৱেম্বৰ মাহলৈ ৰাজ্যজুৰি “প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা” কাৰ্যকৰী কৰিছে আৰু সেই অনুসৰি মুঠ ২, ৪৯, ১৯, ৩৩৩ সংখ্যক হিতাধিকাৰী লাভান্বিত হৈছে। মোৰ চৰকাৰে অসমত “প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনা” মুকলি কৰিছে আৰু মুঠ ৩৪, ৯২, ৭৫৯ সংখ্যক এলপিজি সংযোগ স্থাপন কৰা হৈছে।

মোৰ চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থা (PDS) ৰ বাহিৰৰ ২২ বিধ সামগ্ৰীক সৰ্বোচ্চ খুচুৰা মূল্যৰ বিপৰীতে ব্যয়সাধ্য মূল্যত যোগানৰ ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমান বিভিন্ন জিলাত “আমাৰ দোকান”ৰ ৫৬২৩ সংখ্যক সুলভ মূল্যৰ দোকানীয়ে কাৰ্য সম্পাদন কৰি আছে। তদুপৰি, ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীৰ বাবে নিয়োগ সৃষ্টিৰ কাৰণে মোৰ চৰকাৰে প্ৰচলিত বজাৰ মূল্যৰ তুলনাত কম মূল্যত উপভোক্তাসকললৈ অপৰিহাৰ্য সামগ্ৰী আগবঢ়াবলৈ ২০২০-২১ বিত্তীয় বৰ্ষত ২০৯খন “চলন্ত আমাৰ দোকান” স্থাপনৰ লক্ষ্যও নিৰ্ধাৰণ কৰিছে।

মোৰ চৰকাৰে ৰাজ্যজুৰি বিভিন্ন বজাৰত ঠাইতে সত্যতা নিৰূপণৰ উপায়েৰে অপৰিহাৰ্য সামগ্ৰীৰ মূল্য অবিৰতভাৱে নিৰীক্ষণ কৰি আহিছে।

মোৰ চৰকাৰে এনএফএচএ, ২০১৩ৰ অধীনত যোগান শৃংখলা ব্যৱস্থাপনাৰ আৰম্ভণিৰ পৰা অন্ত পৰ্যন্ত কম্পিউটাৰীকৰণৰ অংশ হিচাপে নিৰ্বাচিত সকলো হিতাধিকাৰীৰ তথ্য আৰু জিপিএচএচ/এফপি শ্বপ তথ্য ডিজিটাইজ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ উপাদান-১ৰ অংশ হিচাপে ইণ্টাৰনেট সংযোগ গাঁও পঞ্চায়ত সমবায় সমিতি পৰ্যায়লৈ আগবঢ়োৱা হৈছে। এই ক্ষেত্ৰত এমট্ৰনৰ দ্বাৰা টিপিডিএচ ৰাজ্যিক স্বচ্ছতা প'ৰ্টেল www.fcs.assam.gov.in ৰ আৰম্ভণিৰ পৰা অন্ত পৰ্যন্ত কম্পিউটাৰীকৰণ সম্প্ৰসাৰিত কৰা হৈছে।

মোৰ চৰকাৰে প্ৰতিখন জিলাত জিলা অভিযোগ নিষ্পত্তি বিষয়া হিচাপে এগৰাকী অতিৰিক্ত উপায়ুক্তৰ লগতে উপভোক্তাৰ অভিযোগ নিষ্পত্তিৰ বাবে অনলাইন অভিযোগ নিষ্পত্তি ব্যৱস্থাৰ সৃষ্টি কৰিছে। খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা সঞ্চালকালয় পৰ্যায়ত শুল্কমুক্ত নম্বৰৰ সৈতে উপভোক্তা হেল্পলাইন আৰু কল চেণ্টাৰ স্থাপন কৰা হৈছে। লকডাউনৰ সময়চোৱাত উপভোক্তাৰ অভিযোগ নিষ্পত্তি কৰিবলৈ আন এটা কল চেণ্টাৰ এমট্ৰনত স্থাপন কৰা হৈছিল।

অসম খাদ্য আৰু অসামৰিক যোগান যোগান লিমিটেডে (এএফচিএছচিএল) কেএমএছ ২০১৯-২০২০ (২০১৯ৰ অক্টোবৰৰ পৰা ২০২০, ৩০ চেপ্টেম্বৰলৈকে)ৰ বাবে ৭৯.২ শতাংশ সফলতাৰে নূন্যতম সমৰ্থিত দাম (এমএছপি)ত ৩৫, ৬৪০.২২ মেট্ৰিক টন ধান সংগ্ৰহ কৰে। চলিত কেএমএছ ২০২০-২০২১ (২০২০, ১ অক্টোবৰৰ পৰা ২০২১, ৩০ চেপ্টেম্বৰলৈকে)ৰ বাবে, এএফচিএছচিএলে নূন্যতম সমৰ্থিত দাম (এমএছপি)ত ৫৯, ৭০১.৫ মেট্ৰিক টন ধান সংগ্ৰহৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে, আৰু ২০২১ ৰ ৪ জানুৱাৰী পৰ্যন্ত, মুঠ ১৫৯১.৮৪ মেট্ৰিক টন ধান ক্ৰয় কৰে।

**সাধাৰণ প্ৰশাসন ঃ**

প্ৰশাসনীয় সুবিধাৰ বাবে আৰু ৰাজহুৱা সেৱাৰ স্বাৰ্থত মাণ্ডলিক আয়ুক্তৰ কাৰ্যালয়, বৰাক উপত্যকা সংমণ্ডল বৰাক উপত্যকা ক্ষুদ্ৰ সচিবালয়ৰ অংশ হিচাপে শিলচৰলৈ স্থানান্তৰ কৰা হৈছে। স্বাস্থ্য পৰীক্ষাৰ উদ্দেশ্যৰে যোৱা লোকৰ উপযুক্ত থকাৰ ব্যৱস্থাৰ বাবে অসম ভৱন, ভেলোৰ (পৰ্যায়-১) সাজু কৰি তোলা হৈছে।

মোৰ চৰকাৰে পুডুচেৰীত এটা অসম ভৱন স্থাপন কৰিবৰ বাবে পিআইপিডিআইচি-ৰ পৰা এটা গৃহ ক্ৰয় কৰাৰ পৰিকল্পনা কৰিছে। জনতা ভৱনত কাম কৰা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ আবাসৰ বাবে ১৮৬০.০৫ লাখ টকাৰ আনুমানিক ব্যয়েৰে ৰুক্মিনী গাঁৱৰ ওচৰত তলৰ মহলাত পাৰ্কিঙৰ সৈতে এটা আৰচিচি আৱাসিক গৃহ (জি প্লাছ ৯)ৰ প্ৰক্ৰিয়া চলি আছে। জনতা ভৱনত কাম কৰা তৃতীয় বৰ্গৰ কৰ্মচাৰীসকলৰ বাবে ২৩৫৭.৭৫ লাখ টকাৰ আনুমানিক ব্যয়েৰে ৰুক্মিনী গাঁৱৰ ওচৰত তলৰ মহলাত পাৰ্কিঙৰ সৈতে এটা আৰচিচি আৱাসিক গৃহ (জি প্লাছ ৯)ৰ প্ৰক্ৰিয়া চলি আছে।

যান-জঁট হ্ৰাস কৰিবলৈ আৰু জনতা ভৱন চৌহদৰ ভিতৰত সকলো অভ্যাগতৰ বাবে সহজ প্ৰৱেশাধিকাৰৰ ব্যৱস্থা কৰিবলৈ ব্লক-বিৰ সন্মুখত ৫নং প্ৰৱেশদ্বাৰৰ ওচৰত এক বহুস্তৰীয় গাড়ী পাৰ্কিং নিৰ্মাণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। জনতা ভৱনৰ কৰ্মচাৰীসকলক দুৱাৰমুখতে আৰু ব্যয়সাধ্য মূল্যত তেওঁলোকৰ দৈনন্দিন ঘৰুৱা সামগ্ৰীসমূহ ক্ৰয় কৰাৰ ক্ষেত্ৰত সহায় কৰিবলৈ এখন ডিপাৰ্টমেণ্টেল ষ্ট'ৰ (সমবায়) স্থাপন কৰাৰ বাবে এটা প্ৰস্তাৱ ইতিমধ্যে পৰিকল্পনা কৰা হৈছে।

**গুৱাহাটী উন্নয়ন বিভাগ ঃ**

অতিমাৰী ঘোষণাৰ পাছতে তাৎক্ষণিকভাৱে, মোৰ চৰকাৰে ৩ মাৰ্চৰ পৰা ১৯ মাৰ্চলৈ ধাৰাবাহিকভাৱে ১৭ দিন মহানগৰৰ পৰা অকৰ্তৃত্বপ্ৰাপ্ত, অস্বাস্থ্যকৰ ব্যৱসায়সমূহ আঁতৰ/ছীল কৰিবৰ বাবে সমগ্ৰ নগৰখনত বৃহৎ হাৰত উচ্ছেদ অভিযান চলায়। মোৰ চৰকাৰে নগৰখনৰ প্ৰতিটো চুক আৰু কোণত নিয়মীয়াভাৱে বীজাণুমুক্ত কৰে আৰু সমগ্ৰ নগৰত বীজাণুমুক্ত কৰা ব্যৱস্থাত কোনো ছিদ্ৰ ৰখা হোৱা নাছিল আৰু বৃহত্তৰ গুৱাহাটীৰ সমূহ কোৱাৰেণ্টিন কেন্দ্ৰ, ক'ভিড পৰীক্ষা কেন্দ্ৰ, কনটেইনমেণ্ট জ'নক সামৰি লৈ সমূহ পথ আৰু উপপথসমূহ সফলতাৰে বীজাণুমুক্ত কৰা হয় আৰু এনে ধৰণৰ কাম বৰ্তমানেও চলি আছে। বীজাণুমুক্ত কৰাৰ লগতে, মোৰ চৰকাৰে মহানগৰখনক আন ৰোগৰ পৰা মুক্ত ৰখাটো নিশ্চিত কৰিবলৈ নগৰখনত ধোঁৱা দিয়া কামো কৰি আছে।

মহানগৰখনত বানপানীৰ প্ৰকোপ প্ৰশমিত কৰিবলৈ, জিএমচিৰ দ্বাৰা ২০১৯-২০২০ বৰ্ষত ১৫.৯৯ কোটি টকা ব্যয় কৰা হয়। প্ৰধান নদীপথসমূহকে

ধৰি নগৰখনৰ নলাসমূহ নিয়মীয়াভাৱে চোৰাচিতা আৰু পৰিষ্কাৰৰ কাম কৰা হয়। ইয়াৰ ফলত, জলমগ্ন হৈ থকা এলেকাসমূহ প্লাৱিত থকাৰ সময় উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে।

ঘৰে-ঘৰে গৈ আৱৰ্জনা সংগ্ৰহ সেৱা উন্নীত কৰিবলৈ, ২০০খন অট' টিপাৰ/ অট' ভেন ক্ৰয় কৰা হৈছে। বাহনসমূহে  নিগমক সেৱা আগঢ়োৱাত সহায় কৰিব। নগৰখনত আৱৰ্জনাৰ বিকেন্দ্ৰীকৃত ব্যৱস্থাপনা প্ৰক্ৰিয়া উন্নীত কৰিবলৈ, ছাত্ৰীবাৰীত এটা জৈৱ-মীথেনকৰণ প্ৰকল্প স্থাপন কৰা হৈছে। প্ৰকল্পটোত জৈৱিক আৱৰ্জনাৰ পৰা বিদ্যুৎ শক্তি উৎপাদন কৰি থকা হৈছে। বৰ্তমান, উৎপাদিত বিদ্যুৎ শক্তি প্ৰকল্পটোলৈ যোৱা পথত থকা ষ্ট্ৰীট লাইট জ্বলাবলৈ ব্যৱহাৰ কৰি থকা হৈছে।

ভিজা আৱৰ্জনাৰ পৰা পচন সাৰ উৎপাদন কৰিবলৈ ভঙাগড়ত এটা জৈৱিক আৱৰ্জনা ৰূপান্তৰক কেন্দ্ৰ (Organic Waste Converter (OWC)) স্থাপন কৰা হয়। এই কেন্দ্ৰৰ দ্বাৰা উৎপাদিত পচন সাৰৰ গুণাগুণ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। তদনুসাৰে, বৰাগাঁও আৱৰ্জনা পেলোৱা ক্ষেত্ৰত আৱৰ্জনাৰ বোজা হ্ৰাস কৰিবলৈ ভিজা আৱৰ্জনা ব্যৱস্থাপনাৰ বাবে মহানগৰখনৰ বিভিন্ন স্থানত আন ১৫টা জৈৱিক আৱৰ্জনা ৰূপান্তৰক (OWC) স্থাপনৰ বাবে নিবিদা আহ্বান কৰা হৈছে।

মহানগৰখনত ষ্ট্ৰীট লাইট ব্যৱস্থা উন্নীত কৰিবলৈ, ১৬৫টা পথ আৰু উপপথত ১৮০০টা নতুন এলইডি সংযোগ কৰা হৈছে।

গুৱাহাটী মহানগৰত কৃত্ৰিম বান প্ৰশমিত কৰিবলৈ, মোৰ চৰকাৰে ৬৪০.৯০ লাখ টকা ব্যয়ৰে ৪টা হাই ডিচছাৰ্জ পাম্পৰ সৈতে নুনমাটি পাম্প হাউচৰ নিৰ্মাণ সম্পূৰ্ণ কৰিছে। এই পাম্পসমূহৰ মাধ্যমেৰে সমগ্ৰ জ্যোতিনগৰ আৰু নুনমাটি এলেকাৰ বৰষুণৰ পানী বোন্দাজানলৈ নিষ্কাষিত কৰা হৈছে। জু-ৰোড এলেকাৰ বৰষুণৰ পানীৰ প্ৰৱাহ বোন্দাজানলৈ লৈ যোৱা বাবে জু-ৰোড আৰু সংলগ্ন এলেকাত কৃত্ৰিম বানো ইয়াৰ ফলত হ্ৰাস পাইছে।

২০২০ বৰ্ষৰ ৩০ নবেম্বৰত, অসমৰ মাননীয় মুখ্য মন্ত্ৰীয়ে কামাখ্যা বিতৰণ ক্ষেত্ৰৰ অধীনৰ ৪টা ডিষ্ট্ৰিক্ট মিটাৰিং এৰিয়া (DMAs)ৰ জেএনএনইউআৰএম-ৰ

অধীনৰ অভিলাষী দক্ষিণ পশ্চিম গুৱাহাটী জল বিতৰণ প্ৰকল্পৰ কাৰ্যকৰীকৰণৰ ১ম পৰ্যায় উদ্বোধন কৰে।

গুৱাহাটী গৃহ নিৰ্মাণ (আইন) উপবিধি ২০১৪ সংশোধিত আৰু অধিসূচীত কৰা হৈছে। এনে সংশোধনৰ জৰিয়তে, ২.৫ কঠা পৰ্যন্ত এটুকুৰা ভূমিত জি প্লাছ ২ পৰ্যন্ত আৱাসিক গৃহৰ বাবে গৃহ নিৰ্মাণৰ অনুমতি পেনেলত নাম থকা আৰটিপিৰ জৰিয়তে শীঘ্ৰে অনলাইনত জাৰি কৰা হ'ব। আৰ্থিকভাৱে দৰিদ্ৰ লোকৰ বাবে নূন্যতম ৪ লেচা ভূমিৰ বাবেও, সংশোধিত উপবিধি, ২০২০ অনুসৰি এই আঁচনিৰ অধীনত গৃহ নিৰ্মাণৰ অনুমতিৰ বাবে আপত্তি বিহীনতাৰ প্ৰামণপত্ৰ (এনঅ'চি) জাৰি কৰা হ'ব।

দক্ষিণ আৰু উত্তৰ গুৱাহাটীক সংযোগ কৰা গুৱাহাটী যাত্ৰী ৰজ্জুপথ (Ropeway), ২০২০ বৰ্ষৰ ২৪ আগষ্টত ৰাইজৰ বাবে উদ্বোধন কৰা হয়। জৰুৰীকালীন স্থানান্তৰণৰ বাবে নিজেই ঠেলি নিয়া অতিৰিক্ত উদ্ধাৰ বাহনৰ সৈতে এইয়া হ'ল ভাৰতৰ সবাতোকৈ দীঘল নদী অতিক্ৰমী আকাশী ট্ৰামৱে' ব্যৱস্থা। গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটীলৈ যাত্ৰাৰ সময় এতিয়া মাত্ৰ ৮ মিনিটলৈ হ্ৰাস পালে।

মোৰ চৰকাৰে ৫০৯.৪০ লাখ টকা ব্যয় মূল্যত এখন বৈদ্যুতিক শ্মশানথলী নিৰ্মাণৰ কাম উলুবাৰীৰ আৰ.কে. মিশ্যন পথত সম্পূৰ্ণ কৰে আৰু এইখন ইতিমধ্যে ২০২০ বৰ্ষৰ ১২ জুলাইত উদ্বোধন কৰা হয়।

গুৱাহাটী মহানগৰীত যান-জঁটৰ সমস্যা লাঘৱ কৰিবলৈ ১৪.৩৮ কোটি টকা প্ৰকল্প ব্যয়েৰে ৰাধা গোবিন্দ বৰুৱা পথৰ শ্ৰদ্ধাঞ্জলি কাননৰ সন্মুখত মোৰ চৰকাৰৰ দ্বাৰা এটা বহুস্তৰীয় স্বয়ংচালিত গাড়ী পাৰ্কিং নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্প সম্পূৰ্ণ হ'ল আৰু ৰাইজৰ বাবে মুকলি কৰা হ'ল। ইয়াত একেসময়তে ৩০২খন চাৰিচকীয়া বাহন আৰু ২৫খন দুচকীয়া বাহন ৰখাৰ সুবিধা আছে। এমএমচিএইচ চৌহদত মহাত্মা গান্ধী পথত বহুস্তৰীয় স্বয়ংচালিত গাড়ী পাৰ্কিঙৰ নিৰ্মাণৰ কামো প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

মোৰ চৰকাৰে অনলাইন প'ৰ্টেল www.gmdalsp.in ৰ জৰিয়তে অন্য এক নাগৰিক কেন্দ্ৰিক সেৱা আৰম্ভ কৰিছে।

ব্ৰহ্মপুত্ৰ নদীৰ দাঁতিকাষৰীয়া অংশৰ উন্নয়নৰ বাবে, মোৰ চৰকাৰে ১ম পৰ্যায়ত ১.৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ গছৰ শাৰীৰে সুশোভিত বহল খোজকঢ়া পথ, চাইকেল ট্ৰেক স্থাপন কৰিবলৈ লৈছে। জিএচচিএল-ৰ দ্বাৰা হাতত লোৱা অন্যান্য প্ৰকল্পসমূহ হ'ল ১৭.৪০ কোটি টকা আনুমানিক ব্যয়েৰে পাঞ্জাবাৰীত সংহত নিৰ্দেশ আৰু নিয়ন্ত্ৰণ কেন্দ্ৰ (আইচিচিচি)ৰ নিৰ্মাণ। ১০.৮৫ কোটি টকা আনুমানিক ব্যয়েৰে অশ্বক্লান্ত দেৱালয়ৰ উন্নয়নৰ বিস্তাৰিত প্ৰকল্প প্ৰতিবেদন (ডিপিআৰ) দাখিল কৰা হৈছে। একেদৰে, ১২.৯৮ কোটি টকা আনুমানিক ব্যয়েৰে উমানন্দ মন্দিৰৰ উন্নয়নৰ বাবেও ডিপিআৰ প্ৰস্তুত কৰা হৈছে। গুৱাহাটী মহানগৰীলৈ দুখন আদৰণি তোৰণ ক্ৰমে খানাপাৰা আৰু ধাৰাপুৰত নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

গুৱাহাটীৰ গীতানগৰৰ শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰত ১৫.৩১ কোটি টকা আনুমানিক ব্যয়েৰে সংগীত আৰু কলাৰ এখন বিদ্যালয়ৰ সৈতে একেলগে এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে। এচীয় উন্নয়নী বেংকে পুঁজিৰ যোগান ধৰা অসম নগৰীয়া আন্তঃগাঁথনি বিনিয়োগ কাৰ্যসূচী (AUIIP), দক্ষিণ গুৱাহাটী পূব পানী যোগান প্ৰকল্পৰ "পানী যোগান সংবহন মূল পাইপলাইনৰ নিৰ্মাণ আৰু সেই সম্বন্ধীয় কাৰ্য" আৰু "পানী অহা পথেৰে সৈতে বিভিন্ন ক্ষমতাৰ তিনিটা পানী সংৰক্ষণৰ জলাধাৰ নিৰ্মাণ আৰু সেই সম্বন্ধীয় কাৰ্য" নামৰ চুক্তি পেকেজৰ অধীনত, এতিয়ালৈকে ক্ৰমে ৮৯.৪৭ শতাংশ আৰু ৮১.৩৯ শতাংশ কায়িক অগ্ৰগতি সম্পন্ন হৈছে। ডিব্ৰুগড়ত এইউআইআইপি-এ এটা গোটা আৱৰ্জনা ব্যৱস্থাপনা প্ৰকল্প হাতত লৈছে যিটোৰ এতিয়ালৈকে ৯০.৬৬ শতাংশ অগ্ৰগতি হৈছে।

২০২০ চনৰ ডিচেম্বৰত দক্ষিণ, কেন্দ্ৰীয় আৰু উত্তৰ গুৱাহাটীক সামৰি জেআইচিএ-ৰ সাহায্যপ্ৰাপ্ত গুৱাহাটী পানী যোগান প্ৰকল্পৰ অধীনত, সামগ্ৰিক কায়িক অগ্ৰগতি হ'ল ৭০ শতাংশ আৰু বিত্তীয় অগ্ৰগতি হ'ল ৬৫ শতাংশ। ১৪টা ভূমি খণ্ড চিহ্নিত কৰা হৈছে আৰু জেআইচিএ-ই পুঁজিৰ যোগান ধৰা গুৱাহাটী পুতিজল প্ৰকল্পৰ বাবে বিকেন্দ্ৰীকৃত এচটিপি স্থাপন কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষৰপৰা প্ৰয়োজনীয় এনঅ'চি লাভ কৰা হৈছে।

বৰ্তমান সময়ত জেএনএনইউআৰএম প্ৰকল্প এলেকা (অৰ্থাৎ মালিগাঁও আৰু পাণ্ডুত) আৰু জেআইচিএ প্ৰকল্প এলেকা (অৰ্থাৎ ৰাজগড়ত)ত গৃহ সেৱা সংযোগৰ কাম চলি আছে। গুৱাহাটী মেট্ৰ'পলিটান খোৱাপানী আৰু পুতিজল ব'ৰ্ডে ইতিমধ্যে ১৮০০টা সংযোগ প্ৰদান কৰিছে।

ৰাভা আৰু তিৱা স্বায়ত্বশাসিত পৰিষদৰ অন্তৰ্ভূক্ত অঞ্চল ৰাভা আৰু তিৱা লোকসকলৰ বহুদিনীয়া ইচ্ছা পূৰণৰ বাবে অসম ৰাজ্যিক ৰাজধানী অঞ্চল উন্নয়ন প্ৰাধিকৰণ (ASCRDA) ৰ পৰা বহিৰ্ভূত কৰা হৈছে।

**হস্ততাঁত বস্ত্ৰ আৰু ৰেছম ঃ**

মোৰ চৰকাৰখনে ৰাজ্যিক খণ্ডৰ আঁচনিসমূহ আৰু কেন্দ্ৰীয়ভাৱে পৃষ্ঠপোষকতাপ্ৰাপ্ত / কেন্দ্ৰীয় খণ্ডৰ আঁচনিসমূহ উভয়ৰে অধীনৰ বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন কাৰ্যসূচীক (এন এইচ ডি পি) আঁচনিৰ অধীনত উন্নয়ন খণ্ড পৰ্যায়ৰ গুচ্ছ প্ৰকল্পসমূহ ৰূপায়ণ কৰা হৈছে। এটা উন্নয়ন খণ্ড এলেকাত থকা প্ৰায় ৩০০ ৰ পৰা ১০০০ পৰ্যন্ত শিপিনী হ'ল ইয়াৰ হিতাধিকাৰী। সা-সুবিধাসমূহ হ'ল ঃ- (১) বয়ন, ৰং বোলোৱাৰ আৰ্হি প্ৰস্তুতকৰণ, ব্যৱস্থাপনা সম্পৰ্কীয় আৰু তথ্য প্ৰযুক্তি বিষয়ত দক্ষতাৰ উন্নয়ন। (২) আনুষংগিক সা-সঁজুলি, তাঁতশাল, চেৰেকী আদিৰ যোগান আৰু স্থাপন। (৩) কামৰ বাবে নিজাববীয়া চালি। (৪) উমৈহতীয়া সেৱা কেন্দ্ৰৰ সৈতে উমৈহতীয়া সা-সুবিধা কেন্দ্ৰ। (৫) কাৰিকৰীভাৱে অৰ্হতা সম্পন্ন গুচ্ছ উন্নয়ন কাৰ্যবাহীৰ নিযুক্তিৰ ব্যৱস্থা। (৬) নক্সাকাৰক তথা বিপণন কাৰ্যবাহীৰ নিযুক্তি। (৭) বুনিয়াদী সমীক্ষা। (৮) পন্যৰ উন্নয়ন। মুঠ প্ৰকল্প ব্যয় ৯৬.৪৮ কোটি টকাৰে আৰু ৫২,৭৭২ হিতাধিকাৰীৰে অসমৰ বাবে ৫৯ টা প্ৰকল্প মঞ্জুৰ কৰা হৈছে।

শিপিনীসকলৰ অৰ্থনৈতিক উন্নতিৰ বাবে থকা আঁচনিৰ অধীনত ২৫০.০০ লাখ টকাৰ প্ৰাক্কলন সাপেক্ষে ২০০০ গৰাকী শিপিনীক সামৰি লৈ ২০১৮-১৯ বৰ্ষৰ সময়ছোৱাত ১০০ টা গোট কাৰ্যক্ষম কৰা হৈছে, ৫২৫.০০ লাখ টকাৰ ব্যয়ৰ প্ৰাক্কলন সাপেক্ষে ২৮০০ হস্ততাঁত শিপিনীক সামৰি লৈ ২০১৯-২০ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ২৮০ টা গোটক কাৰ্যক্ষম কৰি তোলা হৈছে আৰু ২০২০-২১ চলিত বিত্তীয় বৰ্ষটোৰ সময়ছোৱাত ৫৭০ গৰাকী হস্ততাঁত শিপিনীক

সামৰি লৈ ১৪২.৫০ লাখ টকা ব্যয়ৰ প্ৰাক্কলন সাপেক্ষে ৫৭টা গোটক নতুন শালৰ সা-সঁজুলি, দক্ষতা উন্নীতকৰণ, কেঁচামাল ইত্যাদিৰে সহায় কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

মোৰ চৰকাৰখনে বহনক্ষম উন্নয়ন আৰু বিশেষকৈ জনগোষ্ঠীয়, বৈচিত্ৰ্যময় আৰু বাৰেবৰণীয়া কাৰুকাৰ্যক সামৰি লোৱা হস্ততাঁত পৰম্পৰাৰ সংৰক্ষণৰ বাবে মাজুলীৰ বৰুণ চিতাদাৰ গাঁও আৰু ডিব্ৰুগড় জিলাৰ মৰাণৰ তেলীয়া পথাৰত হস্ততাঁত আদৰ্শ গাঁও নামৰ এখন নতুন আঁচনি লৈছে। ইয়াৰ বাবে ইতিমধ্যে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ সময়ছোৱাত ১৯৯.৯৩ লাখ টকা মঞ্জুৰ কৰা হৈছে আৰু ইয়াৰ ৰূপায়ণ চলি আছে। ২০১৯-২০ বিত্তীয় বৰ্ষত এই আঁচনিৰ ৰূপায়নৰ বাবে ২৬৩.০০ লাখ টকা মুকলি কৰা হৈছে আৰু এই বিত্তীয় বাজেটত ২৬৮.৮৫ লাখ টকা দিয়া হৈছে। “আৰ্টফেড” হ’ল এই প্ৰকল্পৰ ৰূপায়নকাৰী সংস্থা।

উৎপাদন, বিপণন আৰু ব্ৰেণ্ডৰ প্ৰচাৰৰ বাবে এখন মঞ্চ প্ৰদান কৰিবলৈ অসমৰ শিপিনীসকলক সামৰি সামগ্ৰিক প্ৰয়াসৰ বাবে শিপিনীসকলৰ গুচ্ছ / গোটসমূহলৈ প্ৰয়োজনভিত্তিক তথ্যপাতি আগবঢ়াবলৈ এক সামগ্ৰিক আৰু নমনীয় পদক্ষেপ লৈ থকা হৈছে। ‘হস্ততাঁত গুচ্ছ উন্নয়ন কাৰ্যসূচী’ (এইচ চি ডি পি) নামৰ এটা উদ্ভাৱনীমূলক আঁচনি আৰু তেনেধৰণেৰে ৬ (ছয়) টা প্ৰকল্পৰ বাবে ২০১৮-১৯ বিত্তীয় বৰ্ষৰ সময়ছোৱাত মুঠ ব্যয় ৩৯৯.৯১ লাখ আৰু ২০১৯-২০ বৰ্ষত ২০০.০০ লাখ টকা মঞ্জুৰ কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে ২০২০-২০২১ বৰ্ষৰ বাজেটত ১৪২.৫০ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্যখনৰ শিপিনী সমাজত আত্মনিয়োজনৰ সৃষ্টি কৰিবলৈ ২০১৯-২০২০ বিত্তীয় বৰ্ষত ১৫৪০.০০ লাখ টকাৰ বাজেট ব্যৱস্থাৰে ৫১৩৩ গৰাকী হস্ততাঁত শিপিনীক সামৰি লৈ ‘হস্ততাঁত শিপিনীসকলৰ বাবে আয় সৃষ্টিকাৰী প্ৰয়াস’ নামৰ এখন নতুন আঁচনি ৰূপায়ন কৰা হৈছে। ৩৮৯৪ গৰাকী হিতাধিকাৰীক উপকৃত কৰি ২০২০-২১ বিত্তীয় বৰ্ষৰ বাজেটত ১৪২৫.০০ লাখ টকাৰ ব্যৱস্থা কৰা হৈছে।

সঠিক দামত হস্ততাঁতত উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ প্ৰাথমিক বয়ন সমবায় সমিতি / আত্মসহায়ক গোট আৰু হস্ততাঁত উদ্যমীসকলক এখন বিপণন মঞ্চ প্ৰদান কৰিবলৈ ২০১৭-১৮ বৰ্ষত ৭৫.০০ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে

ডিব্ৰুগড় আৰু গোলাঘাটত ২ খন ৰাষ্ট্ৰীয় হস্ততাঁত মেলাৰ আয়োজন কৰা হয়, ২০১৮-১৯ বৰ্ষত ১১২.০০ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে ৪ খন ৰাষ্ট্ৰীয় হস্ততাঁত মেলা, ৮১.০০ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে ৩ খন ৰাজ্যিক পৰ্যায়ৰ হস্ততাঁত মেলা, ৭০ লাখ টকা প্ৰাক্কলিত ব্যয়েৰে ১৪খন জিলা পৰ্যায়ৰ মেলা, ৪০ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে নতুন দিল্লীত উত্তৰ-পূব মহোৎসৱ আৰু ২৫১.০০ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে ২খন শিপিনী সমাৰোহৰ আয়োজন কৰা হয়। ২০১৯-২০ বৰ্ষত ৫০.০০ লাখ টকাৰ প্ৰাক্কলিত ব্যয়েৰে ১খন আন্তঃৰাষ্ট্ৰীয় হস্ততাঁত মেলা ১৮০ লাখ টকা প্ৰাককলিত ব্যয়েৰে ৪ কন ৰাষ্ট্ৰীয় হস্ততাঁত মেলা, ১০৮ লাখ টকাৰ প্ৰাক্কলিত ব্যয়ৰে ৪খন বিশেষ হস্ততাঁত মেলা, ৰাষ্ট্ৰীয় হস্ততাঁত মেলা, ৮.৭৫ লাখ টকা প্ৰাক্কলিত ব্যয়েৰে ১০ খন 'গামোচা মেল' আৰু  ১৩ টা জিলা পৰ্যায়ৰ অনুষ্ঠান ৭৮.০০ লাখ টকা প্ৰাক্কলিত ব্যয়েৰে আয়োজন কৰা হয়।

ৰাজ্যখনৰ শিপিনীসকলক ৰাজসাহায্যযুক্ত হাৰত নিয়মিতভাৱে মানসম্পন্ন সূতা আগবঢ়াবলৈ ৰাজ্যখনত সূতা বেংক স্থাপনৰ আঁচনি ৰূপায়ণ কৰা হয়। ২০১৬-১৭ বৰ্ষত ৪০০.০০ লাখ টকা ব্যয়েৰে ৯ টা সূতা বেংক, ২০১৭-১৮ বৰ্ষত ৩৪৬.০০ লাখ টকা ব্যয়েৰে ৭ টা সূতা বেংক আৰু ২০১৮-১৯ বৰ্ষত ২৭০.০০ লাখ টকা ব্যয়েৰে ৬ টা সূতা বেংক স্থাপন কৰা হয়। এই পৰ্যন্ত সমগ্ৰ অসমতে মুঠ ৩৩ টা সূতা বেংক স্থাপন কৰা হৈছে।

মোৰ চৰকাৰখনে মুঠ ২০৬.১৮ লাখ টকাৰ প্ৰকল্প ব্যয়েৰে তিনিচুকীয়া জিলাৰ বাঘজান আৰু গটং এলেকাৰ ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে এটা বিশেষ প্ৰকল্প হাতত লৈছে আৰু সামৰি ল'বলগীয়া ৫০০ গৰাকী হিতাধিকাৰীৰ বাবে ২০২০-২১ বৰ্ষত ১২৩.০০ লাখ টকাৰ বাজেট ব্যৱস্থা ৰখা হৈছে।

সাজ-পোচাক হিচাপে পাটৰ ব্যৱহাৰ অসমৰ জনসাধাৰণৰ এক সাংস্কৃতিক পৰম্পৰা।মোৰ চৰকাৰখনে ইয়াৰ পৰ্যাপ্ত আন্তঃগাঁথনিৰে ৰেছম কৰ্মৰ সৈতে জড়িত তথা বহনক্ষম জীৱিকা আগবঢ়োৱাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা আৰু এই কাৰ্যৰ জৰিয়তে ৰাজ্যখনৰ অৰ্থনীতিলৈও বৰঙণি আগবঢ়াই থকা ৩.১০ লাখ কৃষকলৈ ব্যাপক সেৱা আগবঢ়াই আছে।

অসমে ভাৰতৰ মুঠ কেঁচা ৰেচম উৎপাদনৰ ৮২ শতাংশ মুগা কেঁচা ৰেচম আৰু ৬৫ শতাংশ এড়ী কেঁচা ৰেচমৰ বৰঙণি আগবঢ়াই আছে। ২০২০-২১ বৰ্ষৰ নৱেম্বৰ, ২০২০ ৰ ভিতৰত অসমে ৩৭৩৯ মেট্ৰিক টন এড়ী কেঁচা ৰেচম, ১৪২.২০ মেট্ৰিক টন মুগা কেঁচা ৰেচম আৰু ১১.৯০ মেট্ৰিক টন নুনি কেঁচা ৰেচম উৎপাদন কৰে। অসমৰ সোণালী ৰেচম মূগাৰ বাবে 'ভৌগোলিক চিহ্ন সূচক' (জি আই টেগ) ঘোষণা কৰা হৈছে।

মোৰ চৰকাৰখনে আঁচনি / প্ৰকল্পসমূহৰ সময়মতে হস্তক্ষেপন আৰু ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰেচম শিল্পক অসংগঠিত ঘৰুৱা কাম-কাজৰ পৰা বাণিজ্যিকভাৱে উপযোগী উদ্যোগলৈ ৰূপান্তৰিত কৰাৰ বাবে বিভিন্ন আঁচনি / প্ৰকল্প হাতত লৈছে। ২০২০-২১ বৰ্ষত ৰেছম শিল্পৰ উন্নয়নৰ বাবে চৰকাৰে এছ অ'পি ডি-জিৰ অধীনত ১৪৬৭.৯৭ লাখ টকাৰ আবণ্টন দিছে।

শুৱালকুছিৰ নুনি সূতা বেংকৰ জৰিয়তে ২০ শতাংশ ৰাজসাহায্যৰে নুনি সূতা আগবঢ়াই শুৱালকুছিৰ শিপিনীসকললৈ সহায় আগবঢ়োৱা হৈছে। ২০২০-২১ বৰ্ষত চৰকাৰে এচ অ'পি ডি-অ'ডি এছৰ অধীনত ৯.৫০ কোটি টকাৰ আবণ্টন দিছে। এই প্ৰকল্পই সামৰি লোৱা ৩৩৯২ গৰাকী শিপিনী আৰু হিতাধিকাৰীয়ে এই আঁচনিৰ পৰা যথেষ্ট লাভান্বিত হ'বলৈ সক্ষম হৈছে।

মহিলা সবলীকৰণৰ বাবে অৱলম্বী সা-সঁজুলি / আহিলা-পাতি ১০৪ গৰাকী অবিবাহিতা ৰেচম কৃষকলৈ আগবঢ়োৱা হয়।

উত্তৰ-পূব মাণ্ডলিক বস্ত্ৰশিল্প উন্নয়ন আঁচনিৰ (এনইআৰটিপিএছ) অধীনত এড়ী সূতা কটা কল এটা স্থাপন কৰাৰ বাবে ২১.৫৩ কোটি টকা আবণ্টনেৰে ৫ বিঘা ২ কঠা ১০ লেচাৰ এটা এলেকাক সামৰি বিশ্বনাথ জিলাৰ বৰগাঙত এটা কেন্দ্ৰীয় পুঁজিৰ আঁচনিৰ কাম চলি আছে।

এড়ী ৰেচম উদ্যোগৰ উন্নয়নৰ বাবে ২১.০০ কোটি টকা ব্যয় সাপেক্ষ এটা প্ৰকল্পৰে ১১১৬ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হৈছে।

মাজুলী জিলাত এড়ী ৰেচম উদ্যোগৰ বিকাশৰ বাবে কেন্দ্ৰীয় খণ্ডৰ এক আঁচনি 'ছিল্ক সমগ্ৰ'ৰ অধীনত ২৫০ গৰাকী হিতাধিকাৰীক সামৰি লৈ ৯.০৭ কোটি টকা ব্যয়ৰে এটা প্ৰকল্প ৰূপায়ণ কৰি থকা হৈছে।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ঃ**

বিশেষকৈ কোভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগটোৰ বাবে ২০২০ বৰ্ষটো আছিল প্ৰত্যাহ্বানমূলক। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে এই প্ৰত্যাহ্বানক সুযোগলৈ পৰিবৰ্তন কৰি সমগ্ৰ ৰাজ্যজুৰি সেৱাৰত চিকিৎসা মহাবিদ্যালয় আৰু অন্যান্য চিকিৎসালয়সমূহৰ সা-সুবিধা কৰি ইয়াৰ জনসাধাৰণৰ বাবে ব্যয়সাধ্য আৰু মানসম্পন্ন স্বাস্থ্য সেৱা আগবঢ়োৱাৰ বাবে নতুন নতুন কাৰ্যসূচী আৰু সেৱা প্ৰৱৰ্তন কৰিবলৈ বহু পদক্ষেপ লয়। মোৰ চৰকাৰখনে ৰাজ্যখনৰ সকলো নাগৰিকৰ সুস্থ জীৱন আৰু কল্যাণ সাধন নিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতি বদ্ধ।

চিকিৎসক - জনসংখ্যাৰ অনুপাত হ্ৰাস কৰিবলৈ মোৰ চৰকাৰখনে পৰ্যায়ক্ৰমে সমগ্ৰ ৰাজ্যখনতে চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লৈছে। সম্প্ৰতি ৰাজ্যখনত নতুনকৈ আৰম্ভ কৰা ডিফু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়কে ধৰি ৭(সাত) খন পূৰ্ণ পৰ্যায়ৰ চিকিৎসা মহাবিদ্যালয়, তিনিখন দন্ত চিকিৎসা মহাবিদ্যালয়, তিনিখন বি এছ চি নাৰ্ছিং কলেজ, তিনিখন ফাৰ্মাচী শিক্ষাৰ প্ৰতিষ্ঠান আৰু ৬ খন পেৰামেডিকেল ইনষ্টিটিউট চলি আছে। ধুবুৰী, নগাঁও, লখিমপুৰ, কোকৰাঝাৰ, নলবাৰী আৰু তিনিচুকীয়াত আন ছখন নতুন চিকিৎসা মহাবিদ্যালয় শীঘ্ৰে হ'ব। এই ছখন নতুন চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণকাৰ্য পূৰ্ণগতিত চলি আছে। এই ছখনৰ উপৰি কৰিমগঞ্জ, বিশ্বনাথ, চৰাইদেউ আৰু গোৱালপাৰাত আন চাৰিখন নতুন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় স্থাপনৰো যো-জা চলি আছে।

ৰাজ্যখনত কৰ্কট ৰোগৰ চিকিৎসাৰ সা-সুবিধা বৃদ্ধিৰ বাবে আছাম কেনছাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ (এএচিএফ) অধীনত বিভিন্ন পদক্ষেপ লোৱা হৈছে। গুৱাহাটীৰ ষ্টেট কেনছাৰ ইনষ্টিটিউটকে ধৰি ১০খন কৰ্কট ৰোগৰ চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে আৰম্ভ কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কেঞ্চাৰ শাখাৰ সৈতে সংলগ্ন "টাৰচিয়েৰি কেয়াৰ হস্পিটাল'ৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে।

জি এম চি এইচত ছুপাৰ স্পেচিয়েলিটী ব্লক-১ৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈছে আৰু জানুৱাৰী, ২০২১ৰ পৰা এই ব্লকতে কাৰ্ডিঅ'থ'ৰাচিক এণ্ড নিউৰ'ছায়েন্স চেণ্টাৰৰ কামকাজ আৰম্ভ কৰা হৈছে।

সকলো চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়তে অক্সিজেনৰ উপলব্ধতা বৃদ্ধি কৰিবলৈ তৰল মেডিকেল অক্সিজেন মজুত কৰিবলৈ ক্ৰায়'জেনিক টেংক আৰু অক্সিজেন উৎপাদন প্ৰকল্প স্থাপন কৰা হৈছে।

গুৱাহাটীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান 'এইমছ' স্থাপন অসমৰ স্বাস্থ্য সেৱা খণ্ডৰ বাবে অন্য এক মাইলৰ খুটি। গুৱাহাটীৰ ওচৰৰ চাংসাৰিত ইয়াৰ স্থায়ী চৌহদ নিৰ্মাণৰ কাম চলি আছে। চলিত বিদ্যায়তনিক বৰ্ষৰ পৰাই এটা অস্থায়ী চৌহদত ৫০ খন আসনেৰে এইমছ গুৱাহাটীৰ এমবিবিএছ কাৰ্যসূচীৰ প্ৰথমটো বেটছ আৰম্ভ হৈছে।

গুৱাহাটীৰ জালুকবাৰীত থকা চৰকাৰী আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় আৰু অসমৰ তিনিখন হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে টিএনইআইএফ আঁচনিৰ অধীনত মোৰ চৰকাৰখনে পুঁজি আবণ্টন দিছে। তেনেদৰে ২৯ টা অগ্ৰাধিকাৰমূলক কাম হাতত লোৱা হৈছে, যাৰ ভিতৰত ১৭ টাৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকীকেইটাৰ কাম চলি আছে। ইতিপূৰ্বৰে পৰাই চলি থকা ১০০ টা যোগ কেন্দ্ৰৰ উপৰি ৰাজ্যখনৰ উন্নয়ন খণ্ডসমূহত যোগ কেন্দ্ৰ স্থাপন কৰিবলৈ পুঁজিৰ ব্যৱস্থা কৰা হৈছে।

সকলোলৈকে চিটি স্কেন, এক্স-ৰে আৰু লেবৰেটৰী সেৱা আদি ৰোগ নিৰূপণ সেৱাৰ ন্যূনতম বিনামূলীয়া প্ৰকৰণৰ উপলব্ধতা নিশ্চিত কৰিবলৈ মোৰ চৰকাৰখনে 'মুখ্যমন্ত্ৰীৰ বিনামূলীয়া ৰোগ নিৰ্ণয় আঁচনি' গ্ৰহণ কৰিছে। সকলো বয়সতে মানুহৰ সুস্বাস্থ্য নিশ্চিত কৰিবলৈ মোৰ চৰকাৰে তলত দিয়া আঁচনিসমূহ গ্ৰহণ কৰিছে— (ক) মুখ্যমন্ত্ৰীৰ বিনামূলীয়া দৰৱ সেৱা। (খ) প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যসূচী। (গ) অসমৰ চাহ বাগিছা এলেকাৰ গৰ্ভৱতী মহিলাৰ মজুৰি ক্ষতিপূৰণ আঁচনি। (ঘ) জন্মৰে পৰাই হৃদৰোগ (চিএইচডি) থকা শিশুৰ বাবে বিনামূলীয়া অস্ত্ৰোপচাৰ। (ঙ) দুখীয়া পৰিয়ালৰ শিশুৰ বাবে ৰাজ্যখনৰ ভিতৰত আৰু বহিঃৰাজ্যত চিকিৎসা সেৱা আৰু পুঁজিৰ যোগান ধৰা আঁচনি 'স্নেহস্পৰ্শ'।

আয়ুস্মান ভাৰত আঁচনিৰ অধীনত প্ৰসূতি তথা শিশু স্বাস্থ্যৰ ক্ষেত্ৰত অসংক্ৰামক ৰোগৰ ক্ষেত্ৰত স্বাস্থ্য সেৱা, অত্যাৱশ্যকীয়া বিনামূলীয়া সেৱা আৰু জনসাধাৰণৰ ঘৰৰ ওচৰতে ৰোগ নিৰূপণ সেৱা আগবঢ়াবলৈ সমগ্ৰ ৰাজ্যতে ১৪৩৪ টা স্বাস্থ্য আৰু সুস্থতা কেন্দ্ৰসমূহ কাৰ্যক্ষম কৰি তোলা হৈছে।

মোৰ চৰকাৰখনে সাৰ্বজনীন ৰোগ প্ৰতিৰোধ কাৰ্যসূচীৰ (ইউআইপি) জৰিয়তে সম্পূৰ্ণ টীকাকৰণ সম্প্ৰসাৰণেৰে ৰাজ্যখনত শিশুৰ মৃত্যু আৰু ৰুগ্নতা হ্ৰাস কৰিবলৈ দায়বদ্ধ। অসমত এই কাৰ্যসূচীৰ অধীনত প্ৰতি মাহে ২৯,০০০ তকৈও অধিক টীকাকৰণ সত্ৰ অনুষ্ঠিত হৈছে।

২০১৪ চনৰ ২৭ মাৰ্চত অসমক পলিঅ' মুক্ত বুলি ঘোষণা কৰা হয় আৰু ইয়াক বাহাল ৰাখিবলৈ ২টা পৰ্বত ৰাষ্ট্ৰীয় টীকাকৰণ দিৱস পালন কৰা হয় আৰু লক্ষ্যৰ ৯৭.২৯ শতাংশ সাফল্যৰে ৪৫,৯৯,০৫৬ টি শিশুক টীকাকৰণ কৰা হয়।

অটল অমৃত অভিযান (এএএ) আঁচনিৰ অধীনত ৰাজ্যৰ ভিতৰত আৰু বহিঃৰাজ্যত থকা তালিকাভুক্ত চিকিৎসালয়সমূহত কৰ্কট ৰোগ, কাৰ্ডিঅ'ভাস্কুলাৰ ৰোগ, বৃক্ক ৰোগ, নৱজাতকৰ ৰোগ, নিউৰ'লজিকেল অৱস্থা, জুয়ে পোৰা, আইচিইউৰ চিকিৎসা, ট্ৰমা, ক্ৰিটিকেল কেয়াৰ, শিশু ৰোগ, শিশুৰোগৰ শল্য চিকিৎসা, জাপানীজ এনকেফেলাইটিজ তথা একিউট এনকেফেলাইটিজ আৰু পৰিপূৰক পেকেজেৰে চিকিৎসাৰ বাবে বিপিএল আৰু এপিএল ৰোগীলৈ ২.০০ লাখ টকা পৰ্যন্ত নগদবিহীন চিকিৎসা সেৱা আগবঢ়াই থকা হৈছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ ভিতৰত ৪৭খন আৰু ৰাজ্যখনৰ বাহিৰত ৪২খন চিকিৎসালয়কে ধৰি মুঠ ৮৯খন চিকিৎসালয়ক তালিকাভুক্ত কৰা হৈছে। অটল অমৃত অভিযান আঁচনিৰ অধীনত মুঠ ১,৬১,৭৮,৯৪৬ হিতাধিকাৰীক তালিকাভুক্ত কৰা হৈছে আৰু ১,৩৫,৭৭৮ হিতাধিকাৰীয়ে ইতিমধ্যে বিনামূলীয়া চিকিৎসা গ্ৰহণ কৰিছে। কোভিড-১৯ অতিমাৰীৰ সময়ত ২০২০ বৰ্ষৰ এপ্ৰিলৰ পৰা জুনলৈকে সময়ছোৱাৰ বাবে আঁচনিখনৰ অধীনত ১০৪খন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়কো অস্থায়ীভাৱে তালিকাভুক্ত কৰা হৈছে, যাতে অটল অমৃত অভিযান আঁচনিৰ অধীনত ৰোগীসকলে চিকিৎসা সুবিধাৰ পৰা বঞ্চিত নহয়।

যদিও অসমক কমকৈ এইচআইভি অধ্যুষিত ৰাজ্য হিচাপে বৰ্গীকৰণ কৰা হৈছে, ভাৰতৰ এই ৰোগৰ অধিক ব্যাপকতা থকা কেইখনমান ৰাজ্যৰ ই সমীপৱৰ্তী হোৱাৰ কথা বিবেচনা কৰি নতুনকৈ সংক্ৰমণৰ উৰ্বৰ ক্ষেত্ৰ হিচাপে ৰাজ্যখনক বিবেচনা কৰা হৈছে। মোৰ চৰকাৰখনে সেইবাবে ৰাজ্যখনত এইচআইভি আক্ৰান্ত লোকসকলৰ বাবে বিনামূলীয়া পৰিবহন আৰু পৰীক্ষা-নিৰীক্ষা, ৰাজ্যখনত ব্লাড বেংকৰ সবলীকৰণ আৰু উন্নীতকৰণ, এণ্টি-ৰেট্ৰ'ভাইৰেল থেৰাপী চেণ্টাৰৰ

বিকাশ সাধন, আইইচি উন্নয়নৰ দৰে এইডছ সম্পৰ্কীয় বিভিন্ন কাৰ্যকলাপ আৰু অসম এইডছ নিয়ন্ত্ৰণ সমিতিৰ কৰ্মচাৰীসকলৰ কল্যাণৰ বাবে পুঁজিৰ যোগান ধৰি আছে। মহিলাসকলৰ শুদ্ধিকৰণ গৃহত এইচআইভি প্ৰতিৰোধক মুকলি কৰা দেশৰ প্ৰথমখন ৰাজ্য হৈছে অসম।

**উচ্চ শিক্ষা ঃ**

মোৰ চৰকাৰখনে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ (আৰইউএছএ) অধীনত বিভিন্ন সাফল্য অৰ্জন কৰিছে ঃ

(১) ৫খন আদৰ্শ স্নাতক কলেজ নিৰ্মাণ কৰা হৈছে আৰু সেইবোৰত এতিয়া কামকাজ আৰম্ভ হৈছে আৰু অন্যান্য ৩ খন আদৰ্শ ডিগ্ৰী কলেজ চলিত বিদ্যায়তনিক বৰ্ষৰ পৰাই আৰম্ভ হৈছে।

(২) 'বিশ্ববিদ্যালয়সমূহলৈ আন্তঃগাঁথনি অনুদান' ৰ অধীনত ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ক আৰইউএছএ ১.০ ৰ সময়ছোৱাত ৪০ কোটি টকা আবণ্টন দিয়া হৈছে। এই অনুদানৰ দ্বাৰা ছাত্ৰী নিবাস, শৌচাগাৰ আৰু গৱেষণাগাৰ নতুনকৈ নিৰ্মাণ কৰা হৈছে, বিদ্যায়তনিক ভৱন, প্ৰশাসনিক ভৱন, হোষ্টেল, শৌচাগাৰ, পুথিভঁড়াল, স্মাৰ্ট ক্লাছৰুম, প্ৰেক্ষাগৃহ, কেণ্টিন, গৱেষণাগাৰ, কম্পিউটাৰ চেণ্টাৰ আৰু খেলপথাৰসমূহৰ নবীকৰণ কৰা হৈছে। এই দুয়োখন বিশ্ববিদ্যালয়তে কম্পিউটাৰ, গৱেষণাগাৰৰ সা-সঁজুলি, ই-জাৰ্ণেল ক্ৰয় কৰা হৈছে। পুনৰ আৰইউএছএ ২.০ ৰ সময়ত এই বিশ্ববিদ্যালয় দুখনে আন্তঃগাঁথনি সা-সুবিধাৰ অধিক উন্নয়নৰ বাবে ২০ কোটি টকাৰ পুঁজিৰো অনুমোদন লাভ কৰিছে।

(৩) 'বৰ্তমানৰ ডিগ্ৰী কলেজসমূহক আদৰ্শ ডিগ্ৰী কলেজলৈ উন্নীতকৰণ'ৰ অধীনত আৰইউএছএ ১.০ ৰ সময়ছোৱাত বৰ্তমানৰ মুঠ ৫ খন ডিগ্ৰী কলেজক 'আদৰ্শ ডিগ্ৰী কলেজ'লৈ উন্নীত কৰিবলৈ সেইবোৰত আন্তঃগাঁথনিমূলক সা-সুবিধা প্ৰদান কৰা হৈছে। আৰইউএছএ ২.০ ৰ সময়ছোৱাত ১২ খন মহাবিদ্যালয়ৰ প্ৰত্যেকখনলৈ ৪ কোটিকৈ টকাৰ অনুদানত অনুমোদন জনোৱা হৈছে।

(৪) 'সমতাৰ প্ৰয়াস'ৰ অধীনত ২ খন কলেজৰ ছাত্ৰী আৰু বিশেষভাৱে সক্ষম বিদ্যাৰ্থীলৈ বিনামূলীয়া বাছ সেৱা, ৪ খন মহাবিদ্যালয়লৈ অক্ষম ব্যক্তিৰ

সহায়ক সা-সুবিধা, ১১ খন মহাবিদ্যালয়লৈ পূৰ্ণ পৰ্যায়ৰ বিদ্যালয়ৰ সা-সুবিধা, ৩ খন মহাবিদ্যালয়লৈ পূৰ্ণ পৰ্যায়ৰ বিদ্যালয়ৰ টি অ'টি আৰু ১২ খন মহাবিদ্যালয়ত ভাষা গৱেষণাগাৰ প্ৰতিষ্ঠা কৰা হৈছে।

(৫) 'শিক্ষকৰ উন্নয়ন'ৰ বাবে শিক্ষক প্ৰশিক্ষণ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ বুনিয়াদী আন্তঃগাঁথনি উন্নয়ন - গুৱাহাটী বিশ্ববিদ্যালয়ৰ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰলৈ ৭ কোটি টকাৰ অনুমোদন জনোৱা হৈছে।

মোৰ চৰকাৰখনে আৰইউএছএ ৰ অধীনত ২টা অসমীয়া ইউনিক'ড ফণ্ট বিকশাই তুলিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে, ইয়াক ৱেবছাইট, মোবাইল ফোন, এম এছ অফিচ, ই-মেইল ইত্যাদিত কোনো যুক্তাক্ষৰজনিত ভুল অবিহনে বিনামূলীয়াকৈ ব্যৱহাৰ কৰিব পৰা যাব। চৰকাৰে ইয়াৰে এটা ফণ্টৰ নাম 'ঊষা' ৰাখিবলৈ সিদ্ধান্ত লৈছে।

'জ্ঞান দীপিকা' আঁচনিৰ অধীনত মোৰ চৰকাৰখনে ২০১৯-২০ বৰ্ষ তলত দিয়া আঁচনিসমূহ ৰূপায়ণ কৰিছে ঃ

(১) মাচুল ৰেহাই আঁচনিৰ অধীনত ৭৭২৩.১৩ লাখ টকা মুকলি কৰি দিছে আৰু ১,৮৯,৪৩৪ সংখ্যক দৰিদ্ৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰী ইয়াৰ দ্বাৰা উপকৃত হৈছে।

(২) ছাত্ৰাবাসৰ আবাসীৰ মেছ ভৰণিৰ ৰাজসাহায্য হিচাপে ৯৩৮.৯৮ লাখ টকা মুকলি কৰি দিয়া হৈছে আৰু ইয়াৰ দ্বাৰা ১৩,৪১৪ জন ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

(৩) প্ৰাক স্নাতক পৰ্যায়ৰ ৬৭,৫৩১ জন ছাত্ৰ-ছাত্ৰীৰ কিতাপ ক্ৰয়ৰ অনুদান হিচাপে ৬৭৫.৩১ লাখ টকা মুকলি কৰি দিয়া হৈছে। সংখ্যালঘু ছাত্ৰীৰ জলপানি হিচাপেও চৰকাৰে ১৮.৬৪ লাখ টকা মুকলি কৰি দিছে আৰু ইয়াৰ দ্বাৰা ২০৩ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

তদুপৰি আন্তঃগাঁথনি উন্নয়নৰ বাবে বিশ্ববিদ্যালয় সমূহলৈ আৰ্থিক সাহায্য হিচাপে ২২৩৩.৮৫ লাখ টকা মুকলি কৰি দিছে। ক্ৰীড়াৰ বাবদ ৬ খন বিশ্ববিদ্যালয়লৈ ৮০.০০ লাখ টকা অনুদান হিচাপে মুকলি কৰি দিয়া হৈছে। শ্ৰীমন্ত শংকৰদেৱ আসন স্থাপন কৰিবলৈ পঞ্জাৱ বিশ্ববিদ্যালয়লৈ ৫০০.০০ লাখ

টকা মুকলি কৰি দিয়া হৈছে। গৱেষণাগাৰ সা-সৰঞ্জাম / ৰসায়নিক সামগ্ৰী ক্ৰয়ৰ বাবে বিজ্ঞান শাখাৰ কলেজসমূহলৈ অনুদান হিচাপে ২৬৪.৪০ লাখ টকা মুকলি কৰি দিয়া হৈছে। ছাত্ৰী জিৰণী কোঠাৰ সা-সুবিধাৰ বাবে ৩০২ খন চৰকাৰী আৰু প্ৰাদেশীকৃত মহাবিদ্যালয়লৈ প্ৰত্যেককে ১.০০ লাখ টকাকৈ বিত্তীয় অনুদান মুকলি কৰি দিয়া হৈছে।

**পাৰ্বত্য অঞ্চল উন্নয়ন ঃ**

অসমৰ পাহাৰীয়া অঞ্চলসমূহত বহনক্ষম উন্নয়নসহ শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাত মোৰ চৰকাৰ সম্পূৰ্ণৰূপে অংগীকাৰবদ্ধ। এই অঞ্চলসমূহৰ জনসাধাৰণক প্ৰাথমিক সা-সুবিধা প্ৰদানৰ দ্বাৰা জীৱনধাৰণৰ মান উন্নত কৰিব বিচৰা হৈছে।

২০২০-২০২১ বৰ্ষৰ বাবে অগ্ৰাধিকাৰভিত্তিক উন্নয়নৰ বাবে ৰাজ্যিক পুঁজি যোগান (SFPD)ৰ অধীনত মোৰ চৰকাৰে অসমৰ পাহাৰীয়া অঞ্চলসমূহৰ উন্নয়নৰ বাবে ৫,৮৭,১৮.৪৪লাখ টকাৰ  ধন আবণ্টনৰ ব্যৱস্থা কৰিছে। এই ধনত ৰাজ্যৰ নিজা অগ্ৰাধিকাৰ ভিত্তিক উন্নয়ন (এছ এফ ডি পি)ৰ অধীনৰ পুঁজি আৰু কেন্দ্ৰীয় অংশ অন্তৰ্ভুক্ত হৈছে । উক্ত ধন ৰাশিৰ ৪,১২,৬৭.২০ লাখ টকা কাৰ্বি আংলং স্বায়ত্ত্বশাসিত পৰিষদ(KAAC)ৰ অঞ্চলৰ বাবে আৰু ১,৭৪, ৫১.২৪ লাখ টকা উত্তৰ কাছাৰ স্বায়ত্ত্বশাসিত পৰিষদ (NCHAC)-অধীনৰ অঞ্চলৰ বাবে ধাৰ্য কৰা হৈছে।

ডিফুত অসম  পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান উদ্বোধন কৰা হৈছে। বাগৰি প্ৰৱেশ স্থলত পৰ্যটক ল'জৰ উন্নয়নৰ কাম সম্পূৰ্ণ কৰা হৈছে। তদুপৰি কাৰ্বি আংলং জিলাত উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিসমূহৰ (NESIDS) অধীনত গড়কাপ্তানী আৰু স্বাস্থ্য আদি খণ্ডত বিভিন্ন আঁচনি ৰূপায়নৰ প্ৰস্তাৱ উত্থাপন কৰা হৈছে। ইয়াৰ লগতে কাৰ্বি আংলং স্বায়ত্ত্বশাসিত পৰিষদে পশ্চিম কাৰ্বি আংলং জিলাত বিজ্ঞান শাখাৰ বাবে এখন চৰকাৰী মহাবিদ্যালয় আৰু এখন বি এড কলেজ স্থাপনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিছে । লগতে পৰিষদে হামৰেণত এখন চৰকাৰী কলেজ, ডিফুত এখন চৰকাৰী আইন মহাবিদ্যালয়, ডেইথৰত পণ্ডিত দীনদয়াল উপাধ্যায় মডেল ডিগ্ৰী কলেজ, লংনিটত নতুন বজাৰৰ মহকুমা অসামৰিক চিকিৎসালয়ক জিলা চিকিৎসালয়লৈ উন্নীতকৰণ, ডিফুত তাৰকাগৃহ নিৰ্মাণ আদিৰ প্ৰস্তাৱো উত্থাপন কৰিছে ।

চি আই ডি এফৰ অধীনত অনুমোদিত চৰকাৰী ২০টা প্ৰকল্পৰ ভিতৰত হাফলং বজাৰ, নগৰৰ সৌন্দৰ্যবৰ্ধিতকৰণৰ কাম, হাফলং হ্ৰদৰ পৰা আৱৰ্জনা মিহলি পানী উলিয়াই পঠিওৱাৰ বাবে পদপথসহ আৰ চি চি পদপথসহ হাফলং নগৰত নলা-নৰ্দমা (২.০০মি ২.০০মি), হাফলং নগৰত পৃথক শাৰীৰ নলা-নৰ্দমা নিৰ্মাণৰ কামত উত্তৰ-কাছাৰ স্বায়ত্বশাসিত পৰিষদ (NCHAC)-এ অনুমোদন জনাইছে ।

**গৃহ আৰু ৰাজনৈতিক ঃ**

জনসাধাৰণৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত ক্ৰিয়া কৰা সমস্যাসমূহ সমাধানৰ উদ্দেশ্যে অসম আৰক্ষীক স্মাৰ্ট পুলিচত পৰিণত কৰাৰ বাবে মোৰ চৰকাৰে চেষ্টা কৰিছে। স্মাৰ্ট পুলিচৰ অৰ্থ হৈছে কঠোৰ আৰু সংবেদনশীল (Smart and sensitive), আধুনিক আৰু গতিশীল-তৎপৰ (Modern and mobile), সতৰ্ক আৰু দায়বদ্ধ (Alert and accountable), আস্থাযোগ্য, সঁহাৰিদায়ক (Reliable and responsive) আৰু সৰ্বশেষত প্ৰশিক্ষিত আৰু প্ৰযুক্তি প্ৰয়োগত সিদ্ধহস্ত (techno-savy) হয়।

নাগৰিকত্ব সংশোধনী বিধেয়ক/আইন, ২০১৯ বিৰোধী আন্দোলনৰ সময়ত সমগ্ৰ ৰাজ্যত আইন-শৃংখলা আৰু শান্তি অটুট ৰখাত অসম আৰক্ষীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। 'কা' ৰ সৈতে সম্পৰ্কিত গোচৰসমূহৰ তদন্তত দিক-নিৰ্দেশনা দিয়া, তদাৰক কৰা আৰু পুনৰীক্ষণৰ বাবে তথা হিংসাত্মক প্ৰতিবাদ প্ৰতিৰোধৰ উদ্দেশ্যে বিশেষ তদাৰকী টাস্ক ফ'ৰ্চসমূহ (Special Supervision Task Forces) গঠন কৰা হৈছে।

চৰকাৰে জাৰি কৰা নিষেধাজ্ঞা আৰু নিয়ন্ত্ৰণবিধিসমূহ বলবৎৰ ক্ষেত্ৰত অসম আৰক্ষীয়ে উৎকৃষ্টতম সেৱা আগবঢ়াই আহিছে । তদুপৰি কৰ'নাৰ প্ৰাদুৰ্ভাৱ ঘটাৰ সময়ত অসম আৰক্ষীয়ে ৰাজ্যখনত এই ৰোগৰ সংক্ৰমণ ৰোধৰ উদ্দেশ্যে কণ্টেইনমেণ্ট ব্যৱস্থাৱলী কঠোৰভাবে বলৱৎ কৰে।

মোৰ চৰকাৰে আৰক্ষীক অধিক সঁহাৰিদায়ক, প্ৰযুক্তি ব্যৱহাৰত সিদ্ধহস্ত (tech-savy) আৰু জনতাৰ প্ৰতি বন্ধুত্বসুলভ আচৰণৰ অধিকাৰী কৰি তোলাৰ উদ্দেশ্যে যোৱা বছৰ ৰাজ্যৰ আৰক্ষী থানাসমূহৰ সামগ্ৰিক উন্নয়নৰ বাবে "মৈত্ৰী'

(Mission for Overall Improvement of Thana for Responsive Image) শীৰ্ষক এক অভিযানমূলক আঁচনি আৰম্ভ কৰে। ইয়াৰ সৈতে নাগৰিকক বন্ধুত্বসুলভ মানসিকতাৰে সেৱা আগবঢ়াবৰ বাবে আৰক্ষী থানাসমূহৰ উন্নয়ন সাধনৰ লক্ষ্য নিহিত আছে।

স্মাৰ্ট আৰক্ষী গঢ়াৰ (Smart Policing) লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্যে মোৰ চৰকাৰে গোলাঘাট জিলাৰ দেৰগাঁৱত এখন বিশ্বমানৰ অসম আৰক্ষী প্ৰশিক্ষণ একাডেমী নিৰ্মাণত গুৰুত্ব প্ৰদান কৰি আছে। এই বিত্তীয় বৰ্ষত উক্ত আৰক্ষী একাডেমী নিৰ্মাণৰ বাবে ১৬৭.০০কোটি টকাৰ প্ৰশাসনীক অনুমোদন জনোৱা হৈছে। ভাৰত চৰকাৰৰ অধীনৰ ERSS প্ৰকল্পৰ অন্তৰ্গত SERCৰ কামসমূহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে।

তিনি দশকতকৈও অধিক সময় ৰাজ্যখনে বিদ্ৰোহীৰ বিৰুদ্ধে যুঁজ দি আছে। ৰাজ্যখনত ইউনিফাইড কমাণ্ড ব্যৱস্থাই লোৱা নিৰৱচ্ছিন্ন বিদ্ৰোহীবিৰোধী অভিযানকে ধৰি চাৰিটা ব্যৱস্থাযুক্ত ৰণকৌশল (four-pronged strategy) ঃ আত্মসমৰ্পণ তথা পুনৰ সংস্থাপন, শান্তি প্ৰক্ৰিয়া আৰু গুপ্তচৰৰ অভিযানে উগ্ৰপন্থী সমস্যা মোকাবিলা কৰাত উল্লেখনীয় সফলতা অৰ্জন কৰিছে। ২০২০ বৰ্ষত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ বৃহৎসংখ্যক দুৰ্ধৰ্ষ নেতা-কৰ্মীয়ে আত্মসমৰ্পণ কৰে। বৰ্তমান ১১ টা উগ্ৰপন্থী সংগঠনে যুদ্ধবিৰতি চুক্তিত স্বাক্ষৰ কৰিছে। এই উগ্ৰপন্থী সংগঠনসমূহৰ সৈতে আলোচনা সঠিক দিশত আগবাঢ়িছে।

ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বড়ো সংগঠনসমূহৰ মাজত ২০২০ ৰ ২৭জানুৱাৰীত স্বাক্ষৰিত বিটিআৰ চুক্তি আছিল এক বৃহৎ সফলতা । এই MoS স্বাক্ষৰৰ পাচত এন ডি এফ বি সংগঠনসমূহ ক্ৰমে এন ডি এফ বি(পি), এন ডি এফ বি(আৰ ডি) আৰু এন ডি এফ বি(এছ)ৰ সৰ্বমুঠ ১,৬১৫ নেতা-সদস্যই ২০২০ৰ ৩০জানুৱাৰীত অসম চৰকাৰৰ আগত সামুহিক আত্মসমৰ্পণ কৰে আৰু তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ, বিস্ফোৰক আদি জমা দিয়ে।

সন্ত্ৰাসমুক্ত অসম পদক্ষেপৰ দিশে সাহসী খোজৰূপে চাৰিটা (৪) উগ্ৰপন্থী গোট ক্ৰমে আলফা(স্বাধীন)ৰ ১৮জন, ইউ পি আৰ এফৰ ৩২জন, ডি এন এল এৰ ১৩ জন আৰু পি ডি চি কেৰ এজন আৰু 'আলফা'ৰ স্বয়ম্ভু উপ-মুখ্য সেনাধ্যক্ষকে

ধৰি ৬৪জন নেতা-কৰ্মীয়ে ২০২০ৰ ২১ডিচেম্বৰত অসম চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰে।

কেন্দ্ৰীয় চৰকাৰৰ আত্মসমৰ্পণ তথা পুনৰ সংস্থাপন নীতিৰ অধীনত বিভিন্ন উগ্ৰপন্থী সংগঠনৰ ৩,৭০২জন আত্মসমৰ্পণকাৰী কেডাৰে মাহিলী ৬,০০০ টকাকৈ পাৰিতোষিক লাভ কৰি আছে। তদুপৰি উক্ত আঁচনিৰ অধীনত বিভিন্ন সংগঠনৰ ১,৩৫৩জন কেডাৰৰ প্ৰত্যেকলৈ এককালীন সাহায্যৰূপে চাৰি লাখকৈ টকা মুকলি কৰি দিয়া হৈছে। আনহাতে, অসম চৰকাৰৰ পৃষ্ঠপোষকতাৰ ‘স্বাৱলম্বন আঁচনি’ৰ অধীনত বিভিন্ন সংগঠনৰ১৮০০ কেডাৰক দক্ষতা উন্নয়ন (Skill development)ৰ প্ৰশিক্ষণ দিয়া হৈছে। এইসকল কেডাৰৰ ১,১৯২জনক ইতিমধ্যে ক্ষুদ্ৰ পাম স্থাপন, মীনপালন, গাহৰিপালন, হাঁহ-কুকুৰা পালন আৰু অন্যান্য ক্ষুদ্ৰ ব্যৱসায় আদিৰে স্ব-নিয়োজন আৰু উদ্যমিতা বিকাশ সাধনৰ বাবে এক লাখকৈ টকা লাভ কৰি উপকৃত হৈছে।

ইউনিচেফ আৰু উৎসাহ (UTSAH)- এন জি অ’ৰ অংশীদাৰিত্বৰে অসম আৰক্ষীৰ শিশু মিত্ৰ কৰ্মসূচী হৈছে শিশুৰ বাবে বন্ধুত্বপূৰ্ণ (Child friendly policing) আৰক্ষী ব্যৱস্থা গঢ়ি তোলাৰ এক একক পদক্ষেপ। এই কৰ্মসূচীৰ উপাদানসমূহ হৈছে শিশুক সহায়ৰ বাবে উপস্থিত হোৱা, আৰক্ষী বিষয়াবৰ্গৰ কৰ্ম-ক্ষমতা গঢ় দিয়া, শিশু-সুৰক্ষা আৰু শিশু মিত্ৰ সমল কেন্দ্ৰ সম্পৰ্কত সজাগতা সৃষ্টি কৰা। এই কেন্দ্ৰই শিশুৰ সৈতে জড়িত গোচৰসমূহৰ মোকাবিলাৰ ক্ষেত্ৰত সমগ্ৰ ৰাজ্যৰ তদন্তকাৰী বিষয়াবৰ্গক কাৰিকৰী সহায় আগবঢ়ায়।

২০২০ ৰ এক অক্টোবৰত অসম আৰক্ষী দিৱসত শিশু মিত্ৰ সমল কেন্দ্ৰ মুকলি কৰা হয়। বিশ্ব শিশু দিৱসৰ দিনা (২০২০ ৰ ২০ নৱেম্বৰত) এই কেন্দ্ৰ কাৰ্যক্ষম কৰা হয়।

ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় ই-গৱৰ্নেন্স পৰিকল্পনাৰ অধীনত ২০০৮ বৰ্ষত কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অভিযানমূলক প্ৰকল্পৰ হিচাপে (Mission mode project) CCTNS প্ৰকল্প মুকলি কৰে। ইয়ে সকলো আৰক্ষী থানাৰ সৈতে অপৰাধ তথা অপৰাধীৰ তথ্য আদান-প্ৰদান কৰা, আন্তঃৰাজ্যিক অপৰাধী চিনাক্তকৰণৰ বাবে NAFIS উপলব্ধ কৰা, তথ্যৰ ডিজিটেলকৰণ আদিৰ বাবে আৰক্ষীক অপৰাধ তাৎক্ষণিকভাৱে চিনাক্তকৰণত সহায় কৰি আহিছে।

CCTNS ৰ জৰিয়তে পাৰপত্ৰ আৰক্ষীৰ পৰীক্ষণ উপলব্ধ কৰা অসম হৈছে ভাৰতৰ প্ৰথমখন ৰাজ্য।

সন্দেহযুক্ত বিদেশী আৰু অনুপ্ৰৱেশকাৰী চিনাক্তকৰণ, বাছি উলিওৱা আৰু বহিষ্কৰণৰ উদ্দেশ্য মোৰ চৰকাৰে অসম আৰক্ষীৰ সীমান্ত সংস্থাৰ জৰিয়তে আৰু ইয়াৰ ই-গৱৰ্ণেন্স ব্যৱস্থাৰ দ্বাৰা বিদেশী ন্যায়াধিকৰণসমূহত আৰু সীমান্ত আৰক্ষীত বৰ্তমানৰ হাতেৰে প্ৰস্তুত কৰা তথ্যাদি ডিজিটেলকৰণ বা তথ্য-প্ৰযুক্তি প্ৰয়োগ কৰা হৈছে। এই ব্যৱস্থাই এজন বিদেশী চিনাক্তকৰণৰ পৰা আৰম্ভ কৰি সমগ্ৰ বিচাৰ প্ৰক্ৰিয়া আৰু বিদেশী প্ৰত্যৰ্পণলৈকে বিদেশী ন্যায়াধিকৰণ আৰু সীমান্ত আৰক্ষী সংস্থাত এণ্ড টু এণ্ড ছিষ্টেম স্বয়ংচালিত কৰি তুলিব। আই টি স্বয়ংচালিতকৰণ প্ৰক্ৰিয়া (IT automation) ই বিদেশী ন্যায়াধিকৰণসমূহ, গৃহ বিভাগ, সীমান্ত আৰক্ষী, ৰাজ্যিক নিৰ্বাচন আয়োগ আৰু বন্দী শিৱিৰসমূহৰ লেখীয়া বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ সৈতে জড়িতসকলক উপকৃত কৰিব।

UHF ডিজিটেল ৰেডিঅ' কমিউনিকেচনৰ সকলো সুবিধা আৰু সেৱা উপলব্ধ কৰাৰ বাবে ডিজিটেল প্লেটফৰ্মত পৰিণত কৰাৰ উদ্দেশ্য গুৱাহাটী আৰক্ষী আয়ুক্তালয়ত ৱায়াৰলেছ কমিউনিকেচন নেটৱৰ্কৰ কাম আগবঢ়াই থকা হৈছে ।

মোৰ চৰকাৰে উন্নত অগ্নিনিৰ্বাপন সঁজুলি (এডভান্স ৰেস্কিউ টেণ্ডাৰ), ফেন ওলোৱা অগ্নিনিৰ্বাপন সঁজুলি (ফোম টেণ্ডাৰ), খৰতকীয়া অগ্নিকাণ্ড প্ৰতিৰোধ ব্যৱস্থা (কুইক ৰেছপন্স টেণ্ডাৰ) ইনফ্লেটেবল ৰাবাৰ ব'ট, ফায়াৰ প্ৰক্সিমিটী ছ্যুট, ৱাটাৰ ছ্যুট, ছেফটী হেলমেট, এৰিয়েল হাইড্ৰ'লিক প্লেটফ'ৰ্ম, পেট্ৰ'লচালিত হাই প্ৰেছাৰ ব্ৰীডিং এয়াৰ কম্প্ৰেছৰ আদিৰ লেখীয়া প্ৰয়োজনীয় অগ্নিনিৰ্বাপন সঁজুলি তথা সন্ধান আৰু উদ্ধাৰ অভিযানত ব্যৱহাৰ কৰা আহিলা ১০৫.০৮ কোটি টকাৰে ক্ৰয় কৰিছে আৰু উত্তৰ গুৱাহাটীৰ ছিলাৰ আৰ টি চিত য়াৰ্ড হাইড্ৰেণ্ট ছিষ্টেম স্থাপন কৰিছে।

এই সময়ছোৱাত অসমৰ বিভিন্ন স্থানত ১৮টা অগ্নিনিৰ্বাপন কেন্দ্ৰ (F & ES) আৰু উত্তৰ গুৱাহাটীৰ ছিলাত এছ ডি আৰ এফৰ (কোম্পানী) আৰ টি চি (RTC)-ৰ মুখ্য কাৰ্যালয় স্থাপন কৰা হৈছে ।

মোৰ চৰকাৰে ৰাজ্যখনৰ বিভিন্ন স্থানত সংঘটিত ১৭,৭১৯টা অগ্নিকাণ্ড নিৰ্বাপন কৰে আৰু প্ৰায় ২,৩২৯কোটি টকাৰ সা-সম্পত্তি ৰক্ষা কৰে ।বানপানীৰ

সময়ত এই বিভাগে ৯,০৩৬টা মানৱ জীৱন আৰু ৪০৫টা অন্যান্য প্ৰাণীৰ জীৱন হানি হোৱাৰ পৰা ৰক্ষা কৰে আৰু লগতে বানৰ পানী আৰু ভূমিস্খলনত পোত যোৱা আদিৰ পৰা ২৭৪টা মৃতদেহ উদ্ধাৰ কৰে ।

এই সময়ছোৱাত ভাৰতৰ মহামান্য ৰাষ্ট্ৰপতিয়ে দেশৰ স্বাধীনতা দিৱসত অগ্নিনিৰ্বাপন বাহিনীৰ ১২ (বাৰ)জন লোকক উল্লেখনীয় / কৃতিত্বপূৰ্ণ সেৱাৰ পদক প্ৰদান কৰে। একেদৰে উক্ত সময়ছোৱাত দেশৰ ৰাষ্ট্ৰপতিয়ে গণৰাজ্য দিৱস উপলক্ষে অগ্নিনিৰ্বাপক বাহিনীৰ ১১জন লোকক উল্লেখনীয় / কৃতিত্বপূৰ্ণ সেৱাৰ পদক প্ৰদান কৰে ।

**উদ্যোগ আৰু বাণিজ্য ঃ**

অসম আছিয়ান আৰু বি বি এন ৰাষ্ট্ৰসমূহৰ নিকটত অৱস্থিত হোৱাৰ কথা বিবেচনা কৰি ৰাজ্যখনক এক বিনিয়োগ ক্ষেত্ৰত পৰিণত কৰাৰ উদ্দেশ্য ইতিহাসত প্ৰথমবাৰৰ বাবে ২০১৮ ৰ ৩ আৰু ৪ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছাম শীৰ্ষক গোলকীয় বিনিয়োগ শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হয়। মাননীয় প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰা উক্ত বিনিয়োগ সন্মিলনত ২৫খন দেশৰ প্ৰতিনিধিয়ে অংশ লয়। এই সন্মিলনৰ সময়ছোৱাত ৭৯হেজাৰ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি থকা ২৬৩ খন বুজাবুজিৰ চুক্তি (MoU) সম্পন্ন হয়। এইসমূহ ৰূপায়নৰ বিভিন্ন পৰ্যায়ত আছে।

ৰাজ্যখনত ব্যৱসায় কৰাটো সহজ কৰাৰ উদ্দেশ্য চৰকাৰে Ease Of Doing Business আইন (EODB Act,2016),২০১৬ ৰূপায়ন আৰু ৩৪টা বিভাগৰ ৪৬৫ সেৱাৰ প'ৰ্টেলৰ দ্বাৰা এক যুগান্তকাৰী সংস্কাৰ সাধন কৰিছে। এতিয়ালৈকে ১.১৭লাখ আবেদন পত্ৰ পোৱা হৈছে আৰু ৭৫ হেজাৰৰো অধিক আবেদনপত্ৰত অনুমোদন জনোৱা হৈছে।

ৰাজ্যখনৰ নিবনুৱা সমস্যাৰ বিষয়টো বিবেচনা কৰি মোৰ চৰকাৰে অসম ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মধ্যমীয়া উদ্যোগ-প্ৰতিষ্ঠান (স্থাপন সহজকৰণ আৰু পৰিচালনা) আইন, ২০২০ (The Assam MSME (Facilitation of Establishment and Operation) Act, 2020) প্ৰণয়ন কৰি ক্ষুদ্ৰ আৰু উঠি অহা উদ্যামীসকলক উদ্যোগ স্থাপনৰ বাবে আকৰ্ষণ কৰিবলৈ অতিৰিক্ত পদক্ষেপ

গ্ৰহণ কৰিছে। উক্ত আইনৰ অধীনত উদ্যামীসকলে উদ্যোগ স্থাপন কৰিলে প্ৰথম তিনি বছৰত (অগ্নিনিৰ্বাপন আৰু বিদ্যুতক বাদ দি) আনৰ অনুমতি বা ওজৰ বিহীন প্ৰমাণপত্ৰ(এন অ' চি) ল'ব নালাগে। অৱশ্যে উদ্যোগ স্থাপনৰ তিনি বছৰৰ পাছত ছমাহৰ ভিতৰত যাৱতীয় অনুমোদন উলিয়াব লাগিব। এম এছ এম ইৰ ক্ষেত্ৰত এনে আইন থকা ৰাজ্য দেশত নগন্যসংখ্যকহে আছে। ইয়াৰে অন্যতম হৈছে অসম।

অৰ্হতাসম্পন্ন বা যোগ্য ষ্টাৰ্ট আপক বিত্তীয় বা অ-বিত্তীয় উদ্দীপনা যোগানৰ উদ্দেশ্যে মোৰ চৰকাৰে অসম ষ্টাৰ্ট আপ নীতি, ২০১৭ প্ৰণয়ন কৰিছে। ষ্টাৰ্ট আপসমূহক কৰ্মস্থলী প্ৰদান আৰু দিক-নিৰ্দেশনা (মেণ্টৰিং) আদি আগবঢ়াবলৈ মাননীয় মুখ্যমন্ত্ৰীয়ে ২০১৯ৰ ২০জানুৱাৰীত অসম ষ্টাৰ্ট আপ-দ্যা নেষ্ট নামৰ এটি অত্যাধুনিক উমনি কেন্দ্ৰ (incubation centre) মুকলি কৰে। এতিয়ালৈকে অসম ষ্টাৰ্ট আপ-দ্যা নেষ্টত ৭৫টা ষ্টাৰ্ট আপক কৰ্মস্থলী দিয়া হৈছে আৰু ৩১টা ষ্টাৰ্ট আপৰ বাবে ৩২৯.৮০ লাখ টকা বিত্তীয় উদ্দীপনা যোগানৰ বাবদ ব্যয় কৰা হৈছে।

আগ্ৰহী বিনিয়োগকাৰী/উদ্যোগীক আকৰ্ষণৰ উদ্দেশ্য উপলব্ধ ঔদ্যোগিক আন্তঃগাঁথনি আৰু ভূমিৰ সুবিধাৰ বিশদ তথ্যসহ ইণ্ডাষ্ট্ৰিয়েল লেণ্ড বেংকৰ তথ্য বিভাগীয় ৱেবছাইটত উপলব্ধ কৰা হৈছে। বিগত চাৰি বছৰত ঔদ্যোগিক ভূমি বেংক (ইণ্ডাষ্ট্ৰিয়েল লেণ্ড বেংক)ত ৩,৯১৫বিঘা মাটি এই বিভাগে অন্তৰ্ভুক্ত কৰিছে।

ৰাজ্যিক ঔদ্যোগিক আৰু বিনিয়োগ নীতিৰ অধীনত বিগত চাৰি বছৰত ৭৬০টা ঔদ্যোগিক গোটলৈ ৭৮.৯২কোটি টকাৰ বিত্তীয় সহায় আগবঢ়োৱা হৈছে।

স্থানীয় শিল্পী (Craftsmen)আৰু হস্তশিল্পীসকলক উৎসাহ যোগানৰ উদ্দেশ্য এই বিভাগে মুখ্যমন্ত্ৰীৰ থলুৱা উদ্যোগ বিকাশ আঁচনি(MMTUBA)ৰ অধীনত ২,০১৫জন এনে কাৰু শিল্পক বিত্তীয় সাহায্য আগবঢ়াইছে। আৰু একে সময়তে "বিপণী' আঁচনিৰ অধীনত ৮,২৫৮টা ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ গোটলৈ বিপনন সহায়-সমৰ্থন আগবঢ়োৱা হৈছে।

মোৰ চৰকাৰে লগতে ১,৫৯৫ গৰাকী মহিলা উদ্যমীৰ বাবে দক্ষতা উন্নয়ন প্ৰশিক্ষণৰ দিহা কৰে।

**তথ্য আৰু জনসংযোগ ঃ**

অৱসৰৰ সময়লৈকে অসমত ২০ বছৰৰো অধিককাল সাংবাদিকতা কৰা সাংবাদিকক অৱসৰকালীন সা-সুবিধা প্ৰদানৰ উদ্দেশ্য মোৰ চৰকাৰে ২০১৭-১৮ৰ পৰা “সাংবাদিকৰ বাবে পেঞ্চন আঁচনি’ শীৰ্ষক এখন কল্যাণমূলক আঁচনি ৰূপায়ন কৰি আহিছে। ২০২০-২১বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে ২০ জন সাংবাদিকক সাংবাদিক পেঞ্চনৰ বাবে বাছনি কৰে।

মোৰ চৰকাৰে সাংবাদিকসকলৰ পেচাগত দক্ষতা আৰু বিভিন্ন ক্ষেত্ৰত উৎকৰ্ষতা বৃদ্ধিৰ উদ্দেশ্য সাংবাদিকৰ বাবে মিডিয়া ফেল’শ্বিপ মুকলি কৰিছে। চলিত বিত্তীয় বৰ্ষত ১৮ জন সাংবাদিকৰ প্ৰত্যেককে ৫০হেজাৰ টকাৰ এই মিডিয়া ফেল’শ্বিপৰ বাবে বাছনি কৰা হৈছে।

প্ৰত্যায়িত(accredited) আৰু স্বীকৃতিপ্ৰাপ্ত সাংবাদিকক চিকিৎসাৰ ক্ষেত্ৰত বিত্তীয় সাহায্য যোগানৰ বাবে মোৰ চৰকাৰে সাংবাদিকৰ চিকিৎসা কল্যাণ আঁচনি (Journalists' Medical Welfare Scheme)ৰূপায়ন কৰিছে। ২০২০-২১বিত্তীয় বৰ্ষত এই পৰ্যন্ত ৩৫ জন সাংবাদিকলৈ ১০.২৫ লাখ টকাৰ বিত্তীয় সাহায্য আগবঢ়োৱা হয়।

মোৰ চৰকাৰে কৰ্তব্যৰত অৱস্থাত অকালতে মৃত্যুমুখত পৰা সাংবাদিকৰ পৰিয়ালক বিত্তীয় সাহায্য আগবঢ়োৱাৰ উদ্দেশ্য “সাংবাদিক পৰিয়াল উপকৃতকৰণ পুঁজি’ শীৰ্ষক এখন কল্যাণমূলক আঁচনি প্ৰৱৰ্তন কৰিছে ।

মোৰ চৰকাৰে সাংবাদিকতাৰ ক্ষেত্ৰখনত উৎকৃষ্ট বৰঙণি আগবঢ়োৱা সাংবাদিকক ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা গণৰাজ্য দিৱস সাংবাদিকতা বঁটা প্ৰদান কৰি আহিছে। তেতিয়াৰে পৰা মোৰ চৰকাৰে প্ৰতিবছৰে একোগৰাকী প্ৰখ্যাত সাংবাদিকক সম্বৰ্ধনা জনাই আহিছে ।

“সংবাদ মাধ্যমৰ ব্যক্তিলৈ এককালীন অনুদান”ৰ অধীনত প্ৰত্যেককে ৫০হেজাৰ টকাকৈ এককালীন অনুদান আগবঢ়োৱাৰ উদ্দেশ্যে মোৰ চৰকাৰে সমগ্ৰ ৰাজ্যৰ ২০জন সাংবাদিকক বাছনি কৰিছে ।

ডিজিটেলি সক্ৰিয় বা ডিজেটেল প্ৰযুক্তিৰ জ্ঞান থকা নতুন প্ৰজন্মৰ (generation X) সৈতে আগবাঢ়িবৰ বাবে আৰু ডিজিটেল ৰূপান্তৰৰ বৰ্ধিত

চাহিদা পূৰণৰ উদ্দেশ্য “ডিজিটেল ডিলাইটছ’ শীৰ্ষক আঁচনিৰ অধীনত মোৰ চৰকাৰে সাম্প্ৰতিক সময়ৰ প্ৰয়োজনীয়তা পূৰণৰ উদ্দেশ্য পদক্ষেপো গ্ৰহণ কৰিছে।

তদুপৰি ডিজিটেল যুগৰ সৈতে তাল মিলাই আগবাঢ়িবলৈ এল ই ডি বিলব’ৰ্ড (৬ মিটাৰX ৩ মিটাৰ) স্থাপনৰ প্ৰক্ৰিয়া চলি আছে । (গুৱাহাটীত দুখন আৰু ডিব্ৰুগড়ত এখন এনে বিলব’ৰ্ড স্থাপন কৰা হ’ব)।

“ফিক্সড লাউড স্পীকাৰ ছিষ্টেম”ৰ অধীনত পৰৱৰ্তী বিত্তীয় বৰ্ষত ৫০০ প্ৰস্তাৱিত গোট কামৰূপ (মহানগৰ)লৈ আৰু আন ৫০০গোটৰ আন জিলাসমূহৰ সদৰ বা মুখ্য কাৰ্যালয়লৈ সম্প্ৰসাৰণ ঘটোৱা হ’ব।

**তথ্য প্ৰযুক্তি ঃ**

মোৰ চৰকাৰে জনতা ভৱন চৌহদত ৰাজ্যিক তথ্য কেন্দ্ৰৰ ৰূপায়ণৰ কাম সম্পূৰ্ণ কৰিছে। আবেদনকাৰী ঔদ্যোগিক গোটসমূহক যোগ্যতাৰ প্ৰমাণপত্ৰ জাৰী কৰা আৰু পৰৱৰ্তী সময়ত উদ্‌গনি দাবী কৰাৰ বাবে এটা প’ৰ্টেল ৫ অক্টোবৰ, ২০২০ তাৰিখে আৰম্ভ কৰা হৈছে।

ই-জিলাৰ সেৱাৰ অধীনত ৩২ লাখতকৈ অধিক অনলাইন আবেদন প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু ১২১৫ টা সাধাৰণ সেৱা কেন্দ্ৰ (চি এছ চি) আৰু ১৮৫ এ.এছ.ডব্লিউ.এ.এন. পইণ্টছ্ অব্ প্ৰেজেন্স (পি অ পি) ৰ দ্বাৰা সমৰ্থিত ২১২ টা সুবিধা কেন্দ্ৰৰ সংযোগৰ জৰিয়তে ইতিমধ্যে ২৬ লাখ ডিজিটেল স্বাক্ষৰিত প্ৰমাণপত্ৰ জাৰি কৰা হৈছে। বৰ্তমানলৈকে ডিজিটেল ইণ্ডিয়া আঁচনিৰ অন্তৰ্গত ‘উমংগ’ ম’বাইল প্লেটফৰ্মৰ অধীনত সকলো জিলাৰ নাগৰিকসকলক সামৰি অনলাইন অন্তৰ্ভূক্তিৰ বাবে ১৭ টা চৰকাৰী সেৱা উপলব্ধ কৰোৱা হৈছে।

**জলসিঞ্চন ঃ**

মোৰ চৰকাৰৰ আঁচনিয়ে মাৰ্চ, ২০২০ লৈকে মূল্যায়িত ২৭ লাখ হেক্টৰ চূড়ান্ত জলসিঞ্চনৰ সম্ভাৱনাৰ বিপৰীতে ১০.২৪ লাখ হেক্টৰ (এ আই এ) (ক্ষুদ্ৰ জলসিঞ্চন = ৭.৩৮ লাখ হেক্টৰ আৰু বৃহৎ/মধ্যম জলসিঞ্চন = ২.৮৫ লাখ হেক্টৰ) জলসিঞ্চনৰ সম্ভাৱনাৰ (৩৭.৯৩ %) সৃষ্টি কৰিছে।

ক্ষুদ্ৰ জলসিঞ্চন খণ্ডত মোৰ চৰকাৰে ২০১৬ চনৰ মাৰ্চৰ পৰা পি এম কে এ এছ ৱাই- এ আই বি পি, এ ও পি ডি (সাধাৰণ,টি এ পি, এছ চি এছ পি),

নাবাৰ্ডৰ আৰ আই ডি এফ আদিৰ দৰে বিভিন্ন কাৰ্যসূচীৰ অধীনত লোৱা আঁচনিৰ জৰিয়তে প্ৰায় ২.৩৪৬ লাখ হেক্টৰ জলসিঞ্চনৰ সম্ভাৱনাৰ সৃষ্টি কৰিছে।

বৃহৎ আৰু মধ্যম জলসিঞ্চনৰ খণ্ডত, মোৰ চৰকাৰে মাৰ্চ, ২০১৬ ৰ পৰা ৭,৭০৩ হেক্টৰ জলসিঞ্চন সম্ভাৱনাৰ সৃষ্টি কৰিছে।

**ন্যায়িক ঃ**

মোৰ চৰকাৰে সদায় বিশ্বাস কৰে যে স্বাধীন আৰু শক্তিশালী ন্যায়পালিকা অবিহনে গণতন্ত্ৰৰ কোনো অৰ্থ নাই। দ্ৰুত ন্যায় হৈছে গণতন্ত্ৰৰ এক অপৰিহাৰ্য অংশ। যোৱা ৪-৫ বছৰত ন্যায় খণ্ডৰ প্ৰশাসনে উল্লেখযোগ্যভাৱে প্ৰগতি লাভ কৰিছে।

মোৰ চৰকাৰে ইতিমধ্যে দক্ষিণ শালমাৰা-মানকাচৰ, হোজাই আৰু চৰাইদেউত নতুনকৈ সৃষ্টি কৰা জিলাসমূহত সম্পূৰ্ণ জিলা ন্যায়ালয়ৰ অনুমোদন কৰিছে যাক সোনকালে কাৰ্যকৰী কৰা হ'ব। ইয়াৰ বাবে সৰ্বমুঠ ২৫৮ টা পদ অনুমোদন কৰা হৈছে। ইয়াৰ উপৰিও, মোৰ চৰকাৰে ইতিমধ্যে ১০ খন পকচ' (POCSO) আদালত অনুমোদন কৰিছে আৰু ইয়াৰ ভিতৰত অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ ৭ খন আৰু আদালতক পকচ' আদালত হিচাপে পুনৰ্সূচীত কৰিছে।

ধেমাজি, জোনাই আৰু চপাখোৱা, শদিয়াত আদালত ভৱনৰ বাবে প্ৰশাসনিক অনুমোদন জনোৱা হৈছে। ইয়াৰ উপৰিও, বৰপেটা, গোলাঘাট, ধুবুৰী, শিৱসাগৰ, বোকাখাত, ওদালগুৰি, ডিব্ৰুগড় আদিৰ আদালতৰ চৌহদ সমূহৰ নিৰ্মাণৰ কাম সঠিক ৰূপত আগবাঢ়ি আছে।

**শ্ৰমিক কল্যাণ ঃ**

মোৰ চৰকাৰে সংগঠিত আৰু অসংগঠিত খণ্ডত নিযুক্ত শ্ৰমিকসকলৰ বাবে বিভিন্ন কল্যাণমূলক ব্যৱস্থা আৰু লাভালাভ নিশ্চিত কৰিছে।

লকডাউনৰ সময়ত মোৰ চৰকাৰে ডি বি টি ৰ জৰিয়তে পঞ্জীভুক্ত শ্ৰমিকসকলৰ বাবে জমা ৰখা ৪৪.২৭ কোটি টকাৰ পৰা ২,২১,৩৭৮ শ্ৰমিকৰ প্ৰত্যেককৈ ২০০০ টকাৰ ক'ভিড সকাহ প্ৰদান কৰে। এতিয়া ১৮ ৰ পৰা ৪০

বছৰ বয়সৰ পঞ্জীভূক্ত কৰ্মী সকলে ৩০০০ টকা আৰু ৪১ ৰ পৰা ৫৯ বছৰ বয়সৰ শ্ৰমিকসকলে ৫০০০ টকাৰ বিত্তীয় সাহায্য অধিকাৰ প্ৰাপ্ত কৰিছে। চলিত বৰ্ষত মুঠ ১৩২৪০ জন নিৰ্মাণ কৰ্মীক স্বাস্থ্য পৰীক্ষাৰ সুবিধা প্ৰদান কৰা হৈছে।

মোৰ চৰকাৰে স্থানীয় জিলা প্ৰশাসনৰ জৰিয়তে উদ্ধাৰ কৰা শিশু শ্ৰমিক আৰু বন্ধা শ্ৰমিকসকলক তাৎক্ষণিক বিত্তীয় সহায় প্ৰদান কৰাৰ বাবে বেংক একাউণ্ট খুলিছে। শ্ৰমিকসকলৰ অৱদানক স্বীকৃতি প্ৰদান আৰু উৎসাহিত কৰাৰ বাবে মোৰ চৰকাৰে ২৩ নৱেম্বৰত সন্তোষ কুমাৰ টপ্নʼৰ স্মৃতিত বাৰ্ষিকভাৱে ‘শ্ৰমিক কল্যাণ দিৱস’ ৰ আয়োজন কৰে।

কʼভিড-১৯ মহামাৰীৰ প্ৰতি লক্ষ্য ৰাখি বাগানসমূহৰ ব্যৱস্থাপনা/পৰিচালক পক্ষক কʼভিড-১৯ সংক্ৰমণৰ বাবে কোৱাৰেণ্টাইন/আচুতীয়াকৰণৰ সময়ত শ্ৰমিকসকলক সৰ্বাধিক ১৪ দিনলৈকে মজুৰি পৰিশোধৰ সৈতে ‘বিশেষ ছুটীৰ’ অনুমতি দিবলৈ নিৰ্দেশ দিয়া হৈছিল।

নৱেম্বৰ, ২০২০ লৈকে ২১১ সংখ্যক নতুন কাৰখানা পঞ্জীয়ন কৰা হৈছে আৰু ২০১৯-২০ বৰ্ষত পঞ্জীয়ণ আৰু নৱীকৰণ মাচুল আদি হিচাপে ৩২১.২৯ লাখ টকা ৰাজহ উপাৰ্জন কৰা হৈছে।

ই এছ আইৰ জৰিয়তে বীমাকৃত ১০,২৭,৫২১ সংখ্যক ব্যক্তিয়ে বৰ্তমানলৈকে অসুবিধাবিহীন নগদমুক্ত চিকিৎসা সেৱাৰ লাভালাভ উপভোগ কৰিছে আৰু ডিচেম্বৰ, ২০২০ লৈকে ইয়াক ব্যৱহাৰ কৰা ব্যক্তিৰ সংখ্যা ৩,১১,৮১৬ লৈ বৃদ্ধি পাইছে।

**বিধায়িনী ঃ**

২০২০-২১ চনত মোৰ চৰকাৰে ২৬ খন (১৩ খন সংশোধিত আৰু ১৩ খন নতুন) আইন আৰু ৯ খন (৮ খন সংশোধিত আৰু ১ খন নতুন) অধ্যাদেশ বলৱৎ কৰিছে।

আইনী সেৱা কৰ্তৃপক্ষ আইন, ১৯৮৭ ৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হʼবলৈ মোৰ চৰকাৰে নিৰ্দিষ্ট হিতাধিকাৰীসকলক আইনী সহায় প্ৰদান কৰা, লোক আদালত অনুষ্ঠিত কৰা, আইনী সজাগতা শিবিৰ আদিৰ দৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। অনুসূচিত জাতি, অনুসূচিত জনজাতি, মহিলা, শিশু,

শাৰীৰিকভাৱে অক্ষম ব্যক্তি, ঔদ্যোগিক কৰ্মী আৰু অন্যান্যৰ অন্তৰ্গত মুঠ ৭৪৯৬ জন ব্যক্তি যাৰ বাৰ্ষিক উপাৰ্জনে নিৰ্ধাৰিত সীমা অতিক্ৰম নকৰে, তেওঁলোকক মোৰ চৰকাৰে আইনী সেৱা প্ৰদান কৰিছিল।

চলিত বৰ্ষত (৩০ নৱেম্বৰলৈকে) মুঠ ৫৭,৬৩৬ সংখ্যক গোচৰ ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা হৈছে, যাৰ ভিতৰত ১৭,৫৬,৭৮,১৫৭ টকাৰ পৰিমাণৰ ৪৮১৪ সংখ্যক গোচৰ নিষ্পত্তি কৰা হৈছে। একেদৰে, ২৫২৩ সংখ্যক গোচৰ মাহিলী লোক আদালত আৰু ৰাজ্যিক আদালতৰ জৰিয়তে নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা গোচৰৰ মুঠ ২৫৫ সংখ্যক গোচৰ ৫৮৭.৩৩ লাখ টকাৰ জৰিয়তে মীমাংসা কৰা হৈছে।

বিভিন্ন গাঁৱত অৱস্থিত বিভিন্ন আইনী সেৱা ক্লিনিক পৰিদৰ্শন কৰা ২০২৭ জন ব্যক্তিৰ ভিতৰত ১৮৭৭ জনক তেওঁলোকৰ সমস্যা সমাধানত সহায় প্ৰদান কৰা হৈছে। একেদৰে, সমূহীয়া কেন্দ্ৰত স্থাপন কৰা আইনী সেৱা ক্লিনিকত ৫৫৭ জন, বিভিন্ন কাৰাগাৰৰ আইনী সেৱা ক্লিনিকত ৮৮৭ জন আৰু নাবালক ন্যায় বোৰ্ডকে (জে জে বি) ধৰি অন্যান্য স্থানত অৱস্থিত বিভিন্ন আইনী সেৱা ক্লিনিকত ৫৩৯ জন লোকক সহায় প্ৰদান কৰা হৈছে।

**খনি আৰু খনিজ পদাৰ্থ ঃ**

২০১৯-২০ বিত্তীয় বৰ্ষত মোৰ চৰকাৰে মুঠ ১২ টা পেট্ৰ'লিয়াম খনি লিজৰ (পি এম এল) বাবে অনুমোদন কৰিছে যাৰ ভিতৰত ৯ টা পি এম এল তেল প্ৰাকৃতিক গেছ কৰ্পোৰেচন লিমিটেডলৈ আৰু ৩ টা পি এম এল খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ উৎপাদনৰ বাবে অইল ইণ্ডিয়া লিমিটেডলৈ। তদুপৰি বিভাগে আৱিস্কৃত ক্ষুদ্ৰ তৈল ক্ষেত্ৰৰ অধীনত ৫ টা পি এম এল আৰু মুক্ত একৰ অনুজ্ঞা নীতিৰ অধীনত ১৯ টা পি ই এলত অনুমোদন জনাইছে। অইল ইণ্ডিয়া লিমিটেডৰ সৈতে এ এইচ ই চি এলৰ ১০ % অংশগ্ৰহণকাৰী আগ্ৰহ (পি আই) ৰ বাবে মুক্ত একৰ অনুজ্ঞা নীতিৰ অধীনত নামৰূপ ব্লক সন্দৰ্ভত অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ উপস্থিতিত ইতিমধ্যে ২১ ডিচেম্বৰ, ২০২০ তাৰিখে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে। মোৰ চৰকাৰে বালি, শিল, মাটি, সাধাৰণ বোকা মাটি, সাধাৰণ ভূ-খণ্ড আদিৰ বাবে ৫৪৩ টা খনি পৰিকল্পনা অনুমোদন কৰিছে।

মোৰ চৰকাৰে ৯.৮৭ কোটি টকাৰ বিক্ৰী মূল্যৰ ৫ টা স্ফটিক ব্লক নীলাম কৰিছিল। তদুপৰি, চুণশিলৰ ৫ ব্লক, গ্ৰেণাইটৰ ১১ টা ব্লক, চীনা মাটিৰ ২ টা ব্লক, কাচ বালিৰ ২ টা ব্লক আৰু স্ফটিকৰ ২ টা ব্লকৰ নীলামৰ বাবে সাজু আছে।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ঃ**

মোৰ চৰকাৰে ২০২০ চনৰ ডিচেম্বৰলৈকে লক্ষ্য হিচাপে স্থিৰ কৰা ৬১৫ লাখ শ্ৰমদিনৰ বিপৰীতে ৪৯৩.১৩ লাখ শ্ৰমদিনৰ সৃষ্টি কৰিছে। ২০২০-২১ বিত্তীয় বৰ্ষত ২,৫৬,৩২১ সংখ্যক নতুন জব কাৰ্ড জাৰি কৰা হৈছে। মহিলা অংশগ্ৰহণৰ শতাংশ ২০১৯-২০ চনত ৪১.৭৭% ৰ পৰা ২০২০-২১ বিত্তীয় বৰ্ষত ৪৩.৬৫ % লৈ বৃদ্ধি কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত মুঠ ১৬,৯৮৩ সংখ্যক পৰিয়ালে ১০০ দিনৰ মজুৰি নিযুক্তি সম্পূৰ্ণ কৰিছে।

প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰাম্য (পি এম এ ৱাই-জি)ৰ অধীনত এতিয়ালৈকে ৩,৭১,১২১ টা ঘৰ সম্পূৰ্ণ হৈছে আৰু ৮৪,৩৩৬ টা ঘৰ নিৰ্মীয়মান অৱস্থাত আছে। ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনিৰ অধীনত ১৬৯৯ জন হিতাধিকাৰীক ২০,০০০ টকাৰ এককালীন বিত্তীয় অনুদান প্ৰদান কৰা হৈছে।

শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত সকলো জিলাত মুঠ ১২,৫৬,৬৯৮ জন হিতাধিকাৰীক বাৰ্ধক্য পেঞ্চন প্ৰদান কৰা হৈছে।

ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনিৰ অধীনত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনিৰ (আই জি এন ডব্লিউ পি এছ) পৰা বঞ্চিত হোৱা বি পি এল আৰু এ পি এল পৰিয়ালৰ বিধৱাসকলক অন্তৰ্ভুক্ত কৰি যোগ্য হিতাধিকাৰীসকলক মাহিলী ৩০০ টকাৰ পেঞ্চন আৰু ২৫০০০ টকাৰ এককালীন বিত্তীয় সাহায্য প্ৰদান কৰা হয়। নৱেম্বৰ, ২০২০, তাৰিখে চলিত বিত্তীয় বৰ্ষত মুঠ ১,৬৯,৯৩০ জন হিতাধিকাৰী চিনাক্তকৰণ হৈছে আৰু তেওঁলোকক মাহিলী পেঞ্চন প্ৰদান কৰা হৈছে।

আইদেউ সন্দিকৈ মহিলা সন্মান আঁচনিৰ অধীনত অবিবাহিত, বিবাহ বিচ্ছেদকাৰী আৰু পৃথক হোৱা মহিলাসকলক ৩০০ টকাৰ মাহিলী পেঞ্চন প্ৰদান কৰা হ'ব। চলিত বিত্তীয় বৰ্ষত ইয়াৰ উদ্দেশ্য আৰু প্ৰয়োজনীয় নিৰ্দেশনা আদিৰ বাবে বাজেটত নিৰ্ধাৰিত ২০০০ লাখ টকা ইতিমধ্যে অনুমোদন কৰা হৈছে।

মোৰ চৰকাৰে আনলক-৫ ৰ পিছত বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীত প্ৰায় ৪৫,৫০০ অংশগ্ৰহণকাৰীক সামৰিছে আৰু ৰাজ্য চৰকাৰৰ উচ্চকাংক্ষী প্ৰকল্প 'স্ব-নিৰ্ভৰ নাৰী- আত্ম নিৰ্ভৰ অসম' ত প্ৰায় ৮০০০ বিষয়াক অন্তৰ্ভূক্ত কৰিছে।

বৰ্তমানলৈকে বিভিন্ন কেডাৰৰ ১৮০০ বিদ্ৰোহীক ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ (এছ আই পি আৰ ডি) দ্বাৰা সামৰি লোৱা হৈছে।

বিস্তৃত কনকলতা মহিলা সবলীকৰণ যোজনাৰ অধীনত বেংক ঋণ থকা মহিলা আত্ম-সহায়ক গোটসমূহক ৰাজসাহায্য হিচাপে ৫০,০০০ টকা মূলধন প্ৰদান কৰিব লাগিব। চলিত বৰ্ষতে ৩৩,২৫০ লাখ টকা অনুমোদিত আৰু মুকলি কৰা হৈছে।

আত্ম-সহায়ক গোটৰ মাজত উন্নত সেৱা প্ৰদান কৰিবলৈ এ এছ আৰ এল এমৰ অধীনত ৪২৪০ গৰাকী 'জীৱিকা সখী' ক নতুন আঁচনি 'জীৱিকা সখী এক্সপ্ৰেছৰ' অধীনত দুচকীয়া বাহন (স্কুটি) প্ৰদান কৰাৰ ব্যৱস্থা লোৱা হৈছে।

**পেঞ্চন আৰু ৰাজহুৱা অভিযোগ ঃ**

মোৰ চৰকাৰে ০১-১০-২০২০ ৰ পৰা অনলাইন পেঞ্চন দাখিল আৰু ট্ৰেকিং প্ৰণালী 'কৃতজ্ঞতা' আৰম্ভ কৰিছে, যাৰ জৰিয়তে ৭৩ টা পেঞ্চনৰ গোচৰ ইতিমধ্যে চূড়ান্ত কৰা হৈছে। পাইলট প্ৰকল্প প্ৰক্ষেপণৰ প্ৰথম পৰ্যায়ত কামৰূপ (মহানগৰ) আৰু কামৰূপ (জিলা) অন্তৰ্ভূক্ত কৰা হৈছে। দ্বিতীয় পৰ্যায়ত ৭ খন জিলা যেনে - কাচাৰ, ডিমা-হাচাও, হাইলাকান্দি, কৰিমগঞ্জ, বৰপেটা, বঙাইগাওঁ আৰু ডিব্ৰুগড় জিলা 'কৃতজ্ঞতা' আঁচনিৰ প্ৰশিক্ষণৰ বাবে গ্ৰহণ কৰা হ'ব।

এমট্ৰ'নৰ দ্বাৰাও এটা নতুন প্ৰণালী বিকশিত কৰা হৈছে যিয়ে স্থগিত হৈ থকা পেঞ্চনৰ গোচৰবোৰৰ নিষ্পত্তিৰ বাবে পেঞ্চন পত্ৰ আৰু ছাৰ্ভিচ বুক ডিজিটাইজ কৰে।

**কৰ্মচাৰী ঃ**

মোৰ চৰকাৰে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদৰ বাবে ৰাজ্য চৰকাৰৰ চাকৰি লাভৰ বাবে বয়সৰ উচ্চ সীমা ৩৮ বছৰৰ পৰা ৪০ বছৰলৈ বৃদ্ধি কৰাৰ বাবে

কার্যালয়সমূহলৈ জাননী জাৰি কৰিছে। অসম লোকসেৱা আয়োগ লিংগ নিৰপেক্ষ কৰাৰ বাবে অসম লোকসেৱা আয়োগত এগৰাকী মহিলা সদস্যৰ নিযুক্তিৰ বাধা আঁতৰ কৰাৰ বাবে অসম লোকসেৱা নিয়মাৱলী, ১৯৫১ সংশোধন কৰা হৈছে। মোৰ চৰকাৰে এ চি এছ আৰু অন্যান্য সহযোগী সেৱা পদত ২৫৫ জন প্ৰাৰ্থী নিয়োগৰ বাবে চি চি ই ২০১৮ কে ধৰি বিভিন্ন পদৰ বাছনি প্ৰক্ৰিয়া সফলতাৰে সম্পূৰ্ণ কৰিছে।

মোৰ চৰকাৰে সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা ২০২০ ৰ অধীনত অসম অসামৰিক সেৱা আৰু সহযোগী সেৱাত নিযুক্তিৰ বাবে অসম লোকসেৱা আয়োগলৈ ৩৩১ টা পদৰ বাবে পত্ৰ প্ৰেৰণ কৰিছে।

**শক্তি ঃ**

মোৰ চৰকাৰে ০১-০১-২০২১ তাৰিখৰ পৰা এ পি ডি চি এল ইজি পে' নামৰ এটা ম'বাইল এপ আৰম্ভ কৰিছে। গ্ৰাহকসকলে এপটোৰ জৰিয়তে এ পি ডি চি এলৰ অনুমোদিত এজেণ্টসকলৰ দ্বাৰা তেওঁলোকৰ বিল পৰিশোধ কৰিবলৈ সক্ষম হ'ব।

মোৰ চৰকাৰে 'দীনদয়াল উপাধ্যায় গ্ৰামজ্যোতি যোজনাৰ' অধীনত অসমৰ সকলো ৰাজহ গাওঁ আৰু 'সৌভাগ্য' যোজনাৰ অধীনত অসমৰ সকলো যোগ্য হিচাপে বিবেচিত হোৱা পৰিয়ালৰ বৈদ্যুতিকৰণ সম্পূৰ্ণ কৰিছে। 'সৌভাগ্য' ৰ অধীনত ২১,৬৩,৭২১ সংখ্যক পৰিয়ালৰ বৈদ্যুতিকৰণ কৰা হৈছে।

মোৰ চৰকাৰে 'জীৱন ধাৰা' শ্ৰেণীৰ গ্ৰাহকসকলক (যাৰ মাহিলী বিদ্যুতৰ ব্যৱহাৰ ৩০ ইউনিটৰ ভিতৰত) বিনামূলীয়া বিদ্যুৎ যোগান অব্যাহত ৰাখিছে আৰু ২০২০-২১ ৰ বাজেটত ঘোষণা কৰা অনুসৰি 'জ্যোতিস্মান অসম' আঁচনিৰ জৰিয়তে ঘৰুৱা- এ এল টি বাণিজ্যিক, এল টি ক্ষুদ্ৰ উদ্যোগ আদি শ্ৰেণীৰ অধীনত গ্ৰাহকসকলক ৰাজসাহায্য প্ৰদান কৰা অব্যাহত ৰাখিছে। বৰ্তমানলৈকে (ডিচেম্বৰ, ২০২০) ডিব্ৰুগড় আৰু জালুকবাৰী (গুৱাহাটীত) ৫৬,৫১৮ সংখ্যক স্মাৰ্ট মিটাৰ স্থাপন কৰা হৈছে।

গুৱাহাটীৰ তাৰকাগৃহত ৪৩ কিলোৱাটৰ সৌৰশক্তি প্ৰকল্প স্থাপন কৰা হৈছে। গুৱাহাটীৰ যোৰ পুখুৰীত আন এক ১৫ কিলোৱাটৰ সৌৰ প্ৰকল্প আৰম্ভ

কৰা হৈছে। বৰপেটা আৰু মাজুলীৰ সত্ৰসমূহত ৫ কিলোৱাট ক্ষমতাৰ সৌৰ ষ্টেচন স্থাপন কৰা হৈছে। নিৰ্বাচিত স্থানত সৌৰচালিত ষ্ট্ৰীট লাইটও স্থাপন কৰা হৈছে। ওদালগুৰিৰ ২৫ মেগাৱাটৰ প্ৰকল্পটো আৰম্ভ কৰা হৈছে আৰু বৰ্তমান ই বিদ্যুৎ যোগান ধৰি আহিছে। মুখ্যমন্ত্ৰীৰ 'আকাশদীপ যোজনা' ৰ অধীনত অসমৰ ৩৪ লাখ (৫২ লাখৰ ভিতৰত) পৰিয়ালত এল ই ডি বাল্ব বিতৰণ কৰা হয়।

মোৰ চৰকাৰে কেইবাটাও বিদ্যুৎ প্ৰকল্প আৰম্ভ কৰিছে যেনে - লাকুৱা পৰিবৰ্তিত বিদ্যুৎ প্ৰকল্প (এল আৰ পি পি) ৭০ মেগাৱাট আৰু ৯ মেগাৱাটৰ মিণ্ট্ৰিয়াং ক্ষুদ্ৰ জল বিদ্যুৎ প্ৰকল্প (এল আৰ পি পি) ৰ কাম-কাজ আৰম্ভ হৈছে আৰু লগতে ৭০ মেগাৱাটৰ আমগুৰি সৌৰ শক্তি প্ৰকল্প নিৰ্মাণৰ কাম চলি আছে।

নামৰূপত আন এটা ২০ মেগাৱাটৰ নামৰূপ সৌৰ শক্তি প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। ২৪ মেগাৱাটৰ বৰাপানী মধ্য-II ক্ষুদ্ৰ জল বিদ্যুৎ প্ৰকল্প আৰম্ভ কৰা হৈছে। যোৱা চাৰি বছৰত এ ই জি চি এল ৰ ক্ষমতা লক্ষণীয়ভাৱে বৃদ্ধি পাইছে।

(i) ৰূপান্তৰ ক্ষমতা ৫৮০৮ এম ভি এ ৰ পৰা ৬৯৫১ এম ভি লৈ বৃদ্ধি হৈছে।

(ii) সংবহন পৰিচালনাৰ ক্ষমতা ১৬৭১ মেগাৱাটৰ পৰা ২৪০৮ মেগাৱাটলৈ বৃদ্ধি হৈছে।

(iii) অপ্টিকেল গ্ৰাউণ্ড ৱায়াৰ (অ' পি জি ডব্লিউ) নেটৱৰ্ক ৬১৪ ৰ পৰা ১৩৭৩ কিলোমিটাৰলৈ বৃদ্ধি পাইছে।

মোৰ চৰকাৰে উচ্চ উষ্ণতাসম্পন্ন নিম্ন চেগ (এইচ টি এল এছ) কণ্ডাক্টৰ মোতায়েন কৰিছে, ৰঙিয়া প্ৰান্তৰ পৰা নাথকুচিলৈ ৰঙিয়া বৰনগৰ লাইন পুনৰ তন্ত্ৰীকৰণ কৰাৰ হেতু যথেষ্ট উচ্চ বিদ্যুৎ বহন ক্ষমতা অৰ্জন কৰিছে।

**মুদ্ৰণ আৰু লেখন সামগ্ৰী ঃ**

মোৰ চৰকাৰে নতুন সা- সৰঞ্জাম সংস্থাপনৰ বাবে আগন্তুক প্ৰজন্মৰ বাবে পুৰণি মুদ্ৰণৰ সা-সৰঞ্জাম সংৰক্ষণৰ বাবে সংগ্ৰহালয় আৰু সংৰক্ষণ আদি কাৰ্যসূচীৰ বাবে অধিবেশন প্ৰেক্ষাগৃহ স্থাপনৰ হেতু অসম চৰকাৰী প্ৰেছৰ বহুমুখী ভৱন নিৰ্মাণৰ প্ৰকল্প লোৱাৰ লগতে অসম চৰকাৰী প্ৰেছ চৌহদও বিকশিত কৰাৰ বাবে এটা কলনী পথৰ বিকাশ কৰা, লক্ষীমপুৰ শাখা প্ৰেছৰ বাবে ষ্টাফ কোৱাৰ্টাৰ

নিৰ্মাণসহ অনাময় কাম, বিদ্যুতকৰণ, অগ্নি সুৰক্ষা ব্যৱস্থা আৰু অন্যান্য নৱীকৰণৰ কামসমূহৰ ভিতৰত অসম চৰকাৰী প্ৰেছ আৰু সঞ্চালকালয়ৰ প্ৰশাসনিক ভৱনত সা-সৰঞ্জাম যোগাৰ আদি কামসমূহ আৰম্ভ কৰিছে।

চাৰিমহলীয়া ভৱন আৰু সংগ্ৰাহালয় তথা সন্মিলন প্ৰেক্ষাগৃহৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। লক্ষীমপুৰ শাখা প্ৰেছৰ বাবে কৰ্মচাৰী কোৱাৰ্টাৰ নিৰ্মাণ আৰু অসম চৰকাৰী প্ৰেছ, বামুণীমৈদাম, কলনী ৰোড নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে।

মোৰ চৰকাৰে জনসাধাৰণৰ কল্যাণ সাধনৰ অৰ্থে তথা বৃহৎ পৰিমাণৰ কাগজৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ চেষ্টা কৰি আইন, অধিনিয়ম আদিৰ ই-গেজেটিং আৰম্ভ কৰিছে। ২০১৭ চনৰ মাৰ্চৰ পৰা অসম চৰকাৰী প্ৰেছত বহুৰঙী আলোচনী 'ৰাইজৰ বাতৰি' ৰ মুদ্ৰণ সফলতাৰে চলি আছে।

**ৰাজহুৱা উদ্যোগ ঃ**

মোৰ চৰকাৰে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ বাবে এক উমৈহতীয়া নীতি 'ৰাজহুৱা উদ্যোগ নীতি' প্ৰস্তুত কৰিছিল যিয়ে সকলো ৰাজ্যিক পি এছ ই ক উন্নত প্ৰদৰ্শনৰ সুচলতাৰ বাবে ৰাজ্যিক পি এছ ই সমূহক এক উমৈহতীয়া নীতি পৰিকাঠামোৰ অধীনলৈ আনিছে।

২০১৯-২০ আৰু ২০২০-২১ চনত ৰাজহুৱা বিনিয়োগ বোৰ্ডে (পি আই বি) চাৰিটা পি এছ ই যেনে- অসম হাইড্ৰ'কাৰ্বন আৰু শক্তি সমবায় লিমিটেড, অসম পৰ্যটন উন্নয়ন নিগম লিমিটেড আৰু অসম গেছ কোম্পানী লিমিটেডৰ চাৰিটা মুখ্য বিনিয়োগ প্ৰস্তাৱত পৰামৰ্শ দিছিল য'ত ৪৮৬.০৮ কোটি টকা যুক্ত আছে।

২৪ ফেব্ৰুৱাৰী, ২০২০ তাৰিখে এ জি অসম, আই পি ই হাইদৰাবাদ, আই আই চি এ, আই চি এ আই, আই চি এছ আই, আই চি এম এ আই, নতুন দিল্লীৰ সহ অভিযান আৰু সহযোগিতাত অসমৰ পি এছ ই ৰ প্ৰদৰ্শন উন্নত কৰাৰ বাবে এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰা হৈছিল।

মোৰ চৰকাৰে বৰ্তমান (i) পৰিচালনা সঞ্চালক, সাধাৰণ পৰিচালক আদি পদৰ বাবে ৰাজহুৱা উদ্যোগ বাছনি বোৰ্ডৰ দ্বাৰা প্ৰাৰ্থী বাছনিৰ বাবে ৰূপৰেখা আৰু ৰোডমেপ প্ৰস্তুত কৰাৰ বাবে কাম কৰি আছে আৰু (ii) জি অ' আই ৰ সৰ্বশ্ৰেষ্ঠ প্ৰক্ৰিয়াৰ দৰে ৰাজ্যিক পি এছ ই ৰ কৰ্মচাৰীসকলৰ বাবে অনলাইন

প্ৰদৰ্শন মূল্যায়ন আৰু সমীক্ষা (পি এ আৰ) প্ৰণালী, অসমৰ পি এছ ই প্ৰদৰ্শন উন্নত কৰাৰ দিশত কাম কৰিছে।

**জনস্বাস্থ্য কাৰিকৰী ঃ**

মোৰ চৰকাৰে স্বচ্ছ ভাৰত মিছন গ্ৰামীন (এছ বি এম জি) ৰূপায়ণ কৰিছে। এছ বি এম জি ৰ অধীনত বি এল এছ (বেচলাইন জৰীপ) তালিকা ২০১২ অনুসৰি ২৪৪ সংখ্যক খণ্ড, ২,৬৯৩ সংখ্যক গাঁও পঞ্চায়ত আৰু ২৫৫০৩ সংখ্যক গাঁও সামৰি ৫ মাৰ্চ ২০১৯ তাৰিখে অসমক মুকলিত মলত্যাগ মুক্ত ৰাজ্য হিচাপে ঘোষণা কৰা হৈছে। সমগ্ৰ ৰাজ্যত মুঠ ৩২,৬৬,৪৬৪ সংখ্যক ব্যক্তিগত ঘৰুৱা শৌচাগাৰ নিৰ্মাণ কৰা হৈছিল।

অ' ডি এফ ৰ মৰ্যাদাপ্ৰাপ্তি আৰু জনসাধাৰণৰ মাজত আচৰণগত পৰিৱৰ্তন সৃষ্টি কৰাৰ বাবে মোৰ চৰকাৰৰ প্ৰচেষ্টাক ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিয়া হৈছে আৰু স্বচ্ছ সৰ্বেক্ষণ, স্বচ্ছ ভাৰত বঁটা, স্বচ্ছ মহোৎসৱ বঁটা, এছ কোচ গোল্ড বঁটা, চৰকাৰী গ্ৰাম্যৰ বাবে বিশেষ স্বীকৃতি বঁটা, স্বচ্ছ সমুদায়িক অভিযান বঁটাৰে পুৰস্কৃত কৰা হৈছে।

ৰাজহুৱা স্থানত শৌচাগাৰৰ ব্যৱস্থা কৰিবলৈ মোৰ চৰকাৰে প্ৰথম পৰ্যায়ত ৬০৫ টা সামূহিক অনাময় পৰিক্ষেত্ৰ নিৰ্মাণ কৰিছে। দ্বিতীয় পৰ্যায়ত মোৰ চৰকাৰে মুঠ ৪২০ টা সামূহিক অনাময় পৰিক্ষেত্ৰ (চি এম এছ চি) নিৰ্মাণ কৰিছে।

**লোকনিৰ্মাণ (পথ) ঃ**

প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা -প্ৰথম আৰু দ্বিতীয়ৰ অধীনত মোৰ চৰকাৰে ২০১৯-২০ বিত্তীয় বৰ্ষলৈকে ১৯,৪০১ কোটি টকাৰ মুঠ ২৮,৭১৮ কিলোমিটাৰ পথৰ কামত অনুমোদন কৰে। ইয়াৰ ভিতৰত ২৬,৩৬৬ কিলোমিটাৰ পথৰ কাম সম্পূৰ্ণ হৈছে।

মোৰ চৰকাৰে চলিত বৰ্ষত অসম মালা, কেন্দ্ৰীয় পথ আন্তঃগাঁথনি পুঁজি, নাবাৰ্ডৰ পুঁজিপ্ৰাপ্ত আৰ আই ডি এফ ৰাজ্যৰ স্ব- প্ৰাথমিকতা বিকাশ আদিৰ অধীনত যথেষ্ট সংখ্যক পথ প্ৰকল্প ৰূপায়ণ কৰিব। 'অসম মালা', অসমৰ ৰাজ্যিক ঘাইপথ আৰু মুখ্য জিলা পথ সংযোগৰ উন্নতিৰ বাবে মোৰ চৰকাৰৰ এক ধ্বজাবাহী

কাৰ্যসূচী। এই কাৰ্যসূচীৰ অধীনত গ্ৰহণ কৰা পথসমূহ ক্ষীপ্ৰ গতিৰ পথ কৰিডৰ হিচাপে নিৰ্মাণ কৰা হ'ব। বৰ্তমানলৈকে, মুঠ ৩৪৩ কিলোমিটাৰ পথৰ কাম আৰু ২৫ খন দলং অনুমোদনেৰে ৰূপায়ণ কৰি থকা হৈছে।

পৰ্যটকসকলে পৰিদৰ্শন কৰা ধৰ্মীয় গন্তব্য স্থান আৰু ঠাইসমূহেও অসম দৰ্শন আঁচনিৰ জৰিয়তে উপযুক্ত গুৰুত্ব লাভ কৰিছে আৰু ইয়াৰ অধীনত এই স্থানসমূহৰ সৈতে সংযোগ কৰা পথসমূহ উন্নত কৰা হৈছে।

গুৱাহাটীত গণেশগুৰি উৰণীয়া সেঁতুৰ কাম সম্পূৰ্ণ হৈছে ; চুপাৰ মাৰ্কেট উৰণীয়া সেঁতুৰ কাম অতি শীঘ্ৰেই সম্পূৰ্ণ হ'ব। গুৱাহাটীত ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ আৰু দক্ষিণ পাৰক সংযোগ কৰিবলৈ অনুমোদিত মুখ্য দলং প্ৰকল্পৰ কামো চলি আছে।

তদুপৰি, ভালেসংখ্যক ৰে'লৰে উৰণীয়া সেঁতু নিৰ্মাণ কৰা হ'ব যিবোৰ ব্যস্ত ৰে'লৰে লেভেল ক্ৰছিং দূৰ কৰাৰ বাবে ব্যয় ভাগ বাটোৱাৰৰ ভিত্তিত ৰে'লৰে কৰ্তৃপক্ষই আগবঢ়োৱা প্ৰস্তাৱৰ ভিত্তিত গ্ৰহণ কৰা হৈছে।

**লোকনিৰ্মাণ (বিল্ডিং আৰু এন এইচ্) ঃ**

মোৰ চৰকাৰে উত্তৰ লক্ষীমপুৰ, ধুবুৰী আৰু নগাওঁ জিলা/গ্ৰাম্য চিকিৎসালয়ৰ সৈতে সংলগ্ন নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কাৰ্য হাতত লৈছে। তদুপৰি, শীঘ্ৰেই নলবাৰী, তিনিচুকীয়া, কোকৰাঝাৰত নতুন চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় তথা চৰাইদেউ, বিশ্বনাথ, গোৱালপাৰাত আন চাৰিখন নতুন চিকিৎসা মহাবিদ্যালয় আৰু গুৱাহাটীত দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় আৰম্ভ কৰা হ'ব।

ভেলোৰত এটা নৱনিৰ্মিত অসম ভৱন সম্পূৰ্ণ হোৱাৰ পথত। তদুপৰি দ্বাৰকাত (নতুন দিল্লী) এটা নতুন অসম ভৱন আৰু চাণক্যপুৰী (নতুন দিল্লী) তথা কলকাতাৰ ৰাচেল ষ্ট্ৰীটত অসম ভৱন পুনৰ নিৰ্মাণৰ কাম প্ৰাৰম্ভিক পৰ্যায়ত আছে।

নাৰায়ণপুৰত শ্ৰী শ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ কাম, নগাঁৱৰ বটদ্ৰৱা থান বটদ্ৰৱাৰ সাংস্কৃতিক আৰু পৰ্যটন কেন্দ্ৰ হিচাপে বিকাশ, শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ বাৰেচহৰীয়া ভাওনা মণ্ডপৰ বিকাশ, শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত শ্বহীদ উদ্যান আৰু সন্মিলন গৃহৰ বিকাশৰ কাম আৰম্ভ কৰা

হৈছে। লগতে, গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত এখন স্বহীদ স্মাৰক ক্ষেত্ৰ আৰু স্মৃতি উদ্যান স্থাপনৰ কাম আৰম্ভ কৰা হৈছে।

লগতে মাজুলীত এখন সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ বাবে প্ৰাথমিক কাম-কাজৰ ব্যৱস্থা আৰম্ভ কৰা হৈছে। ধেমাজিত অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। শীঘ্ৰেই শুৱালকুচি, বিহালী, বঙাইগাওঁ, চামগুৰি, নলবাৰী আৰু ওদালগুৰিত আন ৬ খন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় নিৰ্মাণৰ কাম আৰম্ভ হ'ব।

১২ খন আদৰ্শ স্নাতক মহাবিদ্যালয় নিৰ্মাণ প্ৰগতিৰ বিভিন্ন পৰ্যায়ত আছে। আন ৬ খন মহাবিদ্যালয় শেহতীয়াকৈ অনুমোদিত হৈছে আৰু শীঘ্ৰেই কাম আৰম্ভ কৰা হ'ব। তদুপৰি বৰ্তমান ৩৫৯.০৬ কোটি টকা ব্যয়ত অসমৰ বিভিন্ন স্থানত ১১৯ খন চাহ বাগিছাৰ বাবে উচ্চ মাধ্যমিক বিদ্যালয় নিৰ্মাণ কাৰ্য চলি আছে আৰু শীঘ্ৰেই সম্পূৰ্ণ হ'ব। অসমৰ গুৱাহাটীত সন্মিলন কেন্দ্ৰ তথা ৰাজ্যিক অতিথি গৃহৰ কাম আৰম্ভ কৰা হৈছে আৰু কাম চলি আছে। তদুপৰি, অসমৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত ২১ খন আদৰ্শ আৱাসিক বিদ্যালয়ৰ স্থাপনৰ কাম আৰম্ভ কৰা হৈছে আৰু নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে।

ডিব্ৰুগড় জিলাৰ খনিকৰত, লক্ষীমপুৰ জিলাৰ চাবতিত আৰু শুৱালকুচিত ক্ৰীড়া ষ্টেডিয়ামৰ কাম আৰম্ভ কৰা হৈছে আৰু নিৰ্মাণ কাৰ্য চলি আছে। 'স্বাক্ষৰ আঁচনি' (উত্তৰণ) ৰ অধীনত ৬১ টা বিধান সভা সমষ্টিত প্ৰতিটোতে ১০ কোটি টকা অনুমোদিত ব্যয়ত নিৰ্মাণৰ কাম বিভিন্ন পৰ্যায়ত আছে।

চলিত বিত্তীয় বৰ্ষত (২০২০-২১), ৯ টা উপপথ সহ মুখ্য ঘাইপথৰ কামসমূহ ৫৫৭.৫ টকা ব্যয়ত ১৬৫.১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ বাবে সম্পূৰ্ণ কৰা হৈছে।

যোৱা ৫ বছৰত এ পি ডব্লিউ ডি এন এইচ্ শাখায়ে ১৩৬৪.৫৬ কোটি টকা ব্যয়ত ৪৮২.০৪ কিলোমিটাৰ এন এইচ্ (অ') সম্পূৰ্ণ কৰিছে আৰু এছ এ আৰ ডি পি - এন ই ৰ অধীনত ১০৬৩.৬৬ কোটি টকা ব্যয়ত ২৩৯.৯০ কিলোমিটাৰ সম্পূৰ্ণ কৰিছে।

এম অ' আৰ টি এণ্ড এইচ্ য়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিম্নলিখিত ৫ খন দলঙৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছে ঃ

১) এন এইচ্ আই ডি চি এলৰ অধীনত ২য় খন কলিয়াভোমোৰা সেতুঁৰ নিৰ্মাণকাৰ্য চলি আছে।

২) এন এইচ আই ডি এ চি এল ৰ অধীনত ধুবুৰী-ফুলবাৰী দলঙৰ নিৰ্মাণ কাৰ্য চলি আছে।

৩) গহপুৰ আৰু নুমলীগড় সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত প্ৰস্তাৱিত দলংখনৰ কাম এন এইচ আই ডি চি এলৰ অধীনত ডি পি আৰ পৰ্যায়ৰ অধীনত আছে।

৪) যোৰহাট-মাজুলী সংযোগ (দৈৰ্ঘ্য -২৭.৪ কি.মি.) কৰাৰ বাবে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত এখন প্ৰধান দলঙ নিৰ্মাণৰ ডি পি আৰ সহ প্ৰস্তাব মন্ত্ৰালয়ত দাখিল কৰা হৈছে আৰু মন্ত্ৰালয়ত কামটো নিবিদা প্ৰক্ৰিয়াৰ অধীনত আছে। এই প্ৰসাৰিত পথছোৱা নতুন এন এইচ নং ৭১৫ কে হিচাপে ঘোষণা কৰা হয়।

৫) মৰিগাঁও-কৌপাটি পথৰ বাবে ব্ৰহ্মপুত্ৰৰ ওপৰত মুখ্য আৰ চি চি দলঙৰ কাম ডি পি আৰ ৰ প্ৰস্তুতি প্ৰক্ৰিয়াত আছে।

এছ অ' পি ডি আঁচনিৰ অধীনত, ৫৩৪.৪৬ কোটি টকা ব্যয়ত ৬৮৩.৭১৫ কিলোমিটাৰ ৰাষ্ট্ৰীয় ঘাইপথ উন্নয়ণ আৰম্ভ কৰা হৈছে আৰু ইয়াৰ ভিতৰত ২৯৫ কোটি ব্যয়ত ৫৬১.৮০ কিলোমিটাৰ সম্পূৰ্ণ কৰা হৈছে।

**সংসদীয় পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে জানুৱাৰী ২০১৭ ৰ পৰা বাজেট অধিবেশনকে ধৰি সমগ্ৰ বিধানসভা অধিবেশন সামৰি এক নতুন অনন্য আৰু অভিনৱ আঁচনি "অসম বিধান সভালৈ শিক্ষাৰ্থীসকলৰ প্ৰদৰ্শনমূলক ভ্ৰমণ" আৰম্ভ কৰিছে আৰু সফলতাৰে ৰূপায়ণ কৰিছে।

২৯২৬ জন শিক্ষাৰ্থী, বিভিন্ন শিক্ষা প্ৰতিষ্ঠানৰ ২৬৮ জন শিক্ষক জানুৱাৰী, ২০১৭ ৰ পৰা মাৰ্চ ২০২০ লৈ বিভিন্ন তাৰিখত বিধানসভাৰ কামৰ সাক্ষী হৈছিল। তেওঁলোক ৰাজ্যপালৰ অভিভাষণৰ পৰা বাজেট অনুমোদনৰ দৰে অন্যান্য কাৰ্যসূচীৰ সাক্ষী হৈ ৰৈছিল। এই প্ৰদৰ্শনীমূলক সাক্ষাতৰ মুহূৰ্তত শিক্ষাৰ্থী সকলে বিশিষ্ট ব্যক্তিসকল মাননীয় অধ্যক্ষ, মাননীয় মুখ্যমন্ত্ৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী, মাননীয় বিত্ত তথা শিক্ষামন্ত্ৰী আৰু সংশ্লিষ্ট জিলাত স্থানীয় বিধায়ক সকলৰ সৈতে মত বিনিময় কৰে।

**ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ঃ**

মোৰ চৰকাৰে ২০২০ চনত কিছুমান সংশোধনৰ সৈতে নতুন ভূমি নীতি, ২০১৯ প্ৰস্তুত কৰিছে য'ত অসমৰ থলুৱা লোক সকলৰ ভূমি অধিকাৰ প্ৰদান কৰা, ৰাজ্যৰ মুখ্য কৃষিভূমি সংৰক্ষণ আৰু সুৰক্ষা, জনজাতীয় বেল্ট আৰু খণ্ডৰ ভূমি সুৰক্ষা, সত্ৰৰ ভূমি সংৰক্ষণ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সত্ৰ আৰু এনে ধৰ্মীয় তথা দাতব্য প্ৰতিষ্ঠানৰ ভূমি সুৰক্ষিত কৰিবলৈ, "অসম ভূমি আৰু ৰাজহ নিধি (সংশোধনী) ২০১৯" ৰ ৰূপত উপযুক্ত সংশোধন ৰখা হৈছে, যাৰ দ্বাৰা উপায়ুক্ত সকলক অবৈধ বেদখলকাৰীসকলক উচ্ছেদ কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে।

মোৰ চৰকাৰে বিগত চাৰে চাৰি বছৰত ৩.৩৫ লাখতকৈও অধিক খিলঞ্জীয়া ভূমিহীন পৰিয়ালক ভূমি পট্টা আৰু আবণ্টন পত্ৰ প্ৰদান কৰিছে। একেদৰে, বিশেষ খেতিৰ বাবে ১০০০ তকৈও অধিক ক্ষুদ্ৰ চাহ খেতিয়কক ভূমিৰ নিষ্পত্তি/আবণ্টন প্ৰমাণপত্ৰ বিতৰণৰ প্ৰস্তাৱ দিয়া হৈছে।

অসমৰ থলুৱা লোকসকলৰ ভূমি নিষ্পত্তিৰ বাবে মোৰ চৰকাৰে আধুনিক জৰীপ সঁজুলি ই টি এছ, ডি জি পি এছ আদিৰ দৰে আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি জৰীপ নোহোৱা গাঁৱৰ জৰীপ আৰম্ভ কৰিছে। ডিজিটেল ইণ্ডিয়া ভূমি তথ্যৰ আধুনিকীকৰণ কাৰ্যসূচীৰ অধীনত, ২৯,১৮৩ খন মানচিত্ৰৰ ভিতৰত ২৭,৪৭৩ খন মানচিত্ৰ ডিজিটেল কৰা হৈছে।

মোৰ চৰকাৰে ২০১৯-২০ বৰ্ষত অৰ্থনৈতিকভাৱে পিছ পৰা শ্ৰেণীৰ নৱবিবাহিতা কন্যাসকলক সামাজিক আৰু অৰ্থনৈতিক নিৰাপত্তা প্ৰদান কৰাৰ লক্ষ্যৰে 'অৰুন্ধতী' আঁচনিখন গ্ৰহণ কৰিছে। এই আঁচনিখনে বিশেষ বিবাহ আইন ১৯৫৪ ৰ অধীনত বিবাহ পঞ্জীয়ন কৰা নৱ বিবাহিত কইনাসকলক তেওঁলোকৰ বিবাহৰ বাবে সোণ ক্ৰয়ৰ বাবে ৪০,০০০ টকাৰ বিত্তীয় সাহায্য প্ৰদান কৰিব। বৰ্তমানলৈকে মুঠ ২৫৩৯ সংখ্যক হিতাধিকাৰীক অনুমোদন দিয়া হৈছে যাৰ ভিতৰত ১৮১৫ গৰাকীয়ে ৪০,০০০ টকাৰ বিত্তীয় সাহায্য লাভ কৰিছিল।

মোৰ চৰকাৰে অসমৰ খহনীয়া প্ৰভাৱিত পৰিয়ালৰ বাবে পুনৰ সংস্থাপন নীতি আৰম্ভ কৰিছে। এই সন্দৰ্ভত ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়ক এন ডি এম

এৰ নিৰ্দেশনা অনুসৰি ৰাজ্যিক দুৰ্যোগ সঁহাৰি প্ৰশমন পুঁজি (এছ ডি আৰ এম এফ) ৰ অধীনত খহনীয়া নিয়ন্ত্ৰণৰ বাবে ইয়াক প্ৰাকৃতিক দুৰ্যোগৰ অন্তৰ্ভুক্ত কৰিবলৈ আৰু প্ৰশমনৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হৈছে।

ক'ভিড-১৯ ৰোগক এছ ডি আৰ এম এফ / এন ডি আৰ এফ ৰ অধীনত সাহায্যৰ সামগ্ৰী আৰু নিয়মাৱলীৰ অন্তৰ্ভুক্ত কৰা হৈছে। মোৰ চৰকাৰে ইতিমধ্যে সংৰক্ষণ কেন্দ্ৰৰ তত্বাৱধান, সাহায্য ব্যৱস্থা গ্ৰহণ কৰা আৰু ক'ভিড-১৯ প্ৰাদুৰ্ভাৱৰ বাবে উদ্ভৱ হোৱা জৰুৰীকালীন ব্যয় পূৰণ কৰাৰ বাবে এছ ডি আৰ এম এফ ৰ অধীনত জিলা, মহকুমা আৰু অসম ভৱনলৈ ১৮২.৫৯ কোটি টকা মুকলি কৰিছে।

মোৰ চৰকাৰে ক'ৰনাৰ প্ৰাদুৰ্ভাৱৰ সময়ত প্ৰধানমন্ত্ৰীৰ জন আৰোগ্য যোজনা (পি এম জে এ ৱাই) আৰু অটল অমৃত অভিযানৰ অধীনত স্বাস্থ্য বিভাগৰ সৈতে বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ অধীনত চিকিৎসক, পেৰামেডিকেল কৰ্মচাৰী, কৰ্তব্যৰত স্বাস্থ্য বিভাগৰ অন্যান্য কৰ্মচাৰী, ব্যক্তিগত চিকিৎসালয়ৰ কৰ্তব্যৰত কৰ্মচাৰী, কৰ্তব্যৰত আৰক্ষী আৰু অন্যান্য চৰকাৰী বিষয়া আৰু কৰ্মচাৰী, কৰ্তব্যৰত সাংবাদিক, কৰ্তব্যৰত গৃহৰক্ষী, অসম চৰকাৰৰ সাময়িক কৰ্মচাৰী আৰু কৰ্তব্যৰত অন্যান্য সংঘ, কৰ্ত্তব্যৰত বিভিন্ন সমাজ/কৰ্তৃত্বশীল পক্ষ/পি এছ ইউ ৰ কৰ্মচাৰী যি ক'ভিড-১৯ সংক্ৰমণৰ ফলত মৃত্যুবৰণ কৰিছে তেওঁলোকৰ বাবে ৫০ লাখ টকাৰ অনুগ্ৰহ অনুদান দিয়াৰ বাবে অধিসূচনা আৰু নিৰ্দেশনা জাৰি কৰিছে।

মোৰ চৰকাৰে বিত্তীয় বৰ্ষ ২০১৯-২০ ৰ "অসম দৰ্শন" আঁচনিৰ অধীনত প্ৰতিটো ধৰ্মীয় প্ৰতিষ্ঠানৰ বাবে ২.০০ লাখ টকালৈ অনুদানৰ পৰিমাণ বৃদ্ধি কৰি ৫৫০ লাখ টকাৰ বাজেট নিৰ্ধাৰণ কৰিছে আৰু ২০২০-২১ ৰ বাবে বাজেট ব্যৱস্থা ৪১৮.৫০ লাখ টকাৰ কৰা হয়।

দুৰ্যোগ প্ৰভাৱিত লোকসকলক বানপানীৰ সময়তে জীৱন নিৰ্বাহৰ বাবে সুৰক্ষিত আৰু স্বাস্থ্যক বহুমুখী বান আশ্ৰয় স্থান নিৰ্মাণৰ বাবে, মোৰ চৰকাৰে ৰাজ্যত বহুমুখী বান আশ্ৰয় স্থান নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। মাজুলী, লক্ষীমপুৰ আৰু বৰপেটাত এনে তিনিটা আশ্ৰয় স্থানৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে আৰম্ভ কৰা হৈছে।

বিজুলী-ঢেৰেকনিসহ হোৱা বৰষুণৰ ফলত মানুহৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি ভাবুকিৰ সৃষ্টি হয়। প্ৰথমবাৰৰ বাবে মোৰ চৰকাৰে আমেৰিকাৰ সংস্থা আৰ্থ নেটৱৰ্কৰ সেৱা গ্ৰহণ কৰিছিল যাৰ বিজুলী আৰু বজ্ৰপাত সংবেদকসমূহ এপ্ৰিল, ২০২০ ৰ পৰা ৰাজ্যত স্থাপন কৰা হয়।

মোৰ চৰকাৰে চলিত বৰ্ষত ১৫তম- বিত্ত আয়োগৰ অনুমোদন অনুসৰি ৰাজ্যিক দুৰ্যোগ সঁহাৰি প্ৰশমন পুঁজি (এছ.ডি.আৰ.এম.এফ.)ৰ অধীনত ৮৫৮ কোটি টকাৰ বাৰ্ষিক আৱন্টন লাভ কৰিছে। ক্ষতিগ্ৰস্ত আন্তঃগাঁথনিৰ পুনৰনিৰ্মাণ আৰু পুনৰগঠন, সা-সজুঁলি, অনুদান, মীনপাম, পশু চিকিৎসালয়, বান সাহায্য, পুনৰসংস্থাপন সাহায্য আদিৰ বাবে এতিয়ালৈকে ৫৬৯.৪৭ কোটি টকা ব্যয় কৰা হৈছে।

**বিজ্ঞান আৰু প্ৰযুক্তি ঃ**

মোৰ চৰকাৰে গুৱাহাটীৰ ওচৰৰ টেপেচিয়াত মুঠ ১৮৩ কোটি টকা ব্যয়ত আটকধুনীয়া 'চাইন্স চিটি' নিৰ্মাণ কৰি আছে। মোৰ চৰকাৰে ২৩ খন জিলাৰ মুখ্য কাৰ্যালয়ত জিলা বিজ্ঞান কেন্দ্ৰ আৰু ৬খনত জিলাৰ তাৰকাগৃহ স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। কোকৰাঝাৰত আধুনিক তাৰকাগৃহ আৰু বিজ্ঞানকেন্দ্ৰ ২০২০ চনৰ ১০ ফেব্ৰুৱাৰীত আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। নলবাৰী আৰু উত্তৰ লক্ষীমপুৰত তাৰকাগৃহৰ সঁজুলি আৰু যন্ত্ৰাংশৰ ক্ৰয়ৰ প্ৰক্ৰিয়া চলি আছে। ৰাজ্যখনত ৬ টা নতুন তাৰকাগৃহৰ লগতে জিলা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। মাজুলী আৰু বঙাইগাঁৱত জিলা বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ স্থাপনৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

যোৰহাট বিজ্ঞানকেন্দ্ৰ আৰু তাৰকাগৃহত এটা উদ্ভাৱন কেন্দ্ৰৰ ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু সোনকালেই আৰম্ভ কৰা হ'ব। গুৱাহটী বায়'টেক পাৰ্কৰ প্ৰযুক্তি ইনকিউবেচন কেন্দ্ৰৰ আধাৰশিলা ১৯ ছেপ্তেম্বৰ, ২০১৭ তাৰিখে গুৱাহাটী বায়টেক পাৰ্কৰ স্থায়ী চৌহদত স্থাপন কৰা হৈছিল আৰু ৮২% কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। গুৱাহাটী বায়'টেক পাৰ্কত ব্যৱসায়িক উদ্যোগ এলেকাৰ ৪০% কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।

মোৰ চৰকাৰে তিনিটা ৰাজ্যিক বিজ্ঞান বঁটা যেনে বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱনৰ সাফল্য, যুৱ বিজ্ঞানী/উদ্ভাৱকৰ বাবে ৰাজ্যিক বঁটা আৰু জনসাধাৰণৰ মাজত বিজ্ঞানৰ প্ৰচাৰৰ বাবে ৰাজ্যিক বঁটা ঘোষণা কৰিছে।

মোৰ চৰকাৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ সহযোগত বিশ্ববিদ্যালয়ৰ চৌহদত অসম বিজ্ঞান উৎসৱৰ আয়োজন কৰিছিল।

ব্যৱহাৰিক মূল্য আধাৰিত প্ৰযুক্তি সৃষ্টিত দৃশ্যমান প্ৰভাৱ দেখুৱাই ৰাজ্যখনক "উদ্ভাৱন, প্ৰযুক্তি সৃষ্টি আৰু সজাগতা" (আই.টি.জি.এ.) আঁচনিৰ অধীনত ২০১৯-২০ বৰ্ষৰ বাবে প্ৰযুক্তি উৎপাদনৰ বাবে ৫৫ টা প্ৰকল্প লাভ কৰা হৈছে।

অবৈজ্ঞানিক মানসিকতা আৰু অন্ধবিশ্বাস নিৰ্মূল কৰাৰ বাবে "সংস্কাৰ ঃ মানুহে মানুহৰ বাবে" শীৰ্ষক এখন নিৰন্তৰ অভিযানৰ কাৰ্যসূচী ঘোষণা কৰা হৈছে। 'মুখ্যমন্ত্ৰী বিজ্ঞান দৰ্শন' হৈছে এক আঁচনি, যি পঞ্চায়ত আৰু জিলা পৰিষদৰ সদস্যক উপকৃত কৰিব।

মোৰ চৰকাৰে ২০১৬-১৭ বৰ্ষত গুৱাহাটী তাৰকাগৃহত ৰসায়নিক আৰ্থিং স্থাপন কৰে। ২০১৮-১৯ বৰ্ষত গুৱাহাটী তাৰকাগৃহৰ চৌহদত এক জ্যোৰ্তিবিজ্ঞান বীথিকা-'এষ্ট্ৰোনমি থ্ৰ' এজেজ' আৰু এটা ভাৰ্শ্বুৱেল ৰিয়েলিটি জ'ন স্থাপন কৰে। ২০২০-২১ চনত গুৱাহাটীৰ তাৰকাগৃহৰ চৌহদত ১২.৪২ কোটি টকা ব্যয়ত এটা বহুমুখী কাৰ্যৰ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ২০২০-২১ চনত গুৱাহাটী তাৰকাগৃহত এক আধুনিক সুবিধাযুক্ত থ্ৰি ডি প্ৰেক্ষাগৃহ স্থাপন কৰা হ'ব।

বিজ্ঞান আৰু প্ৰযুক্তি বিভাগত মোৰ চৰকাৰে ৰাজ্যৰ প্ৰাতিষ্ঠানিক, সামাজিক আৰু আৱাসিক খণ্ডৰ প্ৰায় ৩৫০ টা স্থানত ৬.৫০ মেগাৱাট (প্ৰায়) ক্ষমতাসম্পন্ন জালী সংযোজিত ছাদ সৌৰ প্ৰকল্পৰ সংস্থাপন কৰা হয় আৰু গুৱাহাটীৰ ৰাজভৱনত ৪৭ কিলোৱাটৰ ছাদ সৌৰ প্ৰকল্পৰ সংস্থাপন সম্পূৰ্ণ কৰে। দ্বৈত অক্ষ সৌৰ ট্ৰেকিং, কম ব্যয়সম্পন্ন কণী ইনকিউবেটৰ, সৌৰচালিত কীট নিয়ন্ত্ৰণ পদ্ধতি আদি ভিন ভিন গৱেষণামূলক প্ৰচেষ্টা কাৰ্যকৰী কৰা হৈছে।

মোৰ চৰকাৰে ইতিমধ্যে সৌৰ ফটোভল্টেয়িক ষ্ট্ৰীট লাইট সংস্থাপন আঁচনিৰ জৰিয়তে ৰাজ্যৰ ৩৫০০ স্থানত সৌৰচালিত ষ্ট্ৰীট লাইট স্থাপন কৰিছে আৰু কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত সৌৰ ফটোভল্টেয়িক প্লাণ্ট স্থাপন কৰিছে।

**মাধ্যমিক শিক্ষা ঃ**

মোৰ চৰকাৰে মাধ্যমিক শিক্ষাৰ মানদণ্ড উন্নত কৰা আৰু শিক্ষাৰ্থীসকলৰ সৰ্বাংগীণ বিকাশৰ বাবে বিভিন্ন অভিলাষী কাৰ্যসূচী আৰম্ভ কৰিছে। আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিবলৈ আৰু মাধ্যমিক স্তৰত সকলো শিশুৰ বাবে বিনামূলীয়া, সম শিক্ষাৰ অধিকাৰ নিশ্চিত কৰিবলৈ অসম চৰকাৰে একাদশ আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া নামভৰ্তি, নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া পাঠ্যপুথি আৰু ২.০০ লাখ টকা বা তাৰ তলৰ পিতৃ-মাতৃৰ উপাৰ্জনৰ সৈতে উচ্চ মাধ্যমিক শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা দৰিদ্ৰ শিক্ষাৰ্থীসকলৰ বাবে পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে। একাদশ আৰু দ্বাদশ শ্ৰেণীত নামভৰ্তি কৰা ৩,৯০,৫৮৫ শিক্ষাৰ্থী হিতাধিকাৰীসকল এই আঁচনিৰ অধীনত সামৰি লৈ ইয়াৰ বাবে ৩৩৬৮.৭৪৫ লাখ টকা ধাৰ্য কৰা হৈছে। চলিত বৰ্ষত, মোৰ চৰকাৰে প্ৰাদেশিককৃত/চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে সকলো মাচুল ৰেহাই দিয়াৰ সিদ্ধান্ত লৈছে। এপিএল, বিপিএলৰ দৰে বিত্তীয় স্থিতি নিৰ্বিশেষে শিক্ষাৰ্থী বা অভিভাৱকৰ পৰা প্ৰচপেক্টাছ আৰু নামভৰ্তি প্ৰপত্ৰ আদিৰ ব্যয়সহ আন কোনোধৰণৰ নামভৰ্তি মাচুল, টিউচন মাচুল আদায় লোৱা নহ'ব।

ভেনচাৰ শিক্ষা প্ৰতিষ্ঠানৰ প্ৰাদেশিককৰণৰ বাবে চৰকাৰে ২০১৮ চনত সংশোধিত অসম শিক্ষা, শিক্ষকসকলৰ সেৱাৰ প্ৰাদেশিকীকৰণ আৰু শিক্ষা প্ৰতিষ্ঠানৰ পুনৰ সংগঠন- আইন ২০১৭ প্ৰণয়ন কৰে। সেই অনুসৰি, ৪১৫ খন যোগ্য শিক্ষা প্ৰতিষ্ঠানত  কাম কৰা ৩১৩২ জন শিক্ষক কৰ্মচাৰীৰ চাকৰি প্ৰাদেশিকীকৰণৰ বাবে ব্যৱস্থা কৰা হৈছে।

২০১৯-২০ চনত  ২৬ গৰাকী অধ্যক্ষ, ৪৩৪ গৰাকী প্ৰধান শিক্ষক আৰু ৬৫ গৰাকী সহকাৰী প্ৰধান শিক্ষকক নিযুক্তি দিয়া হৈছে। চৰকাৰে প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত খালী হৈ থকা বিজ্ঞান আৰু কলা শাখাৰ ৫৭৪৬ টা পদত স্নাতকোত্তৰ শিক্ষক নিযুক্তিৰ বাবে বিজ্ঞাপনো প্ৰকাশ কৰিছে।

দশম শ্ৰেণীলৈকে সকলো ইংৰাজী আৰু আন মাধ্যমৰ বিদ্যালয়ত অসমীয়া ভাষা শিকোৱাতো বাধ্যতামূলক কৰাৰ বাবে চৰকাৰে 'অসমীয়া ভাষা আইন ২০২০' প্ৰণয়ন কৰিছে।

'আনন্দৰাম বৰুৱা বঁটা আঁচনি'ৰ অধীনত, মোৰ চৰকাৰে চলিত বৰ্ষত, ডিবিটি মোডৰ জৰিয়তে, লেপটপৰ পৰিৱৰ্তে ছেবাৰ দ্বাৰা পৰিচালিত হাইস্কুল শিক্ষান্ত পৰীক্ষা, ২০২০ ষ্টাৰ নম্বৰ আৰু তাতকৈ অধিক নম্বৰ প্ৰাপ্ত ১৬৯৪৯ গৰাকী মেধাৱী শিক্ষাৰ্থীলৈ ২০ হাজাৰ টকাকৈ নগদ ধন প্ৰদান কৰিছে।

মোৰ চৰকাৰে প্ৰতি বছৰে ৭০০ টকা ব্যয়ত নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক সামৰি বিনামূলীয়া ইউনিফৰ্ম প্ৰদান কৰাৰ পৰিসৰ সম্প্ৰসাৰিত কৰাৰ সিদ্ধান্ত লৈছে। চলিত বৰ্ষত আঁচনিখন ৰূপায়ণৰ বাবে ইতিমধ্যে ৪৫.৫৩৫৬ কোটি টকাৰ ধনৰাশি অনুমোদন কৰা হৈছে। ২০২০ শিক্ষাবৰ্ষত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ১৩,৩৬,৪২২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত মুঠ ১২২,৯৯,৫৭৭ খন বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰা হৈছে।

তৃতীয় পক্ষৰ কাৰিকৰী বিশেষজ্ঞৰ সহায়ত ৰাজ্যৰ চৰকাৰী/প্ৰাদেশিক ২৫০ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'ভাৰ্চুৱেল' শ্ৰেণীকোঠাৰ জৰিয়তে টেলি-শিক্ষা আঁচনি অন্তৰ্ভুক্ত কৰি ৰূপায়ণ কৰা হৈছে। চলিত বৰ্ষত টেলি-শিক্ষা কাৰ্যসূচী ৰূপায়ণৰ বাবে ৪.৫৮ কোটি টকা মুকলি কৰা হৈছে। মোৰ চৰকাৰে আন ২৫০ খন বিদ্যালয়ত টেলি ক্লাছৰুমৰ সম্প্ৰসাৰণৰ যো-জা চলাই আছে।

শিক্ষাগতভাৱে পিছ পৰা ব্লকত (ইবিবিএছ) আৰএমএছএৰ অধীনত ৪৬ খন আদৰ্শ বিদ্যালয় নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰা হৈছে আৰু ইয়াৰে ভিতৰত ২০ খন আদৰ্শ বিদ্যালয়ৰ কাৰ্যক্ষম হৈছে। আন ১০ খন আদৰ্শ বিদ্যালয়ো পাঠদানৰ বাবে সাজু হৈ উঠিছে। এই আদৰ্শ বিদ্যালয়কেইখনত মুঠ নামভৰ্তি কৰোঁতাৰ সংখ্যা হৈছে ১১০৬১।

মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাথনি উন্নত কৰিবলৈ সৰ্বমুঠ ২২৭৯ খন বিদ্যালয়ৰ বাবে আৰএমএছএৰ অধীনত আন্তঃগাঁথনি উন্নয়নৰ কাম হাতত লোৱা হৈছে আৰু এই অনুযায়ী ২১২২ টা অতিৰিক্ত শ্ৰেণীকোঠা, ১১৩৩ টা সংহত

বিজ্ঞান পৰীক্ষাগাৰ, ৯৭৬ টা কম্পিউটাৰ পৰীক্ষাগাৰ, ৮৯০ টা লাইব্ৰেৰী, ১১০ টা আৰ্ট ক্ৰাফট কালচাৰ ৰুম আৰু ৩৭৯৩ টা শৌচাগাৰ সম্পূৰ্ণ হৈছে।

মাধ্যমিক স্তৰত আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়াল আৰু শিক্ষাগতভাৱে পিছপৰা সম্প্ৰদায়ৰ ছোৱালীসকলক আৱাসিক সুবিধা প্ৰদান কৰাৰ বাবে, ৮১ টা শিক্ষাগতভাৱে পিছ পৰা সমূহীয়া উন্নয়ন খণ্ডত বিভিন্ন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় চৌহদত ১০০ শয্যাযুক্ত কস্তুৰবা গান্ধী বালিকা বিদ্যালয়-IV (কেজিভিবি-IV ) নিৰ্মাণ কৰা হৈছে। ইয়াৰ ভিতৰত ৫০ টা হোষ্টেলৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু ৩৫ টা ছোৱালী হোষ্টেলৰ কাম চলি আছে আৰু আন ১৪ টা হোষ্টেলৰ কাম আৰম্ভ কৰাৰ প্ৰস্তুতি চলোৱা হৈছে।

সমগ্ৰ শিক্ষাৰ অধীনত সকলো বিদ্যালয়ৰ (ব্যক্তিগত বিদ্যালয়সহ) প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ সকলো শিক্ষাৰ্থীৰ বাবে বেংক একাউণ্ট খোলা হৈছে। এই বেংক একাউণ্টৰ সৈতে শিক্ষাৰ্থীসকলে দুৰ্ঘটনাজনিত বীমা লাভ কৰিব। সমগ্ৰ শিক্ষা, অসমৰ জৰিয়তে এতিয়ালৈকে ৰাজ্যৰ প্ৰায় ৯.০০ লাখ শিক্ষাৰ্থীৰ বেংক একাউণ্ট খোলা হৈছে।

পৰ্যায়ক্ৰমে অসমৰ ১০০ খন মাধ্যমিক আৰু চিনিয়ৰ মাধ্যমিক বিদ্যালয়ত ৰোবোটিক্স পৰীক্ষাগাৰ প্ৰৱৰ্তন কৰাটো হৈছে আৰএমএছএ, অসমৰ অসামৰিক কাৰ্যকলাপৰ এক উল্লেখনীয় সাফল্য। কৃত্ৰিম বুদ্ধিমত্তা (এ-আই) আধাৰিত শিক্ষাও আৰম্ভ কৰা হৈছে। শিক্ষা বিভাগত প্ৰশাসনৰ কাম-কাজৰ কম্পিউটাৰকৰণৰ জৰিয়তে বিভাগটোৰ কাৰ্যালয়ক কাগজবিহীন কাৰ্যালয় হিচাপে তৈয়াৰ কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে।

ক'ভিড-১৯ মহামাৰী কালত ৰেডিঅ' সম্প্ৰচাৰ মোড, ম'বাইল এপ মোড আৰু ইউ টিউব চেনেল, দীক্ষা পৰ্টেল-এক ৰাষ্ট্ৰ এক প্লেটফৰ্ম, স্বয়ম প্ৰভা-এ ডিটিএইচ টিভি চেনেল, কৃত্ৰিম বুদ্ধিমত্তা আদিৰ জৰিয়তে প্ৰথম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে এক বিশেষ শিক্ষামূলক চেনেল ‘জ্ঞান বৃক্ষ’ৰ আৰম্ভণি কৰা হৈছে।

প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো শিক্ষাৰ্থীসকলৰ আধাৰ ভিত্তিত নামভৰ্তি আৰম্ভ কৰা হৈছে। বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ আধাৰ নামভৰ্তিৰ বাবে

‘সমগ্ৰ শিক্ষা’ অসম’ক নোডেল সংস্থা হিচাপে নামকৰণ কৰা হৈছে। এই উদ্দেশ্যে ৩৭২ টা আধাৰ কিট আৰু ৭৪৪ টা অপাৰেটৰ চিনাক্ত কৰি প্ৰশিক্ষণ দিয়া হৈছে। এতিয়ালৈকে ২০১৮৮ গৰাকী শিক্ষাৰ্থীৰ আধাৰ নামভৰ্তি কৰা হৈছে।

**সচিবালয় প্ৰশাসন বিভাগ ঃ**

মোৰ চৰকাৰে সচিবালয়ত মানৱ সম্পদ ব্যৱস্থাপনা প্ৰণালী প্ৰৱৰ্তন কৰিছে আৰু ইয়াৰ নিয়ন্ত্ৰণত থকা সকলো কৰ্মচাৰীৰ ছাৰ্ভিচ বুক ডিজিটাইজড্ কৰা হৈছে।

পিছত, ২০১৯ চনত নতুন মডিউল যেনে অনলাইন ছুটী, অনলাইন বাৰ্ষিক গোপনীয় প্ৰতিবেদন আৰু বাৰ্ষিক সম্পত্তি ৰিটাৰ্ণ দাখিল আৰম্ভ কৰা হৈছে।

শাসনত স্বচ্ছতা বজাই ৰখাৰ বাবে সামঞ্জস্যপূৰ্ণ আৰু সঠিক ধৰণে তথ্য আৰু সেৱা প্ৰদান কৰাৰ বাবে, ই-প্ৰস্তুতি প্ৰকল্প আৰম্ভ কৰা হৈছে। ই-প্ৰস্তুতিৰ অধীনত নতুন বৈশিষ্ট্য অন্তৰ্ভুক্ত কৰি ৰাজ্যিক পৰ্টেলটো উন্নীত কৰা হৈছে।

**দক্ষতা, নিয়োগ আৰু উদ্যমিতা ঃ**

মোৰ চৰকাৰে ৩৫ টা খণ্ডত আৰু ১৭৯ টা কৰ্মক্ষেত্ৰৰ বাবে ৮৬০০০ প্ৰাৰ্থীক প্লেচমেণ্ট লিংকড দক্ষতা প্ৰশিক্ষণ কাৰ্যসূচী (পিএলএছটিপি)ৰ অধীনত প্ৰশিক্ষণ প্ৰদানৰ বাবে ৭৬১ টা প্ৰশিক্ষণ কেন্দ্ৰৰ (টিচি) লগতে ১৯৩ টা প্ৰশিক্ষণ অংশীদাৰ (টিপি) বাছনি কৰিছে। এতিয়ালৈকে ৫৬,১৯৩ জন প্ৰাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছে আৰু ৫৫,৭৮৯ জনক প্ৰমাণপত্ৰ দিয়া হৈছে আৰু মুঠ ২০,১৫৩ জনক কৰ্মসংস্থাপন দিয়া হৈছে।

মোৰ চৰকাৰে প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনাৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে ৯৯ টা প্ৰশিক্ষণ কেন্দ্ৰৰ সৈতে ৪২ টা প্ৰশিক্ষণ অংশীদাৰ বাছনি কৰিছে।

মোৰ চৰকাৰে জাপানী ভাষাৰ ওপৰত দক্ষতা প্ৰশিক্ষণৰ প্ৰসাৰৰ হকে কাম কৰি আছে আৰু প্ৰথম পৰ্যায়ত ১৮০ জন প্ৰাৰ্থীক প্ৰশিক্ষণ দিয়াৰ পদক্ষেপ লোৱা হৈছে।

মোৰ চৰকাৰে ৰিটেইল, আতিথ্য আৰু সৌন্দৰ্য আৰু সুস্থতা খণ্ডত আন্তৰ্জাতিক মানৰ দক্ষতা প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে ছিংগাপুৰৰ আইটিইএছৰ সহযোগত গুৱাহাটীত উত্তৰ-পূব দক্ষতা কেন্দ্ৰ (এনইএছচি) স্থাপন কৰিছে।

মোৰ চৰকাৰে মঙলদৈত প্ৰথমখন অসম দক্ষতা বিশ্ববিদ্যালয় স্থাপনৰ পৰিকল্পনা কৰিছে। ৰাজ্যৰ লগতে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সকলো বৃত্তিমূলক দক্ষতাৰ ই এক কেন্দ্ৰ হৈ পৰিব। এছীয় উন্নয়নী বেংকৰ ১১২ নিযুত ডলাৰ বিনিয়োগৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদানেৰে অসম দক্ষতা বিশ্ববিদ্যালয় আইন, ২০২০ ইতিমধ্যে কাৰ্যকৰী হৈছে।

কেন্দ্ৰীয়ভাৱে পৃষ্ঠপোষকতা কৰা আঁচনি ৰাষ্ট্ৰীয় কেৰিয়াৰ সেৱা (এনচিএছ)ৰ অধীনত, মোৰ চৰকাৰে গুৱাহাটী, নগাঁও, যোৰহাট, হাফলং আৰু শিলচৰৰ জিলা নিয়োগ বিনিময় কেন্দ্ৰত ৫টা মডেল কেৰিয়াৰ চেণ্টাৰ (এমচিচি) স্থাপন কৰিছে।

নিয়োগ আৰু কাৰুশিল্প প্ৰশিক্ষণ সঞ্চালকালয়ৰ দ্বাৰা ২০১৭-১৮, ২০১৮-১৯ আৰু ২০১৯-২০ চনত চাকৰি মেলা আয়োজন কৰা হৈছিল য'ত ২৪,২০০ জন প্ৰাৰ্থীয়ে অংশগ্ৰহণ কৰিছিল আৰু বিভিন্ন কাৰিকৰী আৰু অ-কাৰিকৰী পদৰ বিপৰীতে প্ৰায় ৯২৪ জন প্ৰাৰ্থীক তালিকাভুক্ত কৰা হৈছিল।

এনআৰএল আৰু আইটিআই, তিতাবৰৰ সহযোগত গোলাঘাটত নৱনিৰ্মিত আই টি আই-ৰ কাম-কাজ আৰম্ভ হৈছে। যোৰহাটৰ ইনষ্টিটিউট মেনেজমেণ্ট কমিটিৰ সহযোগত আৰম্ভ হোৱা এই শিক্ষানুষ্ঠানৰ ঔদ্যোগিক অংশীদাৰ হৈছে এনআৰএল।

ডিব্ৰুগড়ত আই টি আই দিব্যাংগ আৰু বিশ্বনাথ জিলাৰ চতিয়াত আন এখন নতুন আই টি আই স্থাপনৰো যো-জা চলোৱা হৈছে।

তদুপৰি, অসমৰ যুৱক-যুৱতীসকলক দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰাৰ বাবে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব ব্যৱস্থাৰ অধীনত ২৭ খন নতুন আই টি আই স্থাপন কৰা হৈছে।

'কাৰাগাৰৰ পৰা কাৰিকৰ'ৰ অধীনত, কাৰাবন্দীসকলৰ বাবে বৈদ্যুতিক পাঠ্যক্ৰমৰ ওপৰত হ্ৰস্বম্যাদী দক্ষতা বিকাশ প্ৰশিক্ষণ ০১-০১-২০১৮ তাৰিখে যোৰহাটৰ কেন্দ্ৰীয় কাৰাগাৰ উদ্বোধন কৰা হৈছিল।

**সমাজ কল্যাণ ঃ**

মোৰ চৰকাৰে মহিলা, শিশু, বিশেষভাৱে সক্ষম ব্যক্তি, জ্যেষ্ঠ নাগৰিক আৰু তৃতীয় লিংগৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

সংহত শিশু উন্নয়ন সেৱা আঁচনি নামৰ ধ্বজাবাহী আঁচনিৰ অধীনত, ২০২০-২১ বৰ্ষত (কেন্দ্ৰীয় আৰু ৰাজ্যৰ অংশ ৯০ঃ১০ ভিত্তিত) ১০৭৬৬০.৩৩ লাখ টকা মুকলি কৰা হৈছে। সম্পূৰক পুষ্টি কাৰ্যসূচীৰ অধীনত ২০২০-২১ বৰ্ষৰ বাবে বাজেটত ৬০৫৫০.৯৬ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে (কেন্দ্ৰীয় আৰু ৰাজ্যৰ অংশ ৯০ঃ১০ ভিত্তিত)।

মাননীয় প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় কেবিনেটে বাধাপ্ৰাপ্ত বিকাশ, অপুষ্টি, ৰক্তহীনতা (শিশু, কিশোৰী আৰু মহিলাৰ মাজত) হ্ৰাস কৰা আৰু দেশৰ সকলো জিলাত পৰ্যায়ক্ৰমে কম ওজনৰ শিশুৰ জন্মৰ হাৰ হ্ৰাস কৰাৰ লক্ষ্যৰে পোষণ অভিযান (ৰাষ্ট্ৰীয় পোষণ মিছন-এনএনএম) আৰম্ভ কৰাত অনুমোদন জনাইছে। ২০২০-২১ বৰ্ষত পোষণ অভিযানৰ অধীনত ১৫,০২৬ লাখ টকা মুকলি কৰা হৈছে।

'দীন দয়াল দিব্যাংগজন পেঞ্চন আঁচনি'ৰ অধীনত, মোৰ চৰকাৰে ১,৬০,৬১২ জন হিতাধিকাৰীক ২০২০-২১ বৰ্ষত উপকৃত কৰিছে। 'দীন দয়াল দিব্যাংগজন পেন্সন আঁচনি'ৰ অধীনত ২০২০-২১ বৰ্ষত (এছঅ'পিডি হিচাপে) ২০৭২৫ লাখ টকা মুকলি কৰা হৈছে।

ৰাজ্যিক তৃতীয় লিংগ কল্যাণ ব'ৰ্ড, অসম গঠন কৰা হৈছে আৰু সমিতি পঞ্জীয়ন আইন, ১৯৮০ৰ অধীনত পঞ্জীয়ন কৰা হৈছে। ২০২০-২১ বৰ্ষত, আঁচনিখনৰ বাবে ১৪২.৫০ লাখ টকা আৱণ্টন কৰা হয়।

**ভূমি সংৰক্ষণ ঃ**

মোৰ চৰকাৰে ২০২০-২১ বৰ্ষত জল শক্তি অভিযানৰ অধীনত ২৯৩৫.৯৭৮ লাখ টকাৰ বিত্তীয় অন্তৰ্ভুক্তিৰে ভূমি-আৰ্দ্ৰতা আৰু জল সংৰক্ষণ ব্যৱস্থা গ্ৰহণ কৰি প্ৰায় ১৬৩১০.৯৯ হেক্টৰ বৰষুণ হোৱা কৃষি ভূমি বিকশিত

কৰাৰ লক্ষ্য লৈছে। সেই অনুসৰি, বৰ্তমানলৈকে, বিভাগটোৱে কাৰ্যসূচীখনৰ অধীনত ১১০২.০৫৮ লাখ টকাৰ বিত্তীয় ব্যয়ৰ সৈতে প্ৰায় ৬১২২.৫৪ হেক্টৰ কৃষি ভূমি বিকশিত কৰিছে। ২০১৯-২০ বৰ্ষত, বিভাগটোৱে ৫২৭.০৭৮৫ লাখ টকাৰ ব্যয়েৰে অসমৰ ১৭ টা বিভিন্ন স্থানত প্ৰায় ২৯২৮.০০ হেক্টৰ অৱনমিত আৰ্দ্ৰভূমি বিকশিত কৰিছে আৰু সেয়া সংহত কৃষিৰ বাবে ব্যৱহাৰ কৰিছে। লগতে উক্ত কাৰ্যসূচীৰ অধীনত ২২১৭.৩২৮১ লাখ টকাৰ বিত্তীয় অন্তৰ্ভুক্তিৰে প্ৰায় ১২৩১৭.৪৮ হেক্টৰ বৰ্ষাসিক্ত কৃষি ভূমি বিকশিত কৰা হৈছে।

মোৰ চৰকাৰে উক্ত কাৰ্যসূচীৰ অধীনত ৫৯৯৪.৯২৮ লাখ টকা ব্যয় সাপেক্ষে প্ৰায় ৭৮ টা প্ৰকল্প ৰূপায়ণ কৰিছে আৰু ইয়াৰ দ্বাৰা মাটি আৰু পানী সংৰক্ষণৰ ক্ষেত্ৰত মূল্যৱান সম্পদ সৃষ্টি কৰি কৃষকসকলক একক খেতিৰ পৰিৱৰ্তে একাধিক খেতি কৰিবলৈ উদগনি যোগাইছে।

২০২০-২১ বৰ্ষত ৩৭৭৮৩ হেক্টৰ বৰ্ষাসিক্ত কৃষি ভূমি বিকাশৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চায়ী যোজনাৰ (পিএমকেএছৱাই) অধীনত জলবিভাজিকা বিকাশৰ বাবে বিভিন্ন প্ৰকল্প ৰূপায়ণ কৰিবলৈ মোৰ চৰকাৰে ৪৫৩৪.০০ লাখ টকা মুকলি কৰি দিছে।

**ক্ৰীড়া আৰু যুৱ কল্যাণ ঃ**

অসমক ভাৰতৰ ক্ৰীড়া কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আৰু গুৱাহাটীক দেশৰ ক্ৰীড়া ৰাজধানী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ, মোৰ চৰকাৰে ১০ ৰ পৰা ২২ জানুৱাৰী, ২০২০লৈ গুৱাহাটীত ৩য় খেলো ইণ্ডিয়া যুথ গেমছ্, ২০২০ (কেআইৱাইজি, ২০২০) অনুষ্ঠিত কৰিছিল য'ত দেশৰ সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা ১২,০০০ তকৈও অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। এই অনুষ্ঠানটোৱে ৰাজ্যৰ উদীয়মান খেলুৱৈসকলক তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰাৰ সুযোগ প্ৰদান কৰিছে।

মোৰ চৰকাৰে চলিত বিত্তীয় বৰ্ষ ২০১৯-২০ ৰ পৰা ৰাজ্যিক ক্ৰীড়া প্ৰতিভা অনুসন্ধান বৃত্তিৰ ধনৰ পৰিমাণ বৃদ্ধি কৰিছে।

গ্ৰামাঞ্চলত ক্ৰীড়া আন্তঃগাঁথনি বিকাশৰ এক অংশ হিচাপে, মোৰ চৰকাৰে

ইতিমধ্যে অসম যুৱ উন্নয়ন মিছন ছ'চাইটি (এৱাইডিএমএছ)ৰ জৰিয়তে সমগ্ৰ ৰাজ্যত ৫০০ খেলপথাৰ (প্ৰতি উন্নয়ন খণ্ডত ২ খন খেলপথাৰ) উন্নীতকৰণৰ বাবে ৪০.০০ কোটি টকা অনুমোদন আৰু মুকলি কৰিছে।

মোৰ চৰকাৰে প্ৰথমবাৰৰ বাবে ৰাজ্যখনত এখন ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই বিশ্ববিদ্যালয়খনে শাৰীৰিক শিক্ষা, ক্ৰীড়া বিজ্ঞান, ক্ৰীড়া প্ৰযুক্তি, ক্ৰীড়া ঔষধ, ক্ৰীড়া ব্যৱস্থাপনা আৰু ক্ৰীড়া প্ৰশিক্ষণ আৰু ক্ৰীড়া আৰু প্ৰায়োগিক ক্ৰীড়া অঞ্চলৰ সৈতে সম্পৰ্কিত গৱেষণা ক্ষেত্ৰত স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰদান কৰিব। উপাচাৰ্য আৰু পঞ্জীয়কক ইতিমধ্যে নিযুক্ত কৰা হৈছে আৰু অন্যান্য প্ৰশাসনিক আৰু শৈক্ষিক কৰ্মচাৰী নিযুক্ত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা হৈছে।

আমাৰ ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ অংশ পৰম্পৰাগত খেলসমূহক জনপ্ৰিয় আৰু সংৰক্ষণ কৰাৰ বাবে, মোৰ চৰকাৰে ২০১৮-১৯ আৰু ২০১৯-২০ চনত জিলা পৰ্যায় আৰু ৰাজ্যিক পৰ্যায়ত থলুৱা খেল অনুষ্ঠিত কৰিছিল।

সকলোৰে বাবে খেলৰ পৰিৱেশ সৃষ্টিৰ উদ্দেশ্যে প্ৰথমবাৰৰ বাবে মোৰ চৰকাৰে ২০১৮-১৯ চনত গুৱাহাটীত ৰাজ্যিক পৰ্যায়ৰ দিব্যাংগজন ক্ৰীড়া সমাৰোহ (বিশেষ আৰু পেৰা অলিম্পিক) অনুষ্ঠিত কৰে য'ত ২০০ ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।

**চাহ জনজাতি কল্যাণ ঃ**

স্ব-নিয়োজিত যুৱকসকলক সহায়ৰ বাবে মোৰ চৰকাৰে আৰম্ভ কৰা চাহ জনজাতিৰ কল্যাণৰ বাবে বিশেষ আঁচনিৰ অধীনত এক আঁচনি— 'ছহিদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনি' গ্ৰহণ কৰা হৈছে যাৰ দ্বাৰা ১৫,১৬৮ জন চাহ জনজাতি সম্প্ৰদায়ৰ শিক্ষিত স্ব-নিয়োজিত যুৱক-যুৱতীসকলক চলিত ২০২০-২১ বিত্তীয় বৰ্ষত প্ৰত্যেককে ২৫০০০ টকাৰ বিত্তীয় অনুদান প্ৰদান কৰা হৈছে।

চাহ জনজাতি সম্প্ৰদায়ৰ সংস্কৃতিৰ সংৰক্ষণ, বিকাশ আৰু প্ৰচাৰৰ বাবে, মোৰ চৰকাৰে চাহ বাগিচাসমূহত কমেও ৭৫ খন ৰংগমঞ্চ বা সাংস্কৃতিক পেভিলিয়নৰ নিৰ্মাণ আৰম্ভ কৰিছে য'ত প্ৰতিখনতে ১৫ লাখ টকাকৈ ব্যয় হৈছে।

চাহ জনজাতিৰ সম্প্ৰদায়ৰ মাজত ক্ৰীড়া বিকাশৰ বাবে মোৰ চৰকাৰে শোণিতপুৰ জিলাৰ ৰঙাপৰাত ফুটবল একাডেমী, তিনিচুকীয়া জিলাৰ ছোটা টিংৰাই আৰু চৰাইদেউ জিলাৰ সোণাৰিত আৰ্চাৰী একাডেমীৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে।

মোৰ চৰকাৰে বছৰে বছৰে যক্ষ্মা, কৰ্কট ৰোগ আৰু অন্যান্য মাৰাত্মক ৰোগত ভুগি থকা ৰোগীসকলক নিৰন্তৰ বিত্তীয় সহায় প্ৰদান কৰিবলৈ সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে।

আত্মসহায়ক গোটৰ জৰিয়তে সামূহিক আত্মনিৰ্ভৰশীলতা আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ ভূমিকাৰ গুৰুত্ব উপলব্ধি কৰি মোৰ চৰকাৰে মহিলা আত্মসহায়ক গোটসমূহৰ প্ৰতিটো গোটকে ২৫,০০০ টকাকৈ বিত্তীয় অনুদান প্ৰদান কৰি আহিছে।

মোৰ চৰকাৰে অসম চৰকাৰৰ অধীনত প্ৰত্যেক প্ৰশাসনিক আৰু ৰূপায়ণকাৰী বিভাগে চাহ বাগিচা অঞ্চলৰ বাবে তেওঁলোকৰ বাৰ্ষিক আৱণ্টিত বাজেটৰ কমেও ৫ শতাংশ ধন প্ৰদান কৰাতো বাধ্যতামূলক কৰিছে; যাৰ ফলত লোক নিৰ্মাণ বিভাগে চাহ বাগিচা অঞ্চলত সকলো বতৰৰ উপযোগী পথ নিৰ্মাণ কৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে প্ৰথমবাৰৰ বাবে চাহ বাগিচাৰ চিকিৎসালয়ৰ সৈতে ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব ব্যৱস্থাৰে স্বাস্থ্য সম্পৰ্কীয় আঁচনি ৰূপায়ণ কৰা, চাহ বাগিচাত ম'বাইল চিকিৎসা ইউনিট আৰম্ভ কৰাৰ লগতে চাহ বাগিচা অঞ্চলত এনে একাধিক উন্নয়নমূলক কাম আৰম্ভ হ'বলৈ লৈছে।

**পৰ্যটন ঃ**

'প্ৰসাদ' (PRASAD) আঁচনিৰ অধীনত ভাৰত চৰকাৰৰ বিত্তীয় সাহায্যৰে কামাখ্যা মন্দিৰৰ আন্তঃগাঁথনি উন্নয়নৰ কাম প্ৰায় সম্পূৰ্ণ কৰা হৈছে।

বনাঞ্চল মানস-পবিতৰা-নামেৰী-কাজিৰঙা-ডিব্ৰু ছৈখোৱাত আৰু ঐতিহ্য ক্ষেত্ৰ তেজপুৰ-মাজুলী-শিৱসাগৰত স্বদেশ দৰ্শন আঁচনিৰ অধীনত ভাৰত চৰকাৰৰ বিত্তীয় সাহায্যৰে বিভিন্ন নিৰ্মাণ কাৰ্য ২০২১ চনৰ মাৰ্চ মাহ পৰ্যন্ত সম্পূৰ্ণ হ'ব। তদুপৰি, এন ই চিৰ বিত্তীয় সাহায্যৰে শিৱসাগৰ বুদ্ধ বিহাৰক বৌদ্ধ পৰ্যটন কেন্দ্ৰলৈ উন্নীতকৰণৰ কাম চলি আছে আৰু ২০২১ চনৰ মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা ।

অসম চৰকাৰৰ বিত্তীয় সাহায্যৰে ‘উত্তৰণ’ (UTTORON) আঁচনিৰ অধীনত (ক) বৰছলা সমষ্টিৰ অন্তৰ্গত গুপ্তেশ্বৰৰ ঐতিহ্যক্ষেত্ৰৰ উন্নয়ন আৰু (খ) যোৰহাটৰ টোকলাইত চাহ পৰ্যটন ক্ষেত্ৰ নিৰ্মাণৰ কাম চলি আছে আৰু কামৰ অগ্ৰগতি সন্তোষজনক। আনহাতে উক্ত আঁচনিৰ অধীনত (গ) কামৰূপ (গ্ৰাম্য) ছয়গাঁৱত অৱস্থিত মা চন্দিকা দেৱালয়/চান্দ-সদাগৰ মেৰঘৰৰ উন্নয়ন আৰু (ঘ) পশ্চিম গুৱাহাটীৰ পৰ্যটন উন্নয়ন কাৰ্যকলাপক সামৰি দীপৰ বিলৰ উন্নয়নৰ কাম অচিৰেই আৰম্ভ হ'ব।

**ৰূপান্তৰ আৰু উন্নয়ন ঃ**

ৰূপান্তৰ আৰু উন্নয়ন বিভাগে ২০১৬-২০২১ বৰ্ষৰ ভিতৰত কেইবাখনো নতুন আঁচনি আৰম্ভ কৰিছে।

সেইসমূহ হ'ল—

২০১৬-১৭ বৰ্ষত বিধায়ক স্থানীয় এলেকা উন্নয়ন পুঁজিৰ অধীনত সুহৃদ আঁচনিৰ শুভাৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত দৰিদ্ৰ লোকসকলৰ স্বাস্থ্য আৰু শিক্ষাৰ সুবিধা প্ৰদান কৰাৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছে। এই উদ্দেশ্যে, প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে প্ৰতি বছৰে ৫০ লাখ টকাকৈ অনুমোদন জনোৱা হৈছে।

২০১৮-১৯ বৰ্ষত গাঁওসমূহৰ সৰ্বাংগীন উন্নয়নৰ বাবে অসম আদৰ্শ গ্ৰাম যোজনা আৰম্ভ কৰা হৈছিল। প্ৰতি বছৰে একাটা সমষ্টিৰ দুখনকৈ গাঁৱৰ উন্নয়নৰ বাবে প্ৰতিখনতে ৫০ লাখ টকাকৈ মুঠতে ১০০ লাখ টকা ধাৰ্য কৰা হৈছে।

ৰাজ্যখনৰ ধৰ্মীয় স্থান আৰু ঐতিহাসিক গুৰুত্ব থকা স্থানসমূহৰ ঐতিহ্য আৰু সংস্কৃতি সংৰক্ষণৰ বাবে ২০১৯-২০ বৰ্ষত অসম দৰ্শন আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত ২০১৯-২০ বৰ্ষত ৯১৫ খন ধৰ্মীয় স্থানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে গাইপতি ১০ লাখ টকাকৈ সৰ্বমুঠ ৯১.৫০ কোটি টকা মুকলি কৰি দিয়া হৈছে আৰু ২০২০-২১ বৰ্ষত ৩৭৭ খন ধৰ্মীয় স্থানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে গাইপতি ১০ লাখ টকাকৈ সৰ্বমুঠ ৩৭.৭০ কোটি টকা মুকলি কৰি দিয়া হৈছে  নিৰ্ধাৰিত ৮০০০ নামঘৰৰ ভিতৰত ৬৯৭৩ টা নামঘৰলৈ আন্তঃগাঁথনি উন্নয়নৰ বাবে গাইপতি ২.৫০ লাখকৈ সৰ্বমুঠ ১৭৪.৩২৫ কোটি টকা মুকলি কৰি দিয়া হৈছে।

আহোম, মটক, মৰাণ আৰু চুতীয়া সম্প্ৰদায়ৰ বাবে বিশেষ উন্নয়ন পেকেজৰ বাবে ৫০০ কোটি টকা ধাৰ্য কৰা হৈছে। নিয়মাৱলী প্ৰস্তুত কৰা হৈছে আৰু প্ৰকল্প/আঁচনিৰ তালিকা প্ৰস্তুত আৰু চূড়ান্তকৰণৰ বাবে শিৱসাগৰ, ডিব্ৰুগড়, গোলাঘাট আৰু তিনিচুকীয়া জিলাৰ উপায়ুক্তলৈ প্ৰেৰণ কৰা হৈছে।

মাজুলীৰ বাবে বিশেষ উন্নয়ন কাৰ্যসূচীৰ অধীনত ২০২১-২২ বৰ্ষত ২৩.৭৫ কোটি টকাৰ ১০ টা আঁচনি অনুমোদনৰ বাবে লাভ কৰা হৈছে।

দৰং, বৰপেটা, ধুবুৰী, গোৱালপাৰা, বাক্সা, ওদালগুৰি আৰু হাইলাকান্দিৰ উন্নত ৰূপান্তৰৰ উদ্দেশ্যে Aspirational District Programme ২০১৮ চনৰ জানুৱাৰীত আৰম্ভ কৰা হৈছে। সাতোখন জিলাৰে প্ৰদৰ্শন ভাল আৰু বিশেষ ক্ষেত্ৰসমূহ যেনে- কৃষি, স্বাস্থ্য আৰু পুষ্টি, শিক্ষা আৰু দক্ষতা বিকাশ, মৌলিক আন্তঃগাঁথনি ইত্যাদিত উন্নত প্ৰদৰ্শনৰ বাবে উল্লেখযোগ্য স্থান লাভ কৰিছে।

**পৰিবহণ ঃ**

যান-বাহন ৰাজহ সংগ্ৰহত স্বচ্ছতা অনাৰ বাবে, যান-বাহন কৰ সংগ্ৰহৰ বাবে নগদবিহীন লেনদেন, এম ভি ফীজ, পাৰ্মিট ফীজ ইত্যাদি পৰিবহণ আয়ুক্তকে ধৰি ৰাজ্যৰ সকলো জিলাত পিঅএছ মেছিন সহ ২০২০ চনৰ ১ ছেপ্তেম্বৰৰ পৰা আৰম্ভ কৰা হৈছে।

মোৰ চৰকাৰে যোৱা কেইবছৰত জল পৰিবহনৰ উন্নয়নৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্মাণ কৰিবলগীয়া তীখা আৰু কাঠৰ ১৮ খন বিভিন্ন ক্ষমতাৰ জাহাজৰ ভিতৰত ১২খন ইতিমধ্যে নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে আৰু বাকী ছখন নিৰ্মাণৰ অন্তিম পৰ্যায়ত আছে আৰু চলিত বিত্তীয় বৰ্ষত ফেৰী সেৱা ৰূপায়ণ কৰা হ'ব।

ব্ৰহ্মপুত্ৰ উত্তৰ আৰু দক্ষিণ পাৰৰ মাজত যোগাযোগ ব্যৱস্থা উন্নীত কৰাৰ বাবে, বিশেষকৈ ধুবুৰী, গুৱাহাটী আৰু মাজুলীত ভাৰত চৰকাৰৰ Ministry of Shipping ৰ অধীনৰ ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণে ৩৮ মিটাৰ দৈৰ্ঘৰ চাৰিখন Ro-Pax জাহাজ প্ৰদান কৰিছে আৰু এইবছৰতে ইয়াৰ সেৱা আৰম্ভ হ'ব। AIWTDP ৰ অধীনত ২০ খন অত্যাধুনিক জাহাজ ক্ৰয় কৰাৰ ব্যৱস্থা লোৱা হৈছে।

উদ্যমিতা প্ৰসাৰৰ বাবে ওবেৰাইজেছন আঁচনি, তীৰ্থযাত্ৰাৰ বাবে ধৰ্মজ্যোতি আঁচনি, স্বচ্ছ কামাখ্যা ভিছন ২০২৭ ৰ অংশ হিচাবে বৈদ্যুতিক বাছ যোগান, অসমৰ কৰ্কট ৰোগীৰ বাবে মুম্বাইত এখন বিলাসী এচি বাছ যোগান, নিৰাপদ আৰু মহিলাকেন্দ্ৰিক ৰাজহুৱা পৰিবহণৰ বাবে ভ্ৰমণ সাৰথিৰ ব্যৱস্থা কৰা হৈছে। ভ্ৰমণ-সাৰথি আঁচনিৰ অধীনত ২৫খন গুলপীয়া বাছ যোগান ধৰা হৈছে। আন্তঃগাঁথনি উন্নয়ন আৰু উন্নীতকৰণৰ বাবে মাজুলীত আস্থান গৃহ উন্নীতকৰণ, বিশ্বনাথ চাৰিআলিত বৈদ্যুতিক বাছ চাৰ্জিং আস্থান, ৰঙাপাৰা, তেজপুৰ আৰু খানাপাৰাত আইএছবিটি নিৰ্মাণৰ কাম চলি আছে।

মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে অসম ৰাজ্যিক পৰিবহণ নিগমে ২০১৬-১৭ বিত্তীয় বৰ্ষৰপৰা ইয়াৰ বিত্তীয় অৱস্থা উন্নত কৰিবলৈ সক্ষম হৈছে। ২০১৬-১৭ বিত্তীয় বৰ্ষত বাৰ্ষিক আয়৭৯.৫৬ কোটি টকাৰপৰা এই পৰিমাণ ১০১ কোটি টকালৈ বৃদ্ধি পাইছে। বৃদ্ধিৰ পৰিমাণ ২৭ শতাংশ।

**নগৰ উন্নয়ন ঃ**

মোৰ চৰকাৰে পেভাৰ ব্লকযুক্ত পথ নিৰ্মাণ, পকী ঢাকনিযুক্ত নলা নিৰ্মাণ, ৰাজহুৱা প্ৰস্ৰাৱগাৰ নিৰ্মাণ, উদ্যানসমূহৰ সৌন্দৰ্যবৰ্ধন, ৱাকিং জ'ন, জল নিকায়, ওখকৈ এল ই ডি লাইট সংস্থাপন, সৌৰচাকি সংস্থাপন আৰু অন্যান্য ধৰণৰ বিভিন্ন আঁচনি ৰূপায়ন কৰি আছে। ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষসমূহত ৩৩৪ কি.মি. পেভাৰ ব্লকযুক্ত পথ নিৰ্মাণৰ বাবে ১৫০২৪.৯৭ লাখ টকা ব্যয় কৰা হৈছে। ২০১৭-১৮ বৰ্ষত “প্ৰ'জেক্ট জ্যোতি”ৰ অধীনত ৯২টা নগৰীয়া স্থানীয় নিকায়লৈ ১০০০.০০ লাখ টকা মুকলি কৰি দিয়া হৈছে। ২০২০-২১ বৰ্ষত নগৰীয়া স্থানীয় নিকায়সমূহলৈ গোটা আৱৰ্জনা নিষ্কাষনৰ বাবে ১১৬টা এলপিকে টিপাৰ আৰু ৪৬টা স্কীড ষ্টীয়াৰ ল'ডাৰ প্ৰদান কৰা হৈছে।

ভাৰত চৰকাৰৰ ড'নাৰ মন্ত্ৰালয়ৰ এন এল চি পি আৰ আৰু উত্তৰ-পূব পৰিষদৰ আঁচনিসমূহৰ অধীনত ২৬৩১৯.৭৫ লাখ টকা ব্যয়ৰ ১৪টা প্ৰধান আন্তঃগাঁথনিগত প্ৰকল্প ৰূপায়নৰ বিভিন্ন স্তৰত আছে।

অসম নগৰ পানী যোগান আৰু নৰ্দমা ব'ৰ্ডে ৰাজ্যখনৰ ৬১খন নগৰত পৰিশোধিত খোৱা পানী যোগানৰ বাবে ৭৬খন নগৰীয়া পানী যোগান আঁচনি

হাতত লৈছে। পঞ্চম অসম ৰাজ্যিক বিত্ত আয়োগ (২০১৬-২০২০)ৰ অধীনত, ৯খন পানী যোগান আঁচনিৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে।

ভাৰত চৰকাৰৰ দ্বাৰা অসমৰ আটাইবোৰ নগৰাঞ্চলকে "মুকলিত মলত্যাগমুক্ত" হিচাপে ঘোষণা কৰা হৈছে। ইয়াৰোপৰি 'স্বচ্ছ সৰ্বেক্ষণ-২০২০' নামেৰে ভাৰত চৰকাৰৰ দ্বাৰা আয়োজিত পৰিচ্ছন্নতা, স্বচ্ছতা আৰু অনাময় সম্পৰ্কীয় এক বাৰ্ষিক জৰীপ অনুসৰি অসমে ১০০তকৈ কম সংখ্যক নগৰীয়া স্থানীয় নিকায়যুক্ত ৰাজ্যসমূহৰ ভিতৰত সবাতোকৈ খৰতকীয়া ফলাফল দেখুওৱাৰ লগতে ৮টা নগৰীয়া স্থানীয় নিকায়ে বিভিন্ন শাখাত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হয়।

ভাৰত চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ কল্যাণ মন্ত্ৰালয়ে প্ৰধান মন্ত্ৰী আৱাস যোজনা (নগৰীয়া) ৰ অধীনত হিতাধিকাৰীয়ে নিজে সাজি লোৱা ব্যৱস্থাটোৰ জৰিয়তে ১.১৬ লাখ বাসগৃহ অনুমোদন তথা আৱণ্টন কৰিছে।

ডে-এন ইউ এল এম মিশ্যনৰ অধীনত আঞ্চলিক পৰ্যায়ৰ ফেডাৰেশ্যন আৰু নগৰীয়া জীৱিকা কেন্দ্ৰকে ধৰি আত্মসহায়ক গোট গঠন কৰা হৈছে। লাভজনক জীৱিকাৰ উদ্দেশ্যেৰে নগৰীয়া দৰিদ্ৰ পৰিয়ালসমূহৰ মাজত দক্ষতাভিত্তিক প্ৰশিক্ষণো প্ৰদান কৰা হৈছে।

অটল মিশ্যন ফৰ ৰিজুভিনেশ্যন এণ্ড আৰ্বান ট্ৰান্সফৰ্মেশ্যন (অমৰুত)ৰ অধীনত ২০টা প্ৰকল্প কাৰ্যকৰী কৰি থকা হৈছে, যিসমূহৰ মাজত মিশ্যনৰ অন্তৰ্গত ৪খন নগৰ- ডিব্ৰুগড়, গুৱাহাটী, নগাঁও আৰু শিলচৰত উদ্যান আৰু পানী যোগানৰ দৰে কাম-কাজ চলি আছে। ২০২২ বৰ্ষৰ জুলাই মাহৰ ভিতৰত ৩টা নতুন পানী যোগান প্ৰকল্প স্থাপন কৰা হ'ব, যিসমূহৰ জৰিয়তে মুঠ ৭,০৭,১৪৬ গৰাকী লোকে ঘৰতে নলীৰে অহা পানী লাভ কৰিব। অমৰুত মিশ্যনৰ অন্তৰ্গত অনলাইন বিল্ডিং পাৰ্মিশ্যন চিষ্টেম পৰীক্ষামূলকভাৱে নগাঁও চহৰত ৰূপায়ন কৰি থকা হৈছে, যিটো শীঘ্ৰেই আন নগৰসমূহতো ৰূপায়ন কৰা হ'ব।

**জলসম্পদ ঃ**

মোৰ চৰকাৰে ৪৪৮৬.৪৪ কি.মি. বান্ধ নিৰ্মাণ, ১০১৯টা খহনীয়া প্ৰতিৰোধী তথা নগৰ সুৰক্ষাৰ কাম, ১০১খন বৃহৎ শ্লুইচ্ গেট তথা ৫৪৫খন ক্ষুদ্ৰ শ্লুইচ্ গেট

নিৰ্মাণ, ৮৯২.২১৬ কি.মি. নলা আৰু ইতিমধ্যে থকা ৮৯৭.৬১৪ কি.মি. আলি ওখ কৰাৰ লগতে শক্তিশালী কৰি ৰাজ্যখনৰ ৩১.০৫ লাখ হেক্টৰ বানপানীপ্ৰৱণ ভূমিৰ ভিতৰত ১৬.৫০ লাখ হেক্টৰ ভূমি সুৰক্ষিত কৰিছে।

মোৰ চৰকাৰে ২০১৬-১৭ৰ পৰা ২০২০-২১ বৰ্ষলৈ বিভিন্ন শিতানৰ নিৰ্ধাৰিত পুঁজিৰ অধীনত বানপানী তথা খহনীয়া প্ৰতিৰোধৰ লগতে আন্তঃগাঁথনি উন্নয়নৰ আঁচনি হাতত লৈ আহিছে। ইয়াৰে ভিতৰত আছে, এছ অ' পি ডি-জিৰ অধীনত ২১৮.২৯ কোটি টকা ব্যয়ৰ ১১৩খন আঁচনি, নগাঁও জিলাত কলং নদী উন্নীতকৰণৰ বাবে ৪৬.০৭ কোটি টকা ব্যয়ৰ ২৭খন আঁচনি, মাজুলীত বান নিয়ন্ত্ৰণৰ লগতে জলসম্পদৰ চৌহদ উন্নয়নৰ বাবে ২৭.৯১ কোটি টকা ব্যয়ৰ ১০খন আঁচনি, নাবাৰ্ডৰ অধীনত ৩৯৯.১৭ কোটি টকা ব্যয়ৰ ১৫০খন আঁচনি, চিগনেচাৰ প্ৰ'জেক্ট (উত্তৰণ)ৰ অধীনত ৪০.০০ কোটি টকা ব্যয়ৰ ৪খন আঁচনি, ড'নাৰ মন্ত্ৰালয়ৰ পুঁজিৰ দ্বাৰা ৪৮.৭৫ কোটি টকা ব্যয়ৰ ২খন আঁচনি আৰু বৰাক উপত্যকালৈ প্ৰদান কৰা মুখ্যমন্ত্ৰীৰ পেকেজৰ অধীনত ৩৬.৪৯ কোটি টকা ব্যয়ৰ ১৫খন আঁচনি আৰু২০১৯-২০ বৰ্ষত এছ অ' পি ডি-এফ ডি আৰ-ৰ অধীনত ৩৮টা ভগ্নস্থান মেৰামতিৰ বাবে ৬০৭.৯৮ লাখ টকা ব্যয়ৰ ৪৮খন আঁচনি হাতত লোৱা হৈছিল।

ইয়াৰোপৰি নাবাৰ্ড (আৰ আই ডি এফ- XXVI)ৰ অধীনত ২০২০-২১ বৰ্ষৰ বাবে ২৫খন আঁচনিৰ বিপৰীতে ৫০.০০ কোটি টকাৰ ঋণ অনুমোদন কৰা হৈছে।

"আছাম ইণ্টিগ্ৰেটেড ৰিভাৰ বেচিন মেনেজমেণ্ট প্ৰ'জেক্ট" নামৰ বিশ্ব বেংকৰ দ্বাৰা পুঁজি প্ৰদান কৰা প্ৰস্তাৱিত প্ৰকল্পটোৰ বাবে মোৰ চৰকাৰে প্ৰাথমিক প্ৰকল্প প্ৰতিবেদন প্ৰস্তুত কৰিছে আৰু সেইখন নীতিগতভাৱে অনুমোদনো কৰা হৈছে।

**সংখ্যালঘূৰ কল্যাণ আৰু উন্নয়ন ঃ**

২০১৬-১৭ ৰ পৰা ২০১৯-২০ বিত্তীয় বৰ্ষৰ সময়ছোৱাত মুঠ ৭,৫১,০০২ গৰাকী শিক্ষাৰ্থীয়ে প্ৰি মেট্ৰিক জলপানি, ১,১৮,৯২৪ গৰাকী শিক্ষাৰ্থীয়ে পোষ্ট মেট্ৰিক জলপানি আৰু ১৭,৮৫১ গৰাকী শিক্ষাৰ্থীয়ে মেৰিট কাম মীনছ জলপানিৰ

দ্বাৰা লাভান্বিত হৈছে। ২০২০-২১ বৰ্ষৰ বাবে তথ্য পৰীক্ষণৰ কাম-কাজ চলি আছে।

কেন্দ্ৰীয়ভাৱে পুঁজি প্ৰদান কৰা আঁচনি প্ৰধান মন্ত্ৰী জন বিকাশ কাৰ্যক্ৰমৰ অধীনত ২০১৬-১৭ ৰ পৰা ২০১৯-২০ বৰ্ষলৈ ভাৰত চৰকাৰৰ তৰফৰ পৰা ৪৩৭৪৯.০৬১২ লাখ টকা অনুমোদিত হৈছে আৰু ৩৭৪১৮.৫১৮১ লাখ টকাৰ পুঁজি প্ৰাপ্ত হৈছে।

**ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী কল্যাণ ঃ**

২০২১-২২ বৰ্ষৰ বাবে ছখন স্বায়ত্বশাসিত পৰিষদ (মিছিং স্বায়ত্বশাসিত পৰিষদ, ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদ, তিৱা স্বায়ত্বশাসিত পৰিষদ, সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদ, ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদ, দেউৰী স্বায়ত্বশাসিত পৰিষদ)ৰ অধীনত বসবাস কৰা বিভিন্ন স্থানীয় জনজাতিৰ নিৰ্দিষ্ট উন্নয়নৰ লক্ষ্যৰে ২৫৩৭৭.৩১ লাখ টকাৰ পুঁজি অনুমোদন কৰা হৈছে।

নৱগঠিত স্বায়ত্বশাসিত পৰিষদসমূহ হৈছে, অবিভক্ত গোৱালপাৰা জিলাৰ বিটিএডি আৰু ৰাভা হাছং স্বায়ত্বশাসিত পৰিষদৰ এলেকাবোৰ বাদ দি গঠন কৰা কমতাপুৰ স্বায়ত্বশাসিত পৰিষদ, মৰাণ স্বায়ত্বশাসিত পৰিষদ আৰু মটক স্বায়ত্বশাসিত পৰিষদ।

ইয়াৰোপৰি অসম বিধানসভাৰ শীতকালীন অধিৱেশনত বিটিএডি-ৰ বাহিৰত বড়ো কছাৰী কল্যাণ পৰিষদ গঠনৰ বাবেও বিধেয়ক গৃহীত হৈছে।

মোৰ চৰকাৰে এচ অ' পি ডি-ৰ অধীনত মৰাণ, মটক, চুতীয়া আৰু টাই আহোম সম্প্ৰদায়লৈ তলত দিয়া ধৰণে এককালীন বিশেষ অনুদান প্ৰদানৰো ব্যৱস্থা গ্ৰহণ কৰিছেঃ

| | | | |
|---|---|---|---|
| ১) | মৰাণ সম্প্ৰদায় | - | ৬২৫০.০০ লাখ টকা |
| ২) | মটক সম্প্ৰদায় | - | ৬২৫০.০০ লাখ টকা |
| ৩) | চুতীয়া সম্প্ৰদায় | - | ৬২৫০.০০ লাখ টকা |
| ৪) | টাই আহোম সম্প্ৰদায় | - | ১২৫০০.০০ লাখ টকা |

মোৰ চৰকাৰে ২০১৬-১৭ ৰ পৰা ২০২০-২১ বৰ্ষলৈ জিলা আৰু মহকুমা সদৰসমূহৰ বিভিন্ন স্থানত ৩৭টা ড° বি. আৰ. আম্বেদকাৰ ভৱন নিৰ্মাণৰ বাবে প্ৰশাসনিক অনুমোদন প্ৰদান কৰিছে, যিসমূহৰ ভিতৰৰ ৫টা আম্বেদকাৰ ভৱনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে আৰু ৩২টা আম্বেদকাৰ ভৱনৰ নিৰ্মাণকাৰ্য চলি আছে।

২০২০-২১ বৰ্ষৰ সময়ছোৱাত অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ স্নাতক নিবনুৱা যুৱক-যুৱতীসকলৰ স্বনিয়োজন তথা জীৱিকা সৃষ্টিৰ বাবে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ২৫,০০০ টকাকৈ বিত্তীয় সাহায্য আগবঢ়োৱা হৈছে।

মাজুলীত বৈষ্ণৱ পণ্ডিত আচাৰ্য ইলাৰাম দাসৰ স্মৃতিত প্ৰেক্ষাগৃহ আৰু অত্যাধুনিক ৰাজহুৱা সভাঘৰ নিৰ্মাণৰ কাম চলি আছে।

২০২১-২২ বৰ্ষৰ বাবে বিভিন্ন স্থানীয় সম্প্ৰদায়ৰ উন্নয়নৰ কাৰণে ৩১খন উন্নয়ন পৰিষদলৈ ১০১৮.৯২ লাখ টকা অনুমোদন দিয়া হৈছে।

বিটিএডি অঞ্চলৰ উন্নয়নৰ কাৰণে এছঅ'পিডি-ৰ অধীনত ২০২১-২২ বৰ্ষৰ বাবে ৬০২৩৬.৭৪ লাখ টকা অনুমোদন কৰা হৈছে।

কৃষিক্ষেত্ৰত প্ৰধান সফলতাসমূহ হৈছে মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ট্ৰেক্টৰ বিতৰণ। বিটিচি অঞ্চলত মুঠ ৩১৭৬খন ট্ৰেক্টৰ বিতৰণ কৰা হৈছে। স্বচ্ছ ভাৰত অভিযানৰ অধীনত মুঠ ২২,৬৪৬টা ঘৰুৱা শৌচাগাৰ নিৰ্মাণ কৰা হৈছে আৰু মুঠ ১,১৩,২৩০ গৰাকী লোক উপকৃত হৈছে। বিটিচি-ৰ চাৰিখন জিলাত জল জীৱন অভিযানৰ অধীনত ৪১৭খন আঁচনি ৰূপায়ণ কৰা হৈছে।

মোৰ চৰকাৰে 'ট্ৰাইবেল চাব-প্লেন'ৰ অন্তৰ্গত জনজাতীয় এলেকাসমূহৰ উন্নয়নৰ বাবে বিশেষভাৱে মনোনিৱেশ কৰি আহিছে আৰু 'চিডিউল্ড কাষ্ট চাব-প্লেন'ৰ জৰিয়তে অনুসূচিত জাতিৰ লোকসকললৈ বিভিন্ন সুবিধা প্ৰদান কৰি আহিছে। ২০২১-২২ বৰ্ষৰ বাবে 'ট্ৰাইবেল চাব-প্লেন'ৰ অধীনত ৭৭৩৫.৫৬ লাখ টকা আৰু 'চিডিউল্ড কাষ্ট চাব-প্লেন'ৰ অধীনত ১৭৪৩৯.১০ লাখ টকা অনুমোদন কৰা হৈছে।

মাননীয় সদস্যসকল, মই মোৰ চৰকাৰৰ নীতি, কাৰ্যসূচী আৰু সফলতাসমূহৰ খতিয়ান দাঙি ধৰিলোঁ। অসমৰ ৰাইজক দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণ কৰাৰ বাবে মোৰ চৰকাৰ অংগীকাৰবদ্ধ। ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ লগতে অসমৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণৰ হকে সহযোগ কৰি একগোটহৈ কাম কৰাৰ বাবে সন্মানীয় সদনক অনুৰোধ জনালোঁ।

**জয় আই অসম**

**জয় হিন্দ**